● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

সুখী জীৱনৰ বাবে বিশেষ একোৰে প্ৰয়োজন নাই। ই আপোনাৰ মাজতে আছে, আপোনাৰ চিন্তাত আছে।

মাৰ্কাছ অ'ৰেলিয়াছ
*ৰোমান সম্ৰাট*



www.dainikagradoot.in

৫ পেণ্ডৰা পেপাৰ্ছ কেলেংকাৰিৰ তদন্ত চলাব একাধিক সংস্থাই
১১ বিশ্ব বক্সিঙত পোনে পোনে খেলাৰ সুযোগ লাভলীনাক
৪ অপ্ৰমাণিত তথ্য আৰু ভুৱা বাতৰিত বিভ্ৰান্ত ৰাইজ

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ১ম সংখ্যা ● গুৱাহাটী ● বুধবাৰ ১৯ আহিন ১৪২৮ ভাস্কৰাব্দ ৬ অক্টোবৰ ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Wednesday 6 October 2021 মূল্য ঃ ৭.০০ টকা

■ পূৰ্বতেও এজন যুৱকক ঘূণীয়া কৰি কৰ্তব্যৰত আৰক্ষীৰ পোছাক ফালিও সাৰি গৈছিল



## দিছপুৰৰ বহু প্ৰভাৱশালী ব্যক্তিৰে ঘনিষ্ঠ ৰাজকন্যা হাজিৰ নহ'ল থানাত

অৱশেষত মেডিকেল ব'ৰ্ড গঠন আৰক্ষীৰ ঃ কাইলৈ জিএমচিএইছত হাজিৰ হ'ব লাগিব

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৫ অক্টোবৰ ঃ** সুৰাৰ ৰাগিত মাতাল হৈ সান্ধ্য আইন ভংগ কৰি দ্ৰুতবেগত গাড়ী চলাই আঠজনকৈ শ্ৰমিকক মহটিয়াই নিয়া মডেল ৰাজকন্যা বৰুৱাক আজি দিছপুৰ আৰক্ষীয়ে থানাত হাজিৰ হ'বলৈ জাননী জাৰি কৰিছিল যদিও সেই নিৰ্দেশ পালন নকৰিলে দিছপুৰৰ বহু হাইপ্ৰফাইল ব্যক্তিৰে ঘনিষ্ঠ যুৱতীগৰাকী। অসুস্থতাৰ অজুহাত দি জিএনআৰচি হাস্পতালত যুৱতীগৰাকী চিকিৎসাধীন হৈ থকা বুলি পৰিয়ালে থানাত অৱগত কৰি হাজিৰ হ'বলৈ ১৪ দিনৰ সময় বিচাৰিছে বুলি আৰক্ষী সূত্ৰই সদৰী কৰে। উল্লেখ্য যে সান্ধ্য আইন ভংগ কৰি দুপৰ নিশা *সাত পৃষ্ঠাত চাওক*

ভয়াৱহ ইন্ধন সংকটৰ আশংকা ■ শক্তি প্ৰকল্প-বৃহৎ উদ্যোগ সন্মুখীন হ'ব গভীৰ সমস্যাৰ

## দেশত মাত্ৰ চাৰিদিনৰ কয়লাহে মজুত

**■ নিউজ ব্যুৰ'**
**নতুন দিল্লী, ৫ অক্টোবৰ ঃ** ভয়াৱহ কয়লা নাটনিৰ সংকটৰ সন্মুখীন হৈছে ভাৰত। কয়লাৰ যোগান যথেষ্ট হ্ৰাস পোৱাৰ ফলত বিশ্বৰ সবাতোকৈ দ্ৰুতগতিত সম্প্ৰসাৰিত হোৱা অৰ্থনীতিৰ অধিকাৰী ভাৰতত শক্তি আৰু ইন্ধনৰ সংকটে দেখা দিয়াৰ সম্ভাৱনা প্ৰকট হৈছে। দেশৰ কয়লাচালিত শক্তি কেন্দ্ৰসমূহত সম্প্ৰতি মাত্ৰ চাৰিদিনৰ চাহিদা পূৰণৰ জোখাৰে কয়লাৰ ভঁৰাল মজুত আছে। চলিত মাহত অন্তিমভাগলৈ কয়লাৰ নাটনিৰ এই সমস্যা অব্যাহত থাকিলে দেশত ভয়াৱহ ইন্ধন সংকটে দেখা দিব পাৰে। বছৰৰ ভিতৰতে সম্প্ৰতি কয়লাৰ যোগান দেশৰ শক্তি কেন্দ্ৰসমূহত সৰ্বনিম্ন হৈছে। যোৱা ১৩ আগষ্টৰ পৰাই দেশৰ প্ৰায়কেইটা কয়লাচালিত শক্তি কেন্দ্ৰত মজুত থকা কয়লাৰ পৰিমাণ হ্ৰাস পাবলৈ ধৰিছিল। সম্প্ৰতি অৰ্দ্ধেকাংশ কয়লাচালিত শক্তি কেন্দ্ৰই কয়লাৰ নাটনিৰ সংকটৰ সন্মুখীন হৈছে। উল্লেখ্য যে ভাৰতত ৭০ শতাংশ বিদ্যুৎ উৎপাদনত কয়লা ব্যৱহাৰ হৈ আহিছে। তদুপৰি এলুমিনিয়াম আৰু তীখা *আঠ পৃষ্ঠাত চাওক*



■ প্ৰভাৱশালী আৰক্ষী বিষয়া ৰৌণক আলী হাজৰিকাক গ্ৰেপ্তাৰ ■ আয়ৰ জ্ঞাত উৎসৰ বিপৰীতে ১৬৪.৮ শতাংশ সম্পত্তি আহৰণৰ প্ৰাথমিক তথ্য ■ বেংক একাউণ্টত অস্বাভাৱিক বৃহৎ লেনদেন


# কি উদ্দেশ্যে গোপন বিদেশ ভ্ৰমণ ?





■ গৃহ মন্ত্ৰণালয়ক অৱগত কৰিছে অসম আৰক্ষীয়ে ■ দেশৰ বিভিন্ন প্ৰান্তত সম্পত্তিৰ পাহাৰ ■ হেঙেৰাবাৰীৰ বাসভৱনৰ পৰা বৃহৎ পৰিমাণৰ বৈদেশিক মুদ্ৰা উদ্ধাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৫ অক্টোবৰ ঃ** ৰাজ্যৰ গৃহ বিভাগত জোঁকাৰণিৰ সৃষ্টি কৰি আজি আৰক্ষীৰ হাততে গ্ৰেপ্তাৰ হ'ল অসম আৰক্ষীৰ সম্প্ৰতি নিলম্বিত উপ-মহাপৰিদৰ্শক ৰৌণক আলী হাজৰিকা। ভাৰতীয় আৰক্ষী সেৱাৰ মনোনীত বিষয়াজনৰ মহানগৰীৰ হেঙেৰাবাৰীস্থিত প্ৰাসাদোপম অট্টালিকাত মুখ্যমন্ত্ৰীৰ তদাৰকী শাখাই দীৰ্ঘসময় তালাচী চলোৱাৰ পাছতে হাজৰিকাক গ্ৰেপ্তাৰ কৰে। অৱশ্যে আজি গ্ৰেপ্তাৰ কৰিলেও কাইলৈহে তেওঁক আদালতত হাজিৰ কৰোৱা হ'ব। আজি নিশাটো হাজৰিকাক পাণবজাৰ আৰক্ষী থানাত ৰখা হ'ব বুলি মুখ্যমন্ত্ৰীৰ তদাৰকী শাখাৰ আৰক্ষী *আঠ পৃষ্ঠাত চাওক*



*ছিমলাত বিলাসী ৰিজ'ৰ্ট।*

দালাল-মধ্যভোগীৰ দীঘলীয়া তালিকা ■ আত্মগোপন কৰিছে বহুতে

শীঘ্ৰে জালত পৰিব আৰু ১৪ গৰাকী ■ আদালতত হাজিৰ ১৩ গৰাকীক

## লক্ষাধিক টকাৰ বিনিময়ত বিক্ৰী হৈছিল টে'ট উত্তীৰ্ণৰ জাল প্ৰমাণপত্ৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৫ অক্টোবৰ ঃ** ন্যূনতম এক লাখকৈ টকাৰ বিনিময়ত দালালে বিক্ৰী কৰিছিল টে'ট উত্তীৰ্ণৰ ভুৱা প্ৰমাণপত্ৰ। চৰকাৰীভাৱে দাবী কৰা স্বচ্ছতাৰে টে'ট উত্তীৰ্ণক শিক্ষক পদত নিযুক্তিৰ প্ৰক্ৰিয়া চলি থকাৰ মাজতে শেহতীয়াকৈ বিটিচিত এই ক্ষেত্ৰত ব্যাপক জালিয়াতি সংঘটিত হোৱাৰ অভিযোগ উত্থাপিত হয়। তাৰ ভিত্তিতে এই পৰ্যন্ত অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান বিভাগ (চিআইডি)এ ২২গৰাকী জালিয়াতিৰ আশ্ৰয় লোৱা শিক্ষক-শিক্ষয়িত্ৰীক গ্ৰেপ্তাৰ কৰিছে। সেইসকলৰে একাংশই চিআইডিৰ আগত স্বীকাৰোক্তি *আঠ পৃষ্ঠাত চাওক*



*হাজোত ধৃত ইছলামুদ্দিন।*

## গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা বৰ্খাস্ত ড° কন্দৰ্প দাস

কেলেংকাৰিত জড়িত থকাত কাৰ্যবাহী পৰিষদৰ সিদ্ধান্ত

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৫ অক্টোবৰ ঃ** গুৱাহাটী বিশ্ববিদ্যালয়ৰ দূৰ নিয়ন্ত্ৰণ শিক্ষা প্ৰতিষ্ঠান আইডলত সংঘটিত কেলেংকাৰিৰ মূল অভিযুক্ত ড° কন্দৰ্প দাসক আজি গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপকৰ পদৰ পৰা বৰ্খাস্তৰ *আঠ পৃষ্ঠাত চাওক*

## তিনি দেশৰ বিজ্ঞানীলৈ পদাৰ্থ বিজ্ঞানৰ ন'বেল বঁটা

জলবায়ুৰ অভাৱনীয় সালসলনিৰ সন্ধান লাভ




**■ নিউজ ব্যুৰ'**
**ষ্টকহ'ম, ৫ অক্টোবৰ ঃ** অনিয়ম, বিশৃংখলা, খাম-খেয়ালি আৰু বিসংগতিপূৰ্ণ আচৰণৰ মাজতো নিয়মৰ সন্ধান আৰু তাৰ নিখুঁত পূৰ্বাভাসৰ পথ দেখুওৱা বাবে এইবাৰ পদাৰ্থ *সাত পৃষ্ঠাত চাওক*

■ ক'ভিডৰ আতংকৰ মাজতেই ৰাজ্যত শাৰদীয় দুৰ্গোৎসৱৰ বতৰ ■ দুইৰ পৰা ৩.৫০ লাখৰ বাজেটৰ ভিতৰতে সম্পন্ন হ'ব পূজা ■ থলুৱা প্ৰতিমা-আলোকসজ্জা-মণ্ডপেৰে চলিছে প্ৰস্তুতি

## জাকজমকতা অবিহনেই দুৰ্গা দেৱীৰ আৱাহন

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৫ অক্টোবৰ ঃ** সম্পূৰ্ণকৈ মাৰ যোৱা নাই ক'ভিডৰ আতংক। ক'ভিডত এতিয়াও প্ৰতিদিনে শতাধিক লোক আক্ৰান্ত হৈ আছে। ইয়াৰ মাজতে ক'ভিডে স্তব্ধ কৰি পেলোৱা জনজীৱনত কিছু গতিশীলতা প্ৰদানৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে সময়ে সময়ে নতুন নীতি-নিৰ্দেশনা প্ৰকাশ কৰি আহিছে। বিগত বৰ্ষত দেশত সম্পূৰ্ণৰূপে তলাবন্ধ ঘোষণা কৰিছিল কেন্দ্ৰীয় চৰকাৰে। তাৰ পৰৱৰ্তী সময়ত আক্ৰান্তৰ সংখ্যাৰ ওপৰত ভিত্তি কৰি ৰাজ্য *আঠ পৃষ্ঠাত চাওক*



■ '৭২ৰ পূজাৰ পৰিৱেশ ঘূৰাই অনা হ'ব ৰেষ্টকেম্প কালীবাৰীত ■ থ্ৰী ডি বেকগ্ৰাউণ্ড ছবিৰে সজোৱা হ'ব বেলতলা লক্ষ্মী মন্দিৰৰ মণ্ডপ ■ আলোকসজ্জা বিহীন পূজা নয়নতৰা ক্লাবত

## মহানগৰীত দিন-দুপৰতে গুলীয়াই লুটি নিলে ধন-সোণ

মূৰত গুলি লৈ চিকিৎসাধীন এজন ঃ এৰি গ'ল বাহন

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৫ অক্টোবৰ ঃ** গুৱাহাটী মহানগৰীত আজি দিন-দুপৰতে সংঘটিত হয় এক লোমহৰ্ষক ডকাইতি। এই ঘটনাত ডকাইতৰ গুলিত এজন *ছয় পৃষ্ঠাত চাওক*

ৰাইজৰ দলৰ সঁহাৰিলৈ আৰু বাট নাচালে

## থাওৰা-ভৱানীপুৰসহ পাঁচ সমষ্টিতে উপ-নিৰ্বাচনৰ প্ৰাৰ্থী ঘোষণা কংগ্ৰেছৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৫ অক্টোবৰ ঃ** ৰাইজৰ দলৰ লগত মন মিলিলেও অংক নিমিলিল কংগ্ৰেছৰ। সেইবাবে অখিল গগৈ নেতৃত্বাধীন দলটোক ভৱানীপুৰ এৰি দিও কোনো সঁহাৰি নাপাই আজি এই সমষ্টিৰো প্ৰাৰ্থী ঘোষণা কৰে কংগ্ৰেছে। লগে লগে নিৰ্বাচন আয়োগে উপ-নিৰ্বাচন ঘোষণা কৰা পাঁচোটা সমষ্টিতে কংগ্ৰেছে প্ৰতিদ্বন্দ্বিতা কৰাটো নিশ্চিত হ'ল। *আঠ পৃষ্ঠাত চাওক*

## বন্ধুৱেই হত্যা কৰি চুৰি কৰিলে গাড়ী, ধৃত তিনিজন

**অগ্ৰদূত বাৰ্তা**
**শালবাৰী, ৫ অক্টোবৰ ঃ** বাস্‌গা জিলাৰ শালবাৰীৰ এজন নিৰুদ্দিষ্ট গাড়ীচালকৰ মৃতদেহ আজি নগাঁৱত উদ্ধাৰ হয়। তিনিজন যুৱকে হত্যা কৰি গাড়ীখন চুৰি কৰি নিছিল। *সাত পৃষ্ঠাত চাওক*

কৃষকৰ জেপত ধন থাকিলে বজাৰ ব্যৱস্থাই নিজে গতি ল'ব ঃ টোমৰ


## অহা পাঁচ বজাৰত দুই লাখ হেক্টৰ মাটিত তৈল পামৰ খেতি কৰা হ'ব



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৫ অক্টোবৰ ঃ** আজি গুৱাহাটীত উত্তৰ-পূবৰ ৰাজ্যসমূহত তেল পাম বিষয়ক ৰাষ্ট্ৰীয় অভিযানৰ ওপৰত বাণিজ্য সন্মিলন অনুষ্ঠিত হৈ যায়। উত্তৰ-পূৰ্বাঞ্চলৰ সামগ্ৰিক আৰু সন্তুলিত প্ৰগতিৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দৃষ্টিভংগীৰ প্ৰতি লক্ষ্য ৰাখি কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী নৰেন্দ্ৰ সিং টোমৰৰ পৌৰোহিত্যত তেল পাম প্ৰকল্পত পানী দিয়া আৰু তেল পাম খেতিৰ ওপৰত এখন চলচ্চিত্ৰ প্ৰদৰ্শনৰ স'তে আজিৰ সন্মিলন আৰম্ভ হয়। আজিৰ সন্মিলনত মুখ্য অতিথিৰূপে *সাত পৃষ্ঠাত চাওক*

## পুনৰ দুদিনৰ আৰক্ষী জিম্মাত বিধায়ক শ্বেৰমান আলী

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৫ অক্টোবৰ ঃ** ছহিদক ঘাতক আখ্যা দি অসম আৰক্ষীৰ জালত পৰা বিতৰ্কিত বিধায়ক শ্বেৰমান আলীক পুনৰ দুদিনৰ আৰক্ষী জিম্মালৈ প্ৰেৰণ কৰিছে কামৰূপ জিলা মুখ্য ন্যায়িক দণ্ডাধীশৰ *ছয় পৃষ্ঠাত চাওক*




| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩১° | ২৪° |
| ডিব্ৰুগড় | ৩৬° | ২৪° |
| দিল্লী | ৩৩° | ২৩° |
| কলকাতা | ৩৩° | ২৭° |
| মুম্বাই | ৩২° | ২৮° |
| চেন্নাই | ২৯° | ২৬° |
| বাংগালুৰু | ২৭° | ২১° |
| শ্বিলং | ২২° | ১৬° |

*৫ অক্টোবৰ, ২০২১*

■ লখিমপুৰ খেৰিৰ হিংসাৰ চি বি আই তদন্ত দাবী ■ অতিমাত্ৰা ৰক্তক্ষৰণৰ ফলতে মৃত্যু কৃষকৰ ■ মৰণোত্তৰ প্ৰতিবেদনত প্ৰকাশ ■ প্ৰধানমন্ত্ৰীক কঠোৰ সমালোচনা কংগ্ৰেছ নেত্ৰী প্ৰিয়ংকাৰ

## কৃষকক গাড়ীৰে মহটিওৱা মন্ত্ৰী পুত্ৰক সুৰক্ষা



**■ নিউজ ব্যুৰ'**
**নতুন দিল্লী/লক্ষ্ণৌ, ৫ অক্টোবৰ ঃ** উত্তৰ প্ৰদেশৰ লখিমপুৰ খেৰিত প্ৰতিবাদী কৃষকক গাড়ীৰে মহটিয়াই নিয়া ঘটনাৰ মূল অভিযুক্ত কেন্দ্ৰীয় গৃহৰাজ্য মন্ত্ৰী অজয় মিশ্ৰৰ পুত্ৰ আশিস মিশ্ৰক আৰক্ষীয়ে গ্ৰেপ্তাৰ নকৰাক লৈ তীব্ৰ ক্ষোভৰ সৃষ্টি হৈছে। এজাহাৰত মন্ত্ৰী পুত্ৰৰ নাম উল্লেখ কৰি হত্যাৰ অভিযোগ দিয়াৰ পাছতো তেওঁক গ্ৰেপ্তাৰ নকৰি সুৰক্ষা প্ৰদানক লৈ বিৰোধীয়ে *আঠ পৃষ্ঠাত চাওক*

## কাৰ্বি আংলং জিলাৰ দলামৰা ধৰ্মীয় ঐক্য সমাৰোহত মুখ্যমন্ত্ৰী

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৫ অক্টোবৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি কাৰ্বি আংলং জিলাৰ দলামৰাৰ লখিমন সংঘৰ ধৰ্মীয় ঐক্য সমাৰোহত অংশগ্ৰহণ কৰি কয় যে আধ্যাত্মিক *আঠ পৃষ্ঠাত চাওক*



## চেঙা তেল




*সিদিনা জিকাই পঠিয়াইছিলোহে, এইবাৰ আপুনি আকৌ নতুন প্ৰতীকত ভোট বিচাৰি আহিল!*

■ কৰ'নাকালত অনুমতি অবিহনেই প্ৰমোদতৰীত আয়োজিত পাৰ্টী

## বিটকইন ব্যৱহাৰ কৰি ডাৰ্ক ৱেবৰ পৰা ড্ৰাগছ ক্ৰয় কৰিছিল আৰিয়ানে

**■ নিউজ ব্যুৰ'**
**মুম্বাই, ৫ অক্টোবৰ ঃ** কোনো ধৰণৰ বৈধ অনুমতি অবিহনেই ৰেভ পাৰ্টী আয়োজিত হৈছিল শ্বাহৰুখ খানৰ পুত্ৰসহ একাধিক লোক উপস্থিত থকা প্ৰমোদতৰীত। নাৰ্ক'টিক্স কন্ট্ৰোল ব্যুৰ' (এনচিবি)ৰ সমান্তৰালকৈ মুম্বাই আৰক্ষীয়েও আৰম্ভ কৰিছে শেহতীয়া ড্ৰাগছ কাণ্ডৰ তদন্ত। গোৱাগামী প্ৰমোদতৰীত শ্বাহৰুখ-পুত্ৰ আৰিয়ান খানৰ ড্ৰাগছ পাৰ্টীক কেন্দ্ৰ কৰি মুম্বাই আৰক্ষীয়ে আজিৰে পৰা আৰম্ভ কৰা সমান্তৰাল তদন্ততে এই তথ্য উঠি আহিছে। প্ৰাথমিক তথ্য-প্ৰমাণ পৰীক্ষাৰ পাছত মুম্বাই আৰক্ষীয়ে দাবী কৰিছে যে উক্ত *আঠ পৃষ্ঠাত চাওক*



মৈৰাবাৰীত বিদ্যালয়ত বিক্ৰী হৈছে ড্ৰাগ্‌ছ

## ড্ৰাগছসহ দুই ছাত্ৰক আটক কৰি আৰক্ষীক গতালে কৰ্তৃপক্ষই



**অগ্ৰদূত বাৰ্তা**
**ভুৰাগাঁও, ৫ অক্টোবৰ ঃ** নিষিদ্ধ ড্ৰাগ্‌ছৰ বাবে সম্প্ৰতি মৰিগাঁও জিলাত ভয়াৱহ পৰিস্থিতিৰ উদ্ভৱ হৈছে। সম্প্ৰতি আৰক্ষীৰ জিম্মাত থকা মেৰাবাৰীৰ *আঠ পৃষ্ঠাত চাওক*



দৈনিক অগ্ৰদূত
গুৱাহাটী, ৬ অক্টোবৰ, ২০২১ বুধবাৰ পৃষ্ঠা তিনি

## বিল্যাসনন্দন চ'ৰা



# ভুৱাৰ প্ৰচলন

যদি কোনোবাই সোধে যে আমাৰ ষ্টেটখনত কি বস্তু আটাইতকৈ বেছি পোৱা যায়, তেতিয়া বহুতে বহু বস্তুৰ নাম ক'ব। কিছুমানে ক'ব— চাহপাত! কিছুমানে ক'ব— তেল। কিছুমানে ক'ব— বাঁহ। কিছুমানে ক'ব— গঁড়। কিছুমানে ক'ব— হাতী। কিছুমানে ক'ব— নদী। কিছুমানে ক'ব— পাহাৰ। বিদ্ৰোহীসকলে ক'ব— কৰাপচন। চৰকাৰী পক্ষই ক'ব— উন্নয়ন। মুঠতে বিভিন্নজনৰ বিভিন্ন ভাষ্য। কিন্তু ভালকৈ যদি ৰিছাৰ্চ কৰি চোৱা যায়, তেন্তে বহুতে সমবেত সংগীত গাই গাই ক'ব যে আমাৰ ষ্টেটত যিটো বস্তু আটাইতকৈ বেছি পোৱা যায়, সেইটো হ'ল— ভুৱা। হয়, অসংখ্য 'ভুৱা'ৰে আমাৰ ষ্টেট ভৰি আছে। আভুৱা ভাঁৰি ভাঁৰি ৰাজভোগ কৰি থকাসকলৰ কথাটো বাৰু নকওঁৱেই, ভালকৈ যদি চায় তেন্তে লক্ষ্য কৰিব যে আমাৰ ষ্টেটত যিমান প্ৰফেছন আছে, সৱৰে ভুৱা আছে। যদি এমবিবিএছ ডাক্তৰ আছে, তেন্তে ভুৱা ডাক্তৰো সমানে আছে। ভুৱা ডাক্তৰে দিয়া ভুৱা দৰববোৰ খাই খাই বহুতে আকৌ বেমাৰো ভাল পাইছে। ভুৱা ডাক্তৰৰ দৰব খাই বেমাৰ ভাল হোৱা দেখাৰ পাছতহে ঘৰৰ মানুহে ধৰিব পাৰিলে যে বেমাৰীজনো ভুৱাই আছিল। ইঞ্জিনীয়াৰ যিমান আছে, ভুৱা ইঞ্জিনীয়াৰো সিমান আছে। ভুৱা ইঞ্জিনীয়াৰেও বহু ইঞ্জিন ভাল কৰি দিছে। পাছতহে গম পোৱা গ'ল যে সেই ইঞ্জিনবোৰো ভুৱা। কৃষক যিমান আছে, ভুৱা কৃষক তাতকৈ বেছি আছে। যেতিয়াই কৃষকৰ নামত কিবা আঁচনি ওলায়, ভুৱা কৃষকবোৰক লৈয়ে সাহায্য পাব লগাসকলৰ লিষ্ট তৈয়াৰ হয়। ভুৱা কৃষকে বেচা 'শিঙিমাৰীৰ বাংনা' বা 'গোৰেশ্বৰৰ বান্ধা' সৱেই কিনি আনে। খাই উঠিহে গম পায় যে এই বাংনা বা বান্ধাবোৰো ভুৱাই! শিঙিমাৰী বা গোৰেশ্বৰৰ পৰা অনা নহয়, অনা হৈছে ইউৰিয়াৰ ফেক্টৰীৰ পৰা। ইউৰিয়াখিনি আকৌ ভুৱা নহয় দেই!





পুলিচ যিমান আছে, ভুৱা পুলিচ তাতকৈ কম নাই। ট্ৰাক দেখিলেই হ'ল, পুলিচে যেনেকৈ হাত পাতে, ভুৱা পুলিচেও পাতে। শুনা মতে, আজিকালি ট্ৰাকৰ পৰা যি দলিয়াই দিয়া হয় 'যা, লৈ যা' বুলি, তাৰে বহুখিনি বোলে ভুৱা ওলায়। এনফ'ৰ্চমেণ্ট, চিআইডি, চিবিআই— এইবোৰৰ যিমান আচল আছে, তাতকৈ ভুৱা বেছি আছে। থাকক! আচল চিবিআইবোৰৰতো আজিকালি নাম-গোন্ধই নোহোৱা হ'ল। আছে নে নাই কোনেও নাজানে। বহুতেতো চিবিআইক আজিকালি গব্বৰ সিঙৰ লগতো তুলনা কৰে। ল'ৰা-ছোৱালীবোৰক ভয় খুৱাই টোপনি নিয়াবলৈ মাকবোৰে যেনেকৈ কৈছিল— 'শুই যা মইনা, নহ'লে গব্বৰ সিং আহি যাব', ঠিক তেনেকৈ বেছিকৈ চিঞৰ-বাখৰ কৰিলে বিৰোধীকো কোৱা হয়— 'মনে মনে থাক! নহ'লে চিবিআই লগাই দিম।' চিবিআইৰ অস্তিত্বক বৰ্তমান এই পইণ্টটোতে বজাই ৰখা হৈছে। বাকী যিমান য'ত চিবিআয়ে পিলপিলাই আছে, সেইবোৰ সৱ ভুৱা। ভুৱাবোৰে গৈ যিবোৰ চোৰ-ডকাইত ধৰে, সেইবোৰ আকৌ ভুৱা নহয়। হ'লে কি হ'ব, ভুৱাই ধৰিছে যেতিয়া সিহঁতো এৰা খাই যায়।

সৌ সিদিনালৈকে ভুৱা মাষ্টৰৰ কথা বৰকৈ শুনা গৈছিল। ভুৱা মাষ্টৰৰ প্ৰচলন বন্ধ কৰিবলৈ টেট পতা হ'ল। তাৰো ভুৱা ওলাই গ'ল। ভুৱা টেট! টেটৰো যেতিয়া ভুৱা ওলাই গ'ল, সৱৰে ভয় লাগি গ'ল। আমাৰ এমেলে-মন্ত্ৰীবোৰেও চিন্তা কৰিব ধৰিলে— কোনোবাদিনা তেওঁলোকৰো ভুৱা ওলাই যাব নেকি? ভুৱা মন্ত্ৰী বা ভুৱা এমেলে! বহু আলোচনা-বিলোচনা আৰু ৰিছাৰ্চ কৰি তেওঁলোক এই সিদ্ধান্তত উপনীত হ'ল যে তেনে চান্স নাই। কিয়নো আজিলৈকে ভুৱা ঠগ ওলোৱা নাই। ভুৱা প্ৰবঞ্চক ওলোৱা নাই। ভুৱা ফাকিবাজ ওলোৱা নাই। ভুৱা ঘোচখোৰ ওলোৱা নাই। ভুৱা ফ'ৰ টুৱেন্টী ওলোৱা নাই। ভুৱা ধান্দাবাজ ওলোৱা নাই। এতেকে এই সিদ্ধান্তত উপনীত হ'ব পৰা যায় যে ভুৱা মন্ত্ৰী-এমেলে ওলোৱাৰ চান্সো খুউব কম।

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*

## ধৰ্মীয় সংখ্যালঘুক বিজেপিক ভোট দিবলৈ আহ্বান সাংসদ ওজাৰ

**অগ্ৰদূত বাৰ্তা**
**বকো, ৫ অক্টোবৰ ঃ** বিজেপি চৰকাৰে প্ৰতিটো জাতি-জনগোষ্ঠীক সাঙুৰি লৈ সকলোৰে সমবিকাশৰ বাবে কাম কৰা হেতুকে ধৰ্মীয় সংখ্যালঘু লোকসকলকো দলটোক ভোট দিবলৈ আজি আহ্বান জনায় গুৱাহাটীৰ সাংসদ কুইন ওজাই। বকোৰ ছমৰীয়াত আজি দলৰ দক্ষিণ কামৰূপ জিলাৰ কাৰ্যনিৰ্বাহক সভাত অংশগ্ৰহণ কৰি সাংসদগৰাকীয়ে অসম আন্দোলনৰ ছহিদক অপমান কৰা বাবে কংগ্ৰেছৰ নিলম্বিত বিধায়ক শ্বেৰমান আলীক ক্ষমা কৰা নহ'ব বুলি তেওঁ কয়। এনেধৰণৰ ৰাজনীতি কাকো কৰিব দিয়া নহ'ব বুলি উল্লেখ কৰি ওজাই উত্তৰ প্ৰদেশৰ দৰে ঘটনা যাতে অসমত সংঘটিত হ'ব *ছয় পৃষ্ঠাত চাওক*

# বহুধা বিভক্ত আক্ৰাছুক একত্ৰিত কৰাৰ ক্ষেত্ৰত পদক্ষেপ গ্ৰহণ কৰিম ঃ ক্ষিতীশ বৰ্মন

■ বঙাইগাঁৱত অনুষ্ঠিত আক্ৰাছুৰ কেন্দ্ৰীয় অধিবেশনৰ সামৰণি

**অগ্ৰদূত ব্যুৰ'**
**বঙাইগাঁও, ৫ অক্টোবৰ ঃ** সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ দশম দ্বি-বাৰ্ষিক কেন্দ্ৰীয় অধিবেশনৰ জৰিয়তে সংগঠনটোৰ নতুন সভাপতি হিচাপে বঙাইগাঁৱৰ ক্ষিতীশ বৰ্মন নিৰ্বাচিত হৈছে। দেওবাৰৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে বঙাইগাঁৱত অনুষ্ঠিত আক্ৰাছুৰ বিষয় বাছনি সভাত সংগঠনটোৰ নতুন কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সমিতিখন গঠন কৰা হয়। সংগঠনটোৰ সংবিধান সংশোধন কৰি এইবাৰ কেন্দ্ৰীয় সমিতিখন ৫১ জনীয়া কৰা হয়। নৱগঠিত কেন্দ্ৰীয় সমিতিখনত যুটীয়া সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত হয় বাগ্‌সাৰ কপিল সিংহ আৰু শিৱসাগৰৰ পাৰ্থজ্যোতি বৰা। আনহাতে, আঠজন উপ-সভাপতি হৈছে ক্ৰমে কল্যাণ সিংহ, গোবিন্দ ৰায়, হৃদয়নন্দ ৰায়, প্ৰাঞ্জল দত্ত, ব্ৰজেন ৰায়, হেমন্ত ডেকা, নৱজিৎ ডেকা আৰু মুকুল কৃষ্ণ বৰ্মন। ইয়াৰ উপৰি সমিতিখনত কে'বাগৰাকীও সহকাৰী সম্পাদক আৰু সাংগঠনিক সম্পাদকৰ লগতে শিক্ষা, প্ৰচাৰ, বিত্ত, কাৰ্যালয় আদি বিভাগৰ পদত *ছয় পৃষ্ঠাত চাওক*

## সোঁতৰ বিপৰীতে





■ কেৱল ধৰ্মীয় পৰম্পৰা ৰক্ষা কৰি অনাড়ম্বৰভাৱে অনুষ্ঠিত হ'ব শাৰদীয় দুৰ্গা পূজা
■ এইবাৰ পূজা মণ্ডপত নাথাকে অত্যধিক কাৰুকাৰ্যৰ চমৎকাৰিত্ব, আলোকসজ্জাৰ বাহাৰ

# নগাঁও চহৰৰ ছখন পূজাই গৰকিলে শতবৰ্ষ



*দিছপুৰৰ লাষ্টগেটত বিভিন্ন দাবীৰ সমৰ্থনত প্ৰতিবন্ধী সুৰক্ষা সন্থাৰ প্ৰতিবাদী কাৰ্যসূচী, মঙলবাৰে।*

**বিশেষ সংবাদদাতা**
**নগাঁও, ৫ অক্টোবৰ ঃ** ক'ভিডসৃষ্ট জটিল পৰিস্থিতি আৰু ৰাজ্য চৰকাৰে বলবৎ কৰা স্বাস্থ্য বিধিৰ পৰিপ্ৰেক্ষিতত বিগত বৰ্ষৰ দৰে এইবাৰো কেৱল ধৰ্মীয় পৰম্পৰা ৰক্ষা কৰি কোনো ধৰণৰ জাকজমকতা নোহোৱাকৈ অনাড়ম্বৰভাৱে নগাঁও চহৰ আৰু ইয়াৰ পাৰ্শ্বৱৰ্তী অঞ্চলৰ শতাধিক পূজা মণ্ডপত অনুষ্ঠিত হ'ব শাৰদীয় দুৰ্গা পূজা। উল্লেখ্য যে প্ৰতি বছৰে নগাঁও চহৰ আৰু ইয়াৰ পাৰ্শ্বৱৰ্তী অঞ্চলত অতি আড়ম্বৰপূৰ্ণভাৱে শতাধিকখন পূজা সমিতিৰ উদ্যোগত ৮০-৯০ হেজাৰ টকাৰ পৰা ১৫-২০ লাখ টকা পৰ্যন্ত বিশাল বাজেটেৰে দুৰ্গা পূজা অনুষ্ঠিত হৈ আহিছিল। নগাঁৱৰ প্ৰতিখন পূজা সমিতিয়ে ধৰ্মীয়-সাংস্কৃতিক পৰম্পৰাগত বৈশিষ্ট্য অটুট ৰাখিও অত্যাধুনিক কাৰুকাৰ্যৰ চমৎকাৰিতা, আলোকসজ্জাৰ বাহাৰেৰে ৰাইজক শাৰজীয় দুৰ্গা পূজাৰ চমক সৃষ্টি কৰি আহিছিল। যাৰ বাবে নগাঁৱৰ দুৰ্গা পূজা অসমবাসীৰ বাবে অন্যতম আকৰ্ষণৰ কেন্দ্ৰবিন্দু হিচাপে বিবেচিত হৈছিল। অতিমাৰী কৰ'নাসৃষ্ট ভয়ংকৰ পৰিস্থিতিয়ে সকলো সলনি কৰি পেলালে।

নগাঁও চহৰত কে'বাখনো প্ৰাচীন ঐতিহ্যমণ্ডিত পূজা সমিতি সহিত একাংশ পূজা সমিতিয়ে কৰ'নাসৃষ্ট ভয়ংকৰ পৰিস্থিতিৰ মাজতো কেৱল ধৰ্মীয় পৰম্পৰা ৰক্ষা কৰিবলৈকে নিচেই কম বাজেটেৰে অনাড়ম্বৰপূৰ্ণভাৱে শাৰদীয় দুৰ্গা পূজা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰি জিলা প্ৰশাসনৰ অনুমতিৰ বাবে আবেদন দাখিল কৰিছে। স্মৰ্তব্য যে এইবাৰ আগৰ দৰে চহৰখনত বিভিন্ন পূজা সমিতি আৰু ৰাইজৰ মাজত বিশেষ তৎপৰতা পৰিলক্ষিত হোৱা নাই। চহৰখনত অনুষ্ঠুপীয়াকৈ হ'লেও অনুষ্ঠিত হ'বলগীয়া দুৰ্গাপূজাসমূহৰ ভিতৰত ছখন পূজাই ইতিমধ্যেই শতবৰ্ষ গৰকিছে। আন চাৰিখন পূজা সমিতিয়ে মহাৰজত জয়ন্তী, ছখনে হীৰক জয়ন্তী আৰু ১২খন পূজা সমিতিয়ে সোণালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰিছে। চহৰখনৰ বেলতলা (খ্ৰীষ্টান পট্টি, এডিপি *ছয় পৃষ্ঠাত চাওক*

■ কনিহাত উত্তৰণ কৃষি উৎপাদন কোম্পানীৰ কাৰ্যালয়-ধানবনা কল উদ্বোধন

## কৃষক আত্মনিৰ্ভৰশীল হ'লেহে দেশ আত্মনিৰ্ভৰ হ'ব ঃ কেন্দ্ৰীয় ৰাজ্যিক কৃষিমন্ত্ৰী

**অগ্ৰদূত বাৰ্তা**
**কনিহা, ৫ অক্টোবৰ ঃ** 'দেশৰ কৃষক সমাজ আত্মনিৰ্ভৰশীল হ'লেহে দেশ আত্মনিৰ্ভৰশীল হ'ব। সেয়েহে ২০২২ত কৃষিখণ্ডৰ উৎপাদন দুগুণ কৰিবলৈ যত্ন কৰা হৈছে।' এই মন্তব্য ভাৰত চৰকাৰৰ ৰাজ্যিক কৃষিমন্ত্ৰী কৈলাস চৌধুৰীৰ। আজি কামৰূপ জিলাৰ কনিহাত উত্তৰণ কৃষি উৎপাদন কোম্পানী লিমিটেডৰ ধান বনা কল বন্তি প্ৰজ্বলনেৰে মুকলি কৰি তেওঁ এইদৰে কয়। কৃষি বিজ্ঞানী ড° ইলাক্ষী ডেকাই আঁত ধৰা অনুষ্ঠানত কামৰূপৰ উপায়ুক্ত কৈলাশ কাৰ্তিক এনে কোম্পানীৰ কাৰ্যালয় উদ্বোধন কৰি কয় যে আগতে কৃষকে উৎপাদনৰ বাহিৰে অন্য কামত ব্যস্ত নাছিল। এতিয়া কৃষকে কোম্পানী খুলি উচিত মূল্য



পোৱাৰ ব্যৱস্থা কৰিছে। এয়া শুভ লক্ষণ। অনুষ্ঠানত ভাৰতীয় কিষাণ সংঘৰ মুখ্য *ছয় পৃষ্ঠাত চাওক*

■ চৰকাৰী বেজবৰুৱা উচ্চতৰৰ সাত শিক্ষক-শিক্ষয়িত্ৰী আক্ৰান্ত, বিদ্যালয় বন্ধ ঘোষণা

## গোলাঘাটত পুনৰ ক'ভিড আতংক

**বিশেষ সংবাদদাতা**
**গোলাঘাট, ৫ অক্টোবৰ ঃ** গোলাঘাট জিলাত ক'ভিড সংক্ৰমণ ক্ৰমাৎ হ্ৰাস পোৱাত ৰাইজে কিছু স্বস্তিৰ নিশ্বাস পেলাইছিল যদিও জিলাখনৰ বিভিন্ন ঠাইত সংক্ৰমণ পুনৰ বৃদ্ধি পাইছে। গোলাঘাট নগৰৰ মাজমজিয়াৰ ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠান গোলাঘাট চৰকাৰী বেজবৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এতিয়া ক'ভিড আতংকই বিৰাজ কৰিছে। কিয়নো ক'ভিডত আক্ৰান্ত হৈছে বিদ্যালয়খনৰ সাতজনকৈ শিক্ষক-শিক্ষয়িত্ৰী। যাৰ ফলত শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীৰ মাজত তীব্ৰ আতংকজনক পৰিৱেশৰ সৃষ্টি হৈছে। উল্লেখ্য যে পাঠদান কৰি থকা অৱস্থাত কালি তিনিজন শিক্ষক-শিক্ষয়িত্ৰীৰ শাৰীৰিক অসুস্থতাৰ পাছত কৰ্তৃপক্ষই স্বাস্থ্য পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে। গোলাঘাট কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়ত পৰীক্ষা কৰাৰ অন্তত তেওঁলোকৰ দেহত ক'ভিড বীজাণু ধৰা পৰে। আজি চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত স্বাস্থ্য বিভাগে শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীৰ ক'ভিড পৰীক্ষাৰ ব্যৱস্থা কৰে। আজিৰ ক'ভিড পৰীক্ষাত চাৰিজন শিক্ষক-শিক্ষয়িত্ৰীৰ দেহত পুনৰ ক'ভিড বীজাণু ধৰা পৰে। বিদ্যালয়খনৰ সাতজনকৈ শিক্ষক-শিক্ষয়িত্ৰী ক'ভিডত আক্ৰান্ত হোৱাত ক'ভিড বিধি অনুসৰি কৰ্তৃপক্ষই সাতদিনৰ বাবে বিদ্যালয় বন্ধ ঘোষণা কৰিছে। উল্লেখ্য যে গোলাঘাট জিলাত ক'ভিড সংক্ৰমণ হ্ৰাস পাইছিল যদিও বিভিন্ন ঠাইত সংক্ৰমণ পুনৰ বৃদ্ধি পোৱাত আতংকিত হৈ পৰিছে সৰ্বসাধাৰণ ৰাইজ।

## বাগ্‌সাত ক'ভিড প্ৰতিষেধকৰ পাৰ্শ্বক্ৰিয়াত মহিলাৰ মৃত্যুৰ অভিযোগ

**অগ্ৰদূত বাৰ্তা**
**মুছলপুৰ, ৫ অক্টোবৰ ঃ** কৰ'না মহামাৰীক প্ৰতিহত কৰিবলৈ সমগ্ৰ দেশৰ লগতে অসমতো চলি আছে ক'ভিড টিকাকৰণ অভিযান। ব্যতিক্ৰম নহয় বিটিআৰৰ অন্তৰ্গত বাগ্‌সা জিলাও। কিন্তু দুৰ্ভাগ্যজনকভাৱে এই ক'ভিড প্ৰতিষেধকেই যেন কাল হ'ল বাগ্‌সাৰ এগৰাকী মহিলাৰ বাবে। এই অভিযোগ পৰিয়ালৰ। অভিযোগ মতে, জিলাখনৰ বৰবৰী আৰক্ষী থানাৰ অন্তৰ্গত অদলা নিবাসী সুনীল বড়োৰ পত্নী জাৰো বড়ো (২৪)ই যোৱা ২৫ ছেপ্টেম্বৰত প্ৰথম পালি ক'ভিড প্ৰতিষেধক লোৱাৰ পাছৰে পৰা *ছয় পৃষ্ঠাত চাওক*

## 'স্বমিত্ৰ' আঁচনিয়ে ৰাজ্যত ভূমিৰ ক্ষেত্ৰত নতুন আলোড়নৰ সৃষ্টি কৰিব ঃ মন্ত্ৰী মহন

**অগ্ৰদূত বাৰ্তা**
**সোণাপুৰ, ৫ অক্টোবৰ ঃ** ৰাজ্য চৰকাৰে শেহতীয়াকৈ ভূমি সম্পৰ্কীয় সকলো কাম-কাজ অধিক ক্ষিপ্ৰ আৰু ত্বৰান্বিত কৰাৰ লক্ষ্যৰে কে'বাখনো অভিলাষী আঁচনি গ্ৰহণ কৰিছে। ইয়াৰ সমান্তৰালকৈ আজি অসমত



পোনপ্ৰথমবাৰৰ বাবে ৰাজ্যিক ভিত্তিত কামৰূপ মহানগৰ জিলাৰ সোণাপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত ক্ষেত্ৰীত 'স্বমিত্ৰ' শীৰ্ষক এখন নতুন আঁচনি মুকলি কৰা হয়। ক্ষেত্ৰীৰ কামাখ্যা দেৱালয়ৰ পথত 'দ্ৰোণ' কেমেৰাৰ চুইচ টিপি আঁচনিখন মুকলি কৰে ৰাজহ আৰু দুৰ্যোগ প্ৰশমন *ছয় পৃষ্ঠাত চাওক*

## বাগ্‌সা-ওদালগুৰিত বনৰীয়া গাহৰিৰ সন্ত্ৰাস ঃ ছজন আহত

**অগ্ৰদূত বাৰ্তা**
**গোৰেশ্বৰ, ৫ অক্টোবৰ ঃ** বাগ্‌সা ওদালগুৰি জিলাৰ সীমান্তৱৰ্তী ধোপগুৰিত আজি এটা প্ৰকাণ্ড বনৰীয়া গাহৰিয়ে কে'বাখনো গাঁৱত সন্ত্ৰাস চলাই ছজনকৈ লোকক আহত কৰে। তথ্য অনুসৰি বাগ্‌সা জিলাৰ সীমান্তৱৰ্তী ওদালগুৰি জিলাৰ মখনাবাৰী, ধোপগুৰি, শিমলীবাৰী আৰু ঔবাৰী গাঁৱৰ লোকসকলে নিজ নিজ কৰ্তব্যত ব্যস্ত হৈ আছিল। স্থানীয় লোকৰ ভাষ্য মতে, ঠিক সেই সময়তে বৰনদী অভয়াৰণ্যৰ পৰা প্ৰায় ৯০ কিলোগ্ৰাম ওজনৰ এটা প্ৰকাণ্ড বনৰীয়া গাহৰি ওলাই অহা প্ৰত্যক্ষ কৰে এজন ব্যক্তিয়ে। গাহৰিটোৱে খেদি আহি লোকজনক আক্ৰমণ কৰে। লগে *ছয় পৃষ্ঠাত চাওক*

## প্ৰভাৱশালী ঠিকাদাৰ ভূপেন দাসৰ ঘৰত আয়কৰৰ অভিযান

■ কৰ ফাকিৰ অভিযোগত দিনজুৰি চলিল তালাচী

**অগ্ৰদূত বাৰ্তা**
**ৰঙিয়া, ৫ অক্টোবৰ ঃ** ৰাজ্যৰ এজন আগশাৰীৰ ঠিকাদাৰ ভূপেন দাসৰ ঘৰত আজি আয়কৰ বিভাগে তালাচী অভিযান চলায়। ৰঙিয়াৰ ভাৰত-



ভূটান পথত থকা তেওঁৰ এন চি দাস কনষ্ট্ৰাকচন নামৰ প্ৰতিষ্ঠানটোৰ লগতে বাসভৱনতো আজি পুৱা প্ৰায় আঠ বজাৰ পৰা এই অভিযান চলে। আয়কৰ বিভাগৰ ২৫ জনীয়া এটা দলে কে'বাখনো বাহনেৰে পুৱা দাসৰ প্ৰতিষ্ঠান আৰু বাসভৱনত প্ৰৱেশ কৰে। তাৰ পাছত বাসভৱনৰ প্ৰৱেশ-প্ৰস্থানৰ পথ সম্পূৰ্ণ বন্ধ কৰি দিয়ে। ৰঙিয়াৰ লগতে আজি ঠিকাদাৰজনৰ গুৱাহাটী আৰু হাউলীৰ বাসভৱনতো একে সময়তে তালাচী চলোৱা হয়। ৰঙিয়াৰ বাসগৃহত নিশা পৰ্যন্ত তালাচী অভিযান অব্যাহত থাকে। উল্লেখ্য যে ৰাজ্যৰ প্ৰথম শাৰীৰ ঠিকাদাৰ ভূপেন দাস উত্তৰ-পূব সীমান্ত ৰেলৱেৰো এজন প্ৰভাৱশালী ঠিকাদাৰৰূপে পৰিচিত তেওঁৰ ভ্ৰাতৃদ্বয় পুলক দাস আৰু নৱ দাসো প্ৰথম শ্ৰেণীৰ ঠিকাদাৰ। তেওঁলোকে একেটা বাসভৱনতে বাস কৰে। আয়কৰ ফাকি দিয়াৰ অভিযোগতে চলোৱা আজিৰ অভিযানত আপত্তিজনক নথিপত্ৰ জব্দ কৰা হয়।

## কোকৰাঝাৰত দিপলাই-উদ্যানত বিজেপিৰ চাফাই অভিযান

**অগ্ৰদূত বাৰ্তা**
**কোকৰাঝাৰ, ৫ অক্টোবৰ ঃ** সমগ্ৰ দেশব্যাপী আৰম্ভ হোৱা বিজেপিৰ সেৱা আৰু সমৰ্পণ অভিযানৰ অংশস্বৰূপে আৰু দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৭১ সংখ্যক জন্মদিনৰ স'তে সংগতি ৰাখি আজি কোকৰাঝাৰত বিজেপিয়ে ৭১ কিলোমিটাৰ নদী আৰু সংলগ্ন উদ্যানসমূহ চাফাই অভিযান কাৰ্যসূচী ৰূপায়ণ কৰে। এই উপলক্ষে কোকৰাঝাৰ জিলাৰ দিপলাই নৈ আৰু ইয়াৰ সংলগ্ন উদ্যানত চাফাই অভিযানৰে পাতনি মেলে কোকৰাঝাৰ জিলা বিজেপিৰ *ছয় পৃষ্ঠাত চাওক*

## গৰুখুঁটিত ভুৱা আধাৰকাৰ্ডৰ কেন্দ্ৰ উৎখাত মৈৰাবাৰী আৰক্ষীৰ

■ ভুৱা ছীল-মোহৰসহ গ্ৰেপ্তাৰ দুই প্ৰবঞ্চক

**অগ্ৰদূত বাৰ্তা**
**ভূৰাগাঁও, ৫ অক্টোবৰ ঃ** মৰিগাঁও জিলাৰ মৈৰাবাৰী থানাৰ অন্তৰ্গত গৰুখুঁটিত আজি মৈৰাবাৰী আৰক্ষীয়ে ভুৱা আধাৰকাৰ্ডৰ এটি কেন্দ্ৰ উৎখাত কৰে। এজন যুৱকে গৰুখুঁটি গাঁৱত ভুৱা আধাৰকাৰ্ডৰ কেন্দ্ৰ খুলি চাইবাৰ অপৰাধীৰে মিলি বহু লোকক সৰ্বস্বান্ত কৰাৰ পাছত অৱশেষত মৈৰাবাৰী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া মৃদুল হাজৰিকাৰ নেতৃত্বত যোৱা আৰক্ষীৰ দলে দুই



প্ৰবঞ্চকক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। কেন্দ্ৰটোৰ পৰা উদ্ধাৰ হৈছে ৰাজপত্ৰিত বিষয়া, প্ৰধান শিক্ষককে ধৰি বিভিন্ন বিষয়াৰ ভুৱা ছীল-মোহৰ আৰু বহু আপত্তিজনক তথ্য। গ্ৰেপ্তাৰ হোৱা প্ৰবঞ্চক দুজন ক্ৰমে মাজাহাৰুল ইছলাম (২৪) আৰু মোবাশ্বিৰুল ইছলাম (২৫)। মাজাহাৰুল ইছলামে মৰিগাঁও জিলাৰ ৰঙাদৰীয়া পঞ্চায়তত থকা *ছয় পৃষ্ঠাত চাওক*

# প্ৰতিষেধক ল'বলৈ অনিচ্ছুক লোকৰ ক্ষেত্ৰত কঠোৰ হওক প্ৰশাসন

■ বৰপেটাত স্বাস্থ্যমন্ত্ৰীৰ ক'ভিড প্ৰতিষেধকৰ পৰ্যালোচনা ■ ঘৰে ঘৰে গৈ সমীক্ষা চলোৱাৰ নিৰ্দেশ

**বিশেষ সংবাদদাতা**
**বৰপেটা, ৫ অক্টোবৰ ঃ** ক'ভিড প্ৰতিষেধক ল'বলৈ এতিয়াও অনিচ্ছুক লোকসকলৰ ক্ষেত্ৰত কিছু কঠোৰ স্থিতি গ্ৰহণৰ পোষকতা কৰিছে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই আজি বৰপেটা জিলাত ক'ভিড টিকাকৰণ সম্পৰ্কে পৰ্যালোচনাৰ বাবে উপস্থিত হোৱা বিজ্ঞান আৰু তথ্য প্ৰযুক্তি বিভাগৰো দায়িত্বত থকা মন্ত্ৰীজনে উপায়ুক্তৰ কাৰ্যালয়ত জিলা প্ৰশাসন আৰু স্বাস্থ্য বিভাগৰ বিষয়াসকলৰ স'তে আলোচনাত মিলিত হয়। ক'ভিড প্ৰতিষেধক ল'বলৈ বেছিসংখ্যক লোক বাকী থকা চাৰিখন জিলাৰ অন্যতম হিচাপে পৰিগণিত হোৱা বাবেই স্বাস্থ্যমন্ত্ৰীজনে আজি বৰপেটা জিলা ভ্ৰমণ কৰি ক'ভিড প্ৰতিষেধক অভিযানৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসমৰ অভিযান সঞ্চালক ডাঃ এছ লক্ষ্মণন আৰু স্বাস্থ্যসেৱা (পৰিয়াল কল্যাণ) সঞ্চালক তথা ক'ভিড প্ৰতিষেধকৰ ৰাজ্যিক ন'ডেল বিষয়া মুনীন্দ্ৰনাথ নাটেৰ স'তে বৰপেটা উপায়ুক্ত কাৰ্যালয়ত জিলা উপায়ুক্তসহ জিলা প্ৰশাসন আৰু জিলা স্বাস্থ্য বিভাগৰ বিষয়াসকলৰ স'তে এখন বৈঠকত মিলিত হৈ ক'ভিড প্ৰতিষেধক অভিযানৰ গুৰুত্বপূৰ্ণ দিশসমূহ পৰ্যালোচনা কৰে। তেওঁ কয় যে যিবোৰ দোকান-ব্যৱসায়িক প্ৰতিষ্ঠানৰ গৰাকী আৰু কৰ্মচাৰীয়ে দুপালি প্ৰতিষেধক গ্ৰহণ কৰা নাই তেনে দোকান সাময়িকভাৱে বন্ধ কৰি দিব লাগে। জিনখনত *ছয় পৃষ্ঠাত চাওক*

## কলাইগাঁৱত নিশা চুপাৰিভৰ্তি ট্ৰাক জব্দ

**অগ্ৰদূত বাৰ্তা**
**কলাইগাঁও, ৫ অক্টোবৰ ঃ** ওদালগুৰি জিলাৰ কলাইগাঁৱত যোৱা নিশা আৰক্ষীয়ে তালাচী চলাই চুপাৰি ভৰ্তি এখন ট্ৰাক জব্দ কৰে। যোৱা নিশা প্ৰায় ১০ বজাত কলাইগাঁও চহৰত কলাইগাঁও আৰক্ষীয়ে টংলাৰ পৰা আহি থকা এখন ট্ৰাক সন্দেহবশতঃ তালাচী চলাওতে চুপাৰি থকা বস্তা থকা বুলি জানিব পাৰে। লগে লগে আৰক্ষীয়ে চুপাৰি আৰু গাড়ীখনৰ নথিপত্ৰ বিচাৰে যদিও চালকে কোনো নথিপত্ৰ দেখুৱাব নোৱাৰাত কলাইগাঁও আৰক্ষীয়ে গাড়ীখন থানালৈ আনি এটি গোচৰ ৰুজু কৰে। এএছ-১৩চি-৪৩৪২ নম্বৰৰ গাড়ীখনত ১৫০ বস্তা চুপাৰি টংলাৰ পৰা গুৱাহাটী অভিমুখে লৈ গৈ আছিল বুলি কলাইগাঁও আৰক্ষীয়ে জানিব দিয়ে।

■ তামুলপুৰত উপ-নিৰ্বাচনকেন্দ্ৰিক তৎপৰতা প্ৰমোদ বড়োৰ

## হাগ্ৰামা মহিলাৰী এটা নুফুটা বন্দুকৰ গুলি



**অগ্ৰদূত বাৰ্তা**
**তামুলপুৰ, ৫ অক্টোবৰ ঃ** 'হাগ্ৰামা মহিলাৰী এটা নুফুটা বন্দুকৰ গুলি। নিজৰ স্থিতি হেৰুৱাই হতাশাত ভোগা মহিলাৰীৰ কথাৰ কোনো ভিত্তি নাই।' এই ভাষ্য বিটিচি প্ৰধান প্ৰমোদ বড়োৰ। তামুলপুৰ ৰাজহুৱা উদ্যান প্ৰাংগণত আজি আবেলি তামুলপুৰ জ্যেষ্ঠ নাগৰিক মঞ্চৰ স'তে হোৱা এক মত বিনিময় অনুষ্ঠানৰ অন্তত সাংবাদিকেৰে আছুতীয়া বাৰ্তালাপত এনেদৰে কয় বিটিচি প্ৰধানজনে। বিটিচিত নিজ দল বিপিএফৰ স্থিতি হেৰুৱাই হাগ্ৰামাই দলটোক উদ্ধাৰ কৰিব নোৱাৰি মানসিক ভাৰসাম্য হেৰুৱাইছে বুলি মন্তব্য কৰি বড়োই পুনৰ কয় যে উপ-নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত মুখ্যমন্ত্ৰীৰ লগত সাক্ষাৎ কৰি বিজেপিৰ স'তে মিত্ৰতা হোৱা বুলি হাগ্ৰামাই এতিয়া আবোল-তাবোল বকি আছে। বিজেপিৰ ৰাজ্যিক সভাপতি ভবেশ কলিতাই ইতিমধ্যে বিপিএফৰ লগত কোনো ধৰণৰ মিত্ৰতা হোৱা নাই বুলি স্পষ্ট কৰি দিছে। তেনেস্থলত বিজেপিৰ লগত বিপিএফৰ মিত্ৰতাৰ কথা কোৱা হাগ্ৰামাৰ কথাৰ কোনো যুক্তিযুক্ততা নাই। বিগত ১৭ বছৰে বিটিচিত শাসন কৰা হাগ্ৰামাই ৰাইজক কেৱল ঠগালে। কোনো নতুন আঁচনি আনিব নোৱাৰা, শান্তি স্থাপন কৰিব নোৱাৰা, কোনো এটা ভাল কাম কৰিব নোৱাৰিলে। শান্তি আৰু উন্নয়নৰ পৰিৱেশ গঢ়ি উঠা অস্ত্ৰ মুক্ত বিটিচিত এতিয়া আৰু কোনো অপশক্তিয়ে মূৰ দাঙি উঠিব নোৱাৰে বুলিও তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে বিটিচি প্ৰধানজনে। ইপিনে, ৰাজ্যৰ পাঁচটাকৈ সমষ্টিত অনুষ্ঠিত হ'ব লগা উপ-নিৰ্বাচনত মিত্ৰজোঁটৰ *আঠ পৃষ্ঠাত চাওক*

দৈনিক অগ্ৰদূত

গুৱাহাটী বুধবাৰ ১৯ আহিন ১৪২৮ ভাস্কৰাব্দ ৬ অক্টোবৰ ২০২১



## পেণ্ডোৰা পেপাৰ্ছ

আমেৰিকাৰ ৱাশ্বিংটন ভিত্তিক ইন্টাৰনেছনেল কন্‌ছৰ্টিয়াম অৱ ইন্‌ভেষ্টিগেটিভ জাৰ্ণেলিষ্টছৰ হাতত পৰা বিশ্বৰ বিভিন্ন দেশত থকা ১৪টা ব্যৱসায়িক প্ৰতিষ্ঠানৰ ১.১৯ কোটি গোপন তথ্যৰ পৰা ওলাই পৰিছে যে ভাৰতৰ ভালেকেইগৰাকী খ্যাতনামা লোকেও ডুবাই, মৰক্কো, পানামা তথা ছুইজাৰলেণ্ড আদি কৰ মুকলিৰূপে জনজাত ঠাইবোৰত তেওঁলোকৰ গচ্ছিত ধন জমা ৰাখিছে।

যিসকল ভাৰতীয়ৰ নাম ওলাইছে তেওঁলোকৰ ভিতৰত আছে ভাৰতৰ অন্যতম ধনী ব্যৱসায়ী অনিল আম্বানী, কিৰণ মজুমদাৰ শ্ব', শচীন তেণ্ডুলকাৰ আদি কে'বাগৰাকীও খ্যাতনামা ব্যক্তি। আনহাতে, ভাৰতবৰ্ষৰ বাহিৰেও পাকিস্তানৰ বিত্তমন্ত্ৰী চৌকত তাৰিন, জৰ্দানৰ ৰজা আব্দুল্লা-২ আৰু বিখ্যাত পপ গায়িকা চাকিৰাৰ নাম এই তালিকাত প্ৰকাশ পাইছে। যি ১৪টা কোম্পানীৰ গোপন তথ্য আন্তৰ্জাতিক তদন্তমূলক সাংবাদিক সংস্থাটোৰ হাতত পৰিছে সেয়া অতি গুৰুত্বপূৰ্ণ। এই বিদেশী কোম্পানীবোৰে কেৱল কৰ ফাকি দিয়াৰ উদ্দেশ্যেৰে কেতবোৰ ছদ্মবেশী কোম্পানী পঞ্জীয়ন কৰে আৰু এই কোম্পানীসমূহত কৰ ফাকি দিব খোজা লোকসকলে তেওঁলোকৰ গচ্ছিত ধন বিনিয়োগ কৰে। উল্লেখ্য যে ৱাশ্বিংটনভিত্তিক এই আন্তৰ্জাতিক তদন্তকাৰী সাংবাদিক সংস্থাটোৰ 'দ্য গাৰ্ডিয়ান', 'বিবিচি পেনোৰমা', 'দ্য ৱাশ্বিংটন পোষ্ট' আদি বিশিষ্ট সংবাদ মাধ্যমত অংশীদাৰ আছে। ভাৰতবৰ্ষত এই সংস্থাটোৰ হৈ 'দ্য ইণ্ডিয়ান এক্সপ্ৰেছ'-এ অনুসন্ধানকাৰী সাংবাদিকৰ ভূমিকা লৈ আহিছে। এই আন্তৰ্জাতিক অনুসন্ধানকাৰী সাংবাদিক সংস্থা যাক সংক্ষেপে আই চি আই জে বুলিও কোৱা হয় ই বিশ্বৰ অন্যতম প্ৰভাৱশালী সাংবাদিক সংস্থা। বৰ্তমান সংস্থাটোৱে যিবোৰ তথ্য ফাদিল কৰিছে তাৰ নামকৰণ কৰিছে 'পেণ্ডোৰা পেপাৰ্ছ' বুলি।

এইটো নহয় যে সকলো এনে ধৰণৰ কোম্পানী অবৈধ; কিন্তু কেতবোৰ গচ্ছিত ধনৰ অধিকাৰী যিয়ে কৰ ফাকি দি অধিক ধনী হ'ব বিচাৰে তেওঁলোকে এইবোৰ ছদ্মবেশী কোম্পানী ব্যৱহাৰ কৰে। যোৱা ২০১৩ৰ পাছৰে পৰা এই সংস্থাটোৱে প্ৰকাশ কৰা গোপন তথ্যই বিশ্বত আলোড়নৰ সৃষ্টি কৰি আহিছে। অনিল আম্বানীৰ ৰিলায়েন্স এডিএ গ্ৰুপে ১৮টা কোম্পানীৰ মালিক। এই কোম্পানীকেইটা জাৰ্চি, ব্ৰিটিছ ভাৰ্জিন দ্বীপ আৰু চাইপ্ৰাছত অৱস্থিত। এইকেইটা কোম্পানীৰ ভিতৰৰ সাতোটাই প্ৰায় ৯,৬৪৯ কোটি টকা বিনিয়োগ কৰা দেখাইছে। এইখিনিতেই উল্লেখ্য যে যোৱা বছৰৰ ফেব্ৰুৱাৰীত অনিল আম্বানীয়ে লণ্ডনত অৱস্থিত এক আদালতত শপতনামা দাখিল কৰি কৈছিল যে তেওঁ দেউলীয়া হৈছে আৰু সা-সম্পত্তি বুলিবলৈ তেওঁৰ এতিয়া আৰু একো নাই। লণ্ডনৰ আদালতে আম্বানীক তিনিটা চীনদেশৰ বেংকক মুঠতে ৫,৩১৫ কোটি টকা আদায় দিবলৈ নিৰ্দেশ দিছিল। আম্বানীয়ে কিন্তু চীনা বেংক কেইটাক ধন ওভতাই নিদিলে।

'পেণ্ডোৰা পেপাৰ্ছ'ত ফাদিল হোৱা তথ্য অনুসৰি ভাৰতীয় ক্ৰিকেট তাৰকা শচীন তেণ্ডুলকাৰ আৰু তেওঁৰ পৰিয়ালৰ লোকসকল ২০১৬ত লিকুইডেটেড কৰা বিদেশী কোম্পানীৰ মালিক আছিল। ব্ৰিটিছ ভাৰ্জিন দ্বীপত অৱস্থিত চাচ ইন্টাৰনেছনেল লিমিটেডৰ মালিকানা শচীন তেণ্ডুলকাৰ, তেওঁৰ পত্নী অঞ্জলি আৰু শহুৰ আনন্দ মেহতা বুলি কোৱা হৈছে। অৱশ্যে তেণ্ডুলকাৰৰ সঞ্চালক মৃন্ময় মুখাৰ্জীয়ে কৈছে যে তেণ্ডুলকাৰৰ দ্বাৰা বিদেশৰ কোম্পানীত কৰা বিনিয়োগ আইনসন্মত। তেণ্ডুলকাৰে কোনো কৰ ফাকি দিয়া নাই বুলি তেওঁ ইতিমধ্যে স্পষ্টীকৰণ দিছে।


সি যি কি নহওক, 'পেণ্ডোৰা পেপাৰ্ছ'ত ফাদিল হোৱা তথ্যবোৰে ভাৰততো ইতিমধ্যে আলোড়নৰ সৃষ্টি কৰিছে। অৱশেষত কৰ ফাকি দিয়া লোকসকলৰ বিৰুদ্ধে তদন্ত অনুষ্ঠিত কৰি অপৰাধ প্ৰমাণিত হ'লে সংশ্লিষ্টসকলৰ চৰকাৰে কি ব্যৱস্থা লয় সেয়া লক্ষ্যণীয় হ'ব।

## সাংবাদিকতাত সন্দেহৰ স্থান নাই

# অপ্ৰমাণিত তথ্য আৰু ভুৱা বাতৰিত বিভ্ৰান্ত ৰাইজ

**নিউজ স্কেন**

**গীতাৰ্থ পাঠক**



সন্দেহযুক্ত লোক, সন্দেহযুক্ত নাগৰিক অথবা সন্দেহযুক্ত বাংলাদেশী আদি শব্দবোৰ অসমত অসম আন্দোলনৰ সময়ৰে পৰা প্ৰচলিত হোৱা আমি দেখিছো। এই শব্দবোৰৰ প্ৰচলনৰ স'তে বিদেশী বিতাড়ন আন্দোলনৰ এচাম নেতা, ৰাজনৈতিক আৰু ঘাইকৈ সংবাদ মাধ্যম জড়িত। সন্দেহ কৰাৰ সকলোৰে অধিকাৰ আছে। সন্দেহৰ ভিত্তিত কোনো লোকে নিজে সাৱধান হ'ব পাৰে অথবা অন্য নিৰাপত্তামূলক ব্যৱস্থা গ্ৰহণ কৰিব পাৰে; কিন্তু সন্দেহৰ ভিত্তিত এগৰাকী লোকৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিব নোৱাৰে। শাস্তি প্ৰদান কৰিব নোৱাৰে অথবা হাৰাশাস্তিও কৰিব নোৱাৰে। ন্যায় ব্যৱস্থাত এষাৰ কথা আছে ঃ কোনো লোক যেতিয়ালৈকে প্ৰমাণসহ দোষী সাব্যস্ত নহয়, তেতিয়ালৈকে তেওঁক নিৰ্দোষী বুলি ধৰি ল'ব লাগিব। যোৱা আগষ্টত উচ্চতম ন্যায়ালয়ে তেলেংগানা পুলিচৰ বিৰুদ্ধে দিয়া ৰায়ত কৈছে যে আইন-শৃংখলা ভংগ হ'ব পাৰে বুলি সন্দেহৰ আধাৰত কোনো নাগৰিকক প্ৰিভেন্টিভ ডিটেন্‌ছন আইনৰ জৰিয়তে গ্ৰেপ্তাৰ কৰিব নোৱাৰিব।। এনেদৰেই উচ্চতম ন্যায়ালয়ে সন্দেহৰ ভিত্তিত কাকো যাতে শাস্তি দিয়া নহয়, তাক সাব্যস্ত কৰিছে। পিছে একাংশ ৰাজনৈতিক আৰু সংবাদ মাধ্যমে সন্দেহৰ ভিত্তিতেই বহুতকে জগৰীয়া কৰিব খোজে।

অলপতে বাতৰি এটা প্ৰকাশ পাইছে মায়ং অঞ্চলত হঠাৎ বহু সন্দেহযুক্ত লোক দেখা পোৱা গৈছে। এইসকল লোকৰ বিৰুদ্ধে সন্দেহ এয়াই যে এওঁলোক বাংলাদেশী বিদেশী নাগৰিক। এওঁলোকে হঠাৎ মাটি দখল কৰিবলৈ আহিছে। হঠাৎ এঠাইলৈ বহু লোকৰ আগমন হ'লে নিশ্চয় স্থানীয় মানুহে প্ৰশ্ন কৰিবই যে তেওঁলোক হঠাৎ কিয় এই ঠাইলৈ আহিছে। আমাৰ চৰকাৰৰ পুলিচী ব্যৱস্থা আছে, প্ৰশাসন আছে তেওঁলোকৰ দায়িত্ব আছে এইসকল লোক ক'ৰপৰা কিয় আহিছে তাক নিশ্চিত কৰাৰ। জনসাধাৰণৰ সন্দেহ দূৰ কৰাৰ দায়িত্ব মূলতঃ প্ৰশাসনৰ। সংবাদ মাধ্যমেও কোনো বাতৰি পৰিৱেশন কৰাৰ আগে আগে প্ৰশাসন তথা কৰ্তৃপক্ষ আৰু অন্যান্য সকলো সংশ্লিষ্ট পক্ষৰ পৰা তথ্য আহৰণ কৰি নিশ্চিত হৈহে বাতৰি প্ৰকাশ কৰিব লাগিব। সাংবাদিকতাৰ আচৰণ-বিধিৰ অন্যতম মুখ্য বিধি হ'ল বাতৰি প্ৰকাশ কৰাৰ আগে আগে তাক নিশ্চিত কৰি লোৱা। বৰ্তমান ভুৱা বাতৰি অথবা ফেক নিউজৰ জোৱাৰৰ সময়ত বাতৰি বাৰে বাৰে নিশ্চিত কৰি লোৱাৰ দায়িত্ব সাংবাদিকসকলৰ যথেষ্ট বৃদ্ধি পাইছে।

এনে অৱস্থাৰ পৰিপ্ৰেক্ষিতত সন্দেহৰ ভিত্তিত এচাম লোকক বিদেশী নাগৰিক, বাংলাদেশী বুলি কোৱা অথবা যিকোনো লোকক অপৰাধী হিচাপে চিহ্নিত কৰাটো উচিত নহয়। ৰাজনীতিকসকলেও এনেদৰে কোৱা অনুচিত। পিছে ৰাজনীতিকসকলৰ মাজত নৈতিকতাৰ অভাৱ; কিন্তু সংবাদ মাধ্যম এক গণতান্ত্ৰিক প্ৰতিষ্ঠান হিচাপে অনৈতিক হ'ব নোৱাৰে; ভুৱা বাতৰি প্ৰচাৰ কৰিব নোৱাৰে। অসমত কিমান বিদেশী নাগৰিক আছে তাৰ পৰিসংখ্যাবোৰ অসম আন্দোলনৰ পিছৰে পৰা প্ৰকাশ পাই আহিছে সন্দেহৰ ভিত্তিত। অৱশেষত উচ্চতম ন্যায়ালয়ৰ তত্ত্বাৱধানত যেতিয়া এন আৰ চিৰ চূড়ান্ত তালিকা প্ৰকাশ পালে তেতিয়া আমাৰ শাসক দলে ক'লে যে এন আৰ চিত গণ্ডগোল আছে। তেওঁলোকে মনে বিচৰা তথ্য চূড়ান্ত এন আৰ চিত নোলাল বাবেই শাসক দলে এন আৰ চি পুনৰ পৰীক্ষণৰ কথা কৈ আহিছে। ১৬ হেজাৰ কোটি টকা এন আৰ চি প্ৰকাশৰ নামত ব্যয় হ'ল। এতিয়া আৰু কে'বা হেজাৰ কোটি টকা ৰাজহুৱা ধন ব্যয় হ'ব যদিহে এন আৰ চি পুনৰ পৰীক্ষণৰ ব্যৱস্থা কৰা হয়।

যোৱা ২০২০ৰ মাৰ্চৰ পৰা আমাৰ দেশত দেখা দিয়া কৰ'না মহামাৰীৰ সময়ত বিভিন্ন ধৰণৰ স্বাস্থ্য সম্পৰ্কীয় ভুৱা বাতৰি বা তথ্য ছ'চিয়েল মিডিয়া আৰু সংবাদ মাধ্যমত প্ৰকাশ পাই আহিছে। আমাৰ দেশৰ সংবাদ মাধ্যমসমূহে অৱশ্যে এনেবোৰ ভুৱা বাতৰিৰ স্পষ্টীকৰণ আগবঢ়াই আহিছে। কেনাচাছ বিশ্ববিদ্যালয়ৰ জাৰ্ণেলিজম আৰু মাছ কমিউনিকেছন গৱেষকসকলে এক অধ্যয়ন চলাই কৈছে যে স্বাস্থ্য সম্পৰ্কীয় ভুৱা বাতৰিসমূহে জনস্বাস্থ্যৰ বিস্তৰ ক্ষতিসাধন কৰে। সেয়েহে বৃহৎ ঔষধ কোম্পানীসমূহে এনে ধৰণৰ ভুৱা স্বাস্থ্য সম্পৰ্কীয় বাতৰিৰ স্পষ্টীকৰণ দিয়া উচিত। আমাৰ দেশত মহামাৰীৰ সময়ত গো-মূত্ৰৰ পৰা আৰম্ভ কৰি পতঞ্জলিৰ ক'ৰ'নিল আদি নানা ধৰণৰ ঔষধে কৰ'না নিয়ন্ত্ৰণ কৰিব পাৰে বুলি দাবী কৰি জনসাধাৰণক বিভ্ৰান্ত কৰি আহিছিল। কৰ'নাৰ প্ৰতিষেধকৰ ক্ষেত্ৰতো বিভ্ৰান্তিকৰ তথ্য ছ'চিয়েল মিডিয়া তথা বিভিন্ন মাধ্যমত প্ৰকাশ পাইছিল। পাছলৈ সেইবোৰৰ স্পষ্টীকৰণ দিয়া হ'লেও বহুতো লোক এনেবোৰ ভুৱা প্ৰচাৰত বিভ্ৰান্ত ইতিমধ্যে হোৱা আমি দেখিছো।

সাম্প্ৰদায়িক সংঘৰ্ষ তথা উত্তেজনাৰ সময়ত এনে ধৰণৰ সংঘৰ্ষ বিচৰা শক্তিবোৰে সংঘৰ্ষ লগাবলৈ নানা ধৰণৰ ভুৱা বাতৰি, উৰা বাতৰি প্ৰচাৰ কৰে। এচাম সংবাদ মাধ্যমো এনে ধৰণৰ উৰা বাতৰিৰ বলি হোৱা আমি দেখিছো। ভাৰতৰ পাঁচটা সত্য নিৰূপণ বা ফেক্ট ফাইবিং ৱেবছাইটে ২০২০ত কৰ'না মহামাৰীৰ সংক্ৰমণ, এই বছৰৰ ফেব্ৰুৱাৰীত সংঘটিত দিল্লী সংঘৰ্ষ, নাগৰিকত্ব সংশোধনী আৰু মুছলমান সংখ্যালঘুৰ দাবী সংক্ৰান্তত প্ৰকাশিত কেতবোৰ বাতৰি বিশ্লেষণ কৰি পাইছে যে সেইবোৰ ভুৱা উদ্দেশ্য প্ৰণোদিত বাতৰি। দিল্লী সংঘৰ্ষৰ মূলতো আছে বিভ্ৰান্তিকৰ বাতৰি। কৰ'না ভাইৰাছৰ সংক্ৰমণৰ বাবে তবলিগি জামাত তথা মুছলমানসকলৰ ওপৰত দোষাৰোপ কৰা হৈছিল আৰু চৰকাৰে এনে ভুৱা বাতৰি প্ৰচাৰত সাৰ-পানী যোগাইছিল। কৰ'না ভাইৰাছৰ সংক্ৰমণৰ প্ৰাথমিক অৱস্থাত নিৰামিষ আহাৰে কৰ'না ভাইৰাছ প্ৰতিহত কৰে বুলি প্ৰচাৰ কৰা উৰা বাতৰিৰ ফলত মাংসৰ ব্যৱসায়ীসকলৰ দোকান মানুহে বন্ধ কৰি দিছিল। ক্ৰিকেট খেলুৱৈ শচীন তেণ্ডুলকাৰে মাংসৰ দোকানবোৰ বন্ধ কৰিবলৈ আহ্বান জনাইছিল বুলি ভুৱা বাতৰি প্ৰচাৰিত হৈছিল।

ছ'চিয়েল মিডিয়া হ'ল আনভেৰিফাইড বা নিশ্চিত নকৰা খবৰৰ ভঁৰাল। আনহাতে সাংবাদিকতা সদায়েই নিশ্চিত কৰা বাতৰিৰ মাধ্যম। পিছে অকল আমাৰ দেশৰেই নহয়, বিশ্বৰ বিভিন্ন দেশত কৰ্মৰত সাংবাদিকসকলৰ একাংশই প্ৰকাশ কৰাৰ আগে আগে বাতৰিটো সঁচা নে মিছা তাক বিভিন্ন উৎসৰ জৰিয়তে নিশ্চিত কৰি নলয়। ৰয়টাৰ ইনষ্টিটিউট অৱ ষ্টাডি অৱ জাৰ্ণেলিজমৰ তৰফৰ পৰা কৰা এক গৱেষণাত কোৱা হৈছে যে সংবাদ মাধ্যমৰ জ্যেষ্ঠ মেনেজাৰসকলে ভেৰিফিকেছন বা বাতৰিৰ সত্যতা নিৰূপণ বিধি প্ৰায়েই উলংঘন কৰিব বিচাৰে। এই গৱেষণাত আৰু কোৱা হৈছে যে ব্ৰিটেইনৰ প্ৰতি চাৰিগৰাকী সাংবাদিকৰ এগৰাকীয়ে সত্যতা নিৰূপণ নকৰাকৈয়ে বাতৰি প্ৰচাৰ কৰাটো উচিত বুলি ভাবে। প্ৰায় সাতশ সাংবাদিকৰ মাজত চলোৱা সমীক্ষাৰ পাছত ওলাই পৰিছে যে ৭৫ শতাংশ সাংবাদিকে সত্যাসত্য নিৰূপণ নকৰাকৈ বাতৰি প্ৰকাশ কৰাটো কোনোপধ্যেই উচিত নহয়। আনহাতে, ২৪ শতাংশ সাংবাদিকে কৈছে যে কেতিয়াবা কেতিয়াবা সত্যাসত্য নিৰূপণ নকৰাকৈয়ে বাতৰি প্ৰকাশ কৰাটো অনুচিত নহয়। আনহাতে, এক শতাংশ সাংবাদিকে সদায়েই ভাবে যে বাতৰিৰ সত্যাসত্য নিৰূপণ কৰাৰ কোনো প্ৰয়োজন নাই। এই গৱেষণাৰ আঁৰৰ মূল মানুহ মিউনিখৰ এল এম ইউৰ অধ্যাপক নেইল থুৰ্মেনে কৈছে যে কেতবোৰ সাংবাদিকৰ ওপৰত কামৰ হেঁচা অধিক। একো একোটা সপ্তাহত তেওঁলোকে ৫০ৰ পৰা ৭০ টা বাতৰি প্ৰকাশ কৰিব লাগে। এই হেঁচাৰ বাবেও সাংবাদিকসকলে সদায়েই বাতৰিৰ বা খবৰৰ উৎসৰ সত্যাসত্য নিৰূপণ নকৰে অথবা কৰিবলৈ সময় নাপায়। কোনো এটা

**সন্দেহৰ ভিত্তিত এগৰাকী লোকৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিব নোৱাৰে। শাস্তি প্ৰদান কৰিব নোৱাৰে অথবা হাৰাশাস্তিও কৰিব নোৱাৰে। ন্যায় ব্যৱস্থাত এষাৰ কথা আছে ঃ কোনো লোক যেতিয়ালৈকে প্ৰমাণসহ দোষী সাব্যস্ত নহয়, তেতিয়ালৈকে তেওঁক নিৰ্দোষী বুলি ধৰি ল'ব লাগিব**

বাতৰিৰ সত্যতা নিৰূপণ বা বাতৰিৰ অন্যান্য দিশ ফহিয়াই চাবলৈ তেওঁলোকৰ হাতত সময় নাথাকে। লক্ষ্য পূৰণৰ বাবে সাংবাদিকৰ ওপৰত আভ্যন্তৰীণ হেঁচা, আনহাতে বাণিজ্যিক প্ৰতিযোগিতাৰ বাবে বাহিৰৰ হেঁচা, দুয়োটাই সংবাদৰ সত্যাসত্য নিৰূপণৰ মান তললৈ নিছে। অধুনালুপ্ত ব্ৰিটিছ বাতৰি কাকত নিউজ অৱ দ্য ৱৰ্ল্ড আৰু অন্যান্য মিডিয়া বেৰন ৰুপাৰ্ট মাৰ্ডোকৰ মালিকানাধীন ব্ৰিটিছ সংবাদপত্ৰৰ সাংবাদিকসকলে কেনেদৰে মানুহৰ ফোন হেকিং কৰিছিল, পুলিচক ভেটিভাৰ দিছিল তথা বাতৰি আহৰণৰ বাবে অনৈতিক পন্থাৰ আশ্ৰয় লৈছিল সেই কেলেংকাৰি প্ৰকাশ পোৱাৰ পাছত ব্ৰিটিছ বাতৰি কাকতসমূহৰ বিশ্বাসযোগ্যতা যোৱা ২০১১ত নামি আহি মাত্ৰ ২২ শতাংশ হৈছিল। ২০১৬ত এডেলমেন্ট ট্ৰাষ্ট বেৰোমিটাৰে কৰা হিচাপ অনুযায়ী ব্ৰিটিছ সংবাদ মাধ্যমৰ সাধাৰণ মানুহৰ মাজত বিশ্বাসযোগ্যতা মাত্ৰ ৩৬ শতাংশ। আমাৰ দেশত সংবাদ মাধ্যমৰ বিশ্বাসযোগ্যতাৰ মান নিৰ্ধাৰণ কৰা কোনো ব্যৱস্থাৰ বিষয়ে আমাৰ জ্ঞান নাই; কিন্তু মানুহে যে সংবাদ মাধ্যমক আগতকৈ যথেষ্ট কম বিশ্বাস কৰিবলৈ লৈছে সেয়া সত্য। সম্প্ৰতি বাতৰি প্ৰকাশ পাইছে যে ভাৰতৰ ৰিপাব্লিক টিভিয়ে বোমাবৰ্ষণৰ ভুৱা বাতৰি দেখুৱাবলৈ ভিডিঅ' গেমছৰ ক্লিপ ব্যৱহাৰ কৰে।

ইয়াৰ আগৰ নিবন্ধত আমি উল্লেখ কৰিছিলো যে সকলো নাগৰিকৰেই সমতাৰ সংবিধান প্ৰদত্ত অধিকাৰ আছে। পিছে এচাম মানুহক সন্দেহযুক্ত নাগৰিক আখ্যা দিয়াৰ লগে লগেই তেনে ব্যক্তিক অন্যান্য নাগৰিকে সন্দেহৰ চকুৰে চায়, তুচ্ছ-তাচ্ছিল্য কৰে আৰু নাগৰিকৰ অধিকাৰৰ পৰা বঞ্চিত কৰিব খোজে। সেয়েহে সংবাদ মাধ্যমত কোনো ব্যক্তিকেই সন্দেহৰ ভিত্তিত চিনাক্ত কৰা উচিত নহয়। কোনো সাংবাদিকৰ যদি কোনো ব্যক্তিৰ পৰিচয়ক লৈ সন্দেহৰ সৃষ্টিৰ হয় তেনেহ'লে সেই সন্দেহ তেওঁ কৰ্তৃপক্ষৰ তথা অন্যান্য উৎসৰ জৰিয়তে দূৰ কৰি লৈহে তেনে বাতৰি প্ৰকাশ কৰা উচিত। সোপাধৰাৰ ভুৱা বাতৰি প্ৰকাশ কৰাৰ ফলতেই সন্দেহৰ ভিত্তিত বহুতো নিৰপৰাধী লোক মাৰপিট আনকি হত্যাৰ বলি হৈছিল। অসমৰ কাৰ্বি আংলঙত গুৱাহাটীৰ দুগৰাকী নিৰপৰাধী যুৱক এনে ভুৱা বাতৰিৰ বাবেই গণপ্ৰহাৰত মৃত্যুক সাৱটি ল'বলগীয়া হৈছিল। বৰ্তমান চৰকাৰে চৰকাৰী বা অন্যান্য মাটি বেদখলকাৰী উচ্ছেদৰ নীতিৰ নামত সংখ্যালঘুসকলক বিশেষভাৱে লক্ষ্য কৰি লৈছে। তেওঁলোকক উচ্ছেদৰ আগেয়ে সন্দেহযুক্ত নাগৰিক আখ্যা দিয়া আমি দেখিছো। অসমৰ লাখ লাখ বিঘা মাটি বৃহৎ চাহবাগিচাসমূহে দখল কৰি ৰাখিছে, গুৱাহাটী মহানগৰীৰ আধাখিনি চৰকাৰী আৰু বনাঞ্চলৰ মাটিও বেদখল হৈ আছে; কিন্তু এই চৰকাৰে যিমানেই উচ্ছেদকাৰ্য চলাইছে সেয়া কেৱল সংখ্যালঘু মুছলমান বসতিপূৰ্ণ অঞ্চলতহে হোৱা আমি দেখিছো। এইখিনি লোকৰ বিৰুদ্ধে জনসাধাৰণৰ মাজত বিদ্বেষৰ সৃষ্টি কৰাৰ বাবে এওঁলোকক সন্দেহযুক্ত বাংলাদেশী নাগৰিক আখ্যা দিয়া হৈছে। এনে ভুৱা বাতৰি চৰকাৰীভাৱে প্ৰচাৰ কৰাৰ ফলতেই গুলিবিদ্ধ লোক এজনৰ ওপৰত এগৰাকী বিদ্বেষৰ বিষবাষ্পই বিভ্ৰান্ত কৰা লোকে পাশৱিক আনন্দেৰে গোৰ মাৰিছে।

সেয়েহে ভুৱা তথা বিভ্ৰান্তকাৰী তথ্য আৰু বাতৰি যাতে কোনেও প্ৰচাৰ নকৰে, বিশেষকৈ সংবাদ মাধ্যমে ইয়াৰ ওপৰত চকু ৰখাটো বাঞ্ছনীয়।

*ফোন ঃ ৯৪৩৫০৪৮৪৮৪*



## খোলা মঞ্চ

### ৭৫ বছৰীয়া স্বাধীনতাই আমাক কি দিলে?



**ফণীন্দ্ৰ নাথ বৰ্মন,** লেখক

**প্ৰাক্‌** স্বাধীনতাৰ ব্ৰিটিছ শাসন কালত দেশৰ অইন ৰাজ্যসমূহৰ কথা বাদ দি অসমত প্ৰধানকৈ তিনিটা শিল্পহে আৰম্ভ হৈছিল। সেই কেইটা হ'ল— তেল উদ্যোগ, চাহ আৰু ৰেল লাইন। শিক্ষা আৰু স্বাস্থ্য খণ্ডত পাতনিহে মেলিছিল। শিক্ষা ক্ষেত্ৰত তেনেই অনগ্ৰসৰ আছিল আৰু উপযুক্ত চিকিৎসাৰ অভাৱত সাধাৰণ মানুহে জীয়াতু ভুগিব লাগিছিল। সেই সময়ত মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ত পঢ়িবলৈ হ'লে কলিকতালৈ যাব লাগিছিল। স্বাস্থ্য বুলিলে যাক আমি শাৰীৰিক, মানসিক আৰু সামাজিক স্বাস্থ্য বুলি কওঁ ই অতি পিছপৰা আছিল। বৰ্তমান সময়ত ভাৰতৰ অন্য ৰাজ্যৰ কথা বাদ দি আমাৰ ৰাজ্য এই ক্ষেত্ৰত বহুত উন্নত। স্বাধীনোত্তৰ কালৰ তুলনাত আমাৰ ৰাজ্যৰ স্বাস্থ্য, শিক্ষা, সামাজিক জীৱন ধাৰণৰ পথ আদিৰ বহুত উন্নত হৈছে। মানুহৰ স্বাস্থ্যৰ লগতে গড় আয়ুস বৃদ্ধি হৈছে। শিক্ষাৰ অগ্ৰগতি হৈছে আৰু অৰ্থনৈতিক দিশত বহুত আগবাঢ়ি গৈছে। আগেয়ে আমাৰ শিক্ষিতৰ হাৰ আছিল প্ৰায় ১২ শতাংশ; কিন্তু এতিয়া দেশৰ শিক্ষিতৰ সংখ্যা ৭০ শতাংশৰ পৰা ৯৬ শতাংশ। সেই সময়ত ৰেল লাইন, ৰাস্তা, ৰাষ্ট্ৰীয় ঘাইপথ আছিল সীমিত; কিন্তু এতিয়া ৰাস্তা, ৰাষ্ট্ৰীয় পথ, ৰেল লাইন সমগ্ৰ দেশত ফলপ্ৰসূভাৱে উন্নত হৈছে। স্বাধীনতাৰ আগত বিমান যাত্ৰা সাধাৰণ মানুহৰ কাৰণে অলীক সপোন আছিল; কিন্তু এতিয়া সহজ হৈ পৰিছে।

আজিৰ পৰা ৭৫ বছৰ আগতে দেশৰ সামৰিক শক্তি অতি দুৰ্বল আছিল; কিন্তু এতিয়া সামৰিক বাহিনী, নৌবাহিনী, বায়ু সেনাবাহিনী অতি শক্তিশালী। সম্প্ৰতি আমাৰ দেশ পৃথিৱীৰ এখন শক্তিশালী দেশ। পৃথিৱীৰ শক্তিশালী দেশবোৰে এতিয়া আমাৰ দেশক সামৰিক ক্ষেত্ৰত সমীহ কৰি চলে; কিন্তু পৰিতাপৰ বিষয়, এখন উন্নয়নশীল দেশৰ কিছুমান ৰাজ্যই আৱতৰীয়া খৰাং বা বানপানীৰ পৰা ৰক্ষা কৰিব পৰা নাই। আমাৰ ৰাজ্যখনে অশেষ চেষ্টা কৰিও এই বানপানী আৰু খৰাং বতৰৰ জঁট মাৰিবলৈ সক্ষম হোৱা নাই। কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্য চৰকাৰে অধিক ধন ব্যয় কৰিছে যদিও বৈজ্ঞানিক পৰিকল্পনাৰ অভাৱত খৰাং, বানপানীৰ সমস্যাটো সমাধান কৰিব পৰা নাই।

স্বাধীনতাৰ আগেয়ে কলিকতাৰ মৰাপাটৰ কল, মুম্বাইৰ কাপোৰৰ কল আৰু কেইটামান চেনি কলহে আছিল; কিন্তু আজি আমাৰ দেশ এখন উন্নত শিল্পৰ দেশ। কাগজ, তীখা, মটৰগাড়ী, পেট্ৰ'লজাত সামগ্ৰী, তথ্য প্ৰযুক্তি, বিমান, ৰেল, বেংক আদিত অগ্ৰগতি লাভ কৰিছে।

কিন্তু দুখৰ বিষয় অন্য ৰাজ্যৰ তুলনাত আমাৰ ৰাজ্যৰ জনসাধাৰণে এতিয়াও সমভাৱে খোজ মিলাব পৰা নাই। গতিকে অন্য ৰাজ্যৰ লগত ফেৰ মাৰিবলৈ এটা নতুন আন্দোলন গঢ়ি তুলিব লাগিব। সেয়া হ'ল আত্মনিৰ্ভৰশীলতাৰ আন্দোলন, কৰ্ম সংস্কৃতিৰ আন্দোলন, দেশ, জাতি গঢ়াৰ আন্দোলন। কাৰণ এতিয়াও এক শ্ৰেণী অসমীয়াৰ গাত এলেহুৱা গুণ আছে। অৱশ্যে সমাজখনত ধনী আৰু দুখীয়াৰ ব্যৱধান অধিক হাৰত বৃদ্ধি পাই গৈ আছে। ধনী শ্ৰেণীটো ধনী হৈ গৈ আছে আৰু দুখীয়া মানুহ দৰিদ্ৰ সীমাৰেখাৰ তলত আছে। যেতিয়ালৈকে ধনী-দুখীয়া মানুহৰ ব্যৱধান কমি নাযায়, তেতিয়ালৈকে অৰ্থনৈতিকভাৱে পিছপৰা মানুহৰ উন্নতি নহয় বিশেষকৈ আমাৰ ৰাজ্যখনৰ ক্ষেত্ৰত। গতিকে ৰাজনীতি আৰু ভোট বেংক পৰিহাৰ কৰি দেশৰ জনসাধাৰণৰ কাৰণে ভাবিব পাৰিলেহে আমি স্বাধীনতাৰ সোৱাদ ল'ব পাৰিম। যেতিয়ালৈকে ৰাজনীতি বা ভোট বেংক থাকিব তেতিয়ালৈকে অৰ্থনৈতিকভাৱে পিছপৰা লোকসকলে ৭৫ বছৰীয়া স্বাধীনতাৰ সোৱাদ ভালকৈ ল'ব নোৱাৰিব।

*ফোন ঃ ৯৯৫৪০২৪০৪০*

# খিলঞ্জীয়া জনগোষ্ঠীৰ অধিকাৰৰ আঁত বিচাৰি

### আমাৰ মাজত, আমাৰ ঘৰখনত, যিমানেই ন্যায্যতাৰ দাবীত আন্দোলন কৰিছো; সিমানেই আনে আমাক দুৰ্বল জাতি অসমীয়া বুলি ইতিকিং কৰি, চল-চক্ৰান্তৰে সিন্ধি খান্দিয়ে থাকিব

**তৰেণ বড়ো**

**বৰ** লুইতৰ দুয়ো পাৰে ঐতিহাসিক দিনৰে পৰা বসবাস কৰি অহা অসমীয়া ভাষীসকলক একত্ৰীকৰণৰ লক্ষ্যৰে চাওলুং ছ্যুকাফাই যি ভূমিকা লৈ কাৰ্যতঃ অসম স্বাধীন ৰাজ্য হিচাপে স্বীকৃতিপ্ৰাপ্ত হৈছিল, এই অসম ৰাজ্যতে বাৰ তেৰ ভূঞা ৰজাই প্ৰতিপত্তিৰে ৰাজত্ব কৰিছিল। তেওঁলোকৰ কীৰ্তি কাৰ্যৰ বিষয়ে ইতিহাসে সকীয়াই থৈ গৈছে। ইয়াৰ মাজভাগত আকৌ মানৰ আক্ৰমণ, ইংৰাজৰ শাসন-শোষণৰ ইতিহাস আছেই।

অসমত বসবাস কৰি অহা জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলো শ্ৰেণীৰ লোকেই ইয়াৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰি একত্ৰিতভাৱে সকলোকে ওফৰাই পঠিয়াই অসমৰ চাৰিবেৰ অক্ষুণ্ণ ৰাখিছিল। উদাহৰণস্বৰূপে শৰাইঘাটৰ মহাৰণৰ কথাই ক'ব পাৰি। লাচিত বৰফুকনে মোগল সেনাক কেনে ধৰণে খেদি পঠিয়াইছিল, কামত গাফিলতি কৰাৰ বাবে মোমায়েক মোমাই তামুলীক শিৰশ্চেদো কৰিছিল একমাত্ৰ দেশ-জাতি-মাটি-ভেটি ৰক্ষাৰ বাবে।

আমি জানো, যুগৰ পৰিৱৰ্তন ঘটে। পৰিৱেশ পৰিস্থিতিৰ অথন্তৰ ঘটে। প্ৰব্ৰজনো ঘটে। বিনিয়োগ যুগান্তকাৰী বণিক্যই এটাৰ পাছত এটা পনীয়া সুলভ পৰিৱৰ্তন আনে। আমি আলু-কচু-ঢেঁকীয়া খোৱা জনসাধাৰণে তাতেই ভোল গৈ বিভোৰ হৈ পৰো। এয়া যুগ-যুগান্তৰ পৰিক্ৰমা। ১৯১২-২০, ৪২ আৰু ৪৭লৈকে ইংৰাজ শাসন-শোষণে অসমীয়া জাতিক অন্ধকাৰত ৰাখি ভূ-লুণ্ঠন কৰিলে। ইয়াৰো দুৰ্ঘোৰ প্ৰতিবাদ হৈছিল। আন্দোলন হৈছিল। অসমৰ সকলো জাতি-গোষ্ঠীৰ হেজাৰজনে আত্মাহুতি দিছিল প্ৰতিখন ৰণতে। বুৰঞ্জী-ইতিহাসে অসমীয়া জাতিৰ কৃতিত্ব লিপিবদ্ধ কৰি সোঁৱৰাই থৈ গৈছে।

মহামানৰ মহাত্মা গান্ধীৰ গভীৰ ত্যাগ আৰু আহ্বানত ভাৰত স্বাধীন হ'ল। দেশ বিভাজনো ঘটিল। কূটনীতিৰ জালত অসম পাকিস্তানৰ লগত চামিলকৰণৰ প্ৰস্তাৱো আহিছিল ১৯২৬ত; কিন্তু অসমে এই প্ৰস্তাৱ নাকচ কৰিছিল। অসম অসম হৈয়ে ৰ'ল। অসমৰ স্বাধীনতা সংগ্ৰামী সেনানীৰ আত্মবলিদানে অসমক জীয়াই ৰাখি প্ৰতিগৰাকীয়ে নিজৰ ভৱিষ্যতক দেশ-জাতি-মাটি ৰক্ষাৰ স্বাৰ্থত সোণৰ অসম দি থৈ গ'ল। ইফালে ভাৰত ৰাষ্ট্ৰৰ নাগৰিকৰ মাজত কংগ্ৰেছ গঠন হ'ল। বহু বাদ-বিবাদৰ মাজত কংগ্ৰেছ চৰকাৰো গঠন কৰিলে। পণ্ডিত জৱাহৰলাল নেহৰু প্ৰধানমন্ত্ৰী হ'ল।

ক্ৰমাগতভাৱে ৰাষ্ট্ৰত স্বাভিমানীৰ প্ৰকোপ বাঢ়িল। বিদেশত পোখলা কাপোৰ নিপিন্ধিলে মহাভাৰতীয়ৰ গা নুজুৰায়। ইয়াতেই কোনোবাখিনিত অংকুৰিত হ'ল বিষ-বীজৰ আৰু ক্ৰমে প্ৰস্ফুটিত হ'বলৈ ধৰিলে। সৰু-বৰ, ধনী-দুখীয়া, ৰজা-প্ৰজা, জাতি-জনগোষ্ঠী সকলোৰে পৰিচয়ৰ বেহা চলিল। এই বেহা পৰৱৰ্তীকালত উত্তৰ-পূব ভাৰততো বিয়পি পৰিল, য'ত সৃষ্টি হ'ল অৰাজকতাৰ। তাৰেই ফলশ্ৰুতিত বৰ অসম সাতভনীলৈ ৰাজনৈতিকভাৱে ৰূপান্তৰিত হ'ল। একে মাত-কথা, কৃষ্টি-সংস্কৃতিৰ আমি ভাষা-ভাষীসকলে কংগ্ৰেছৰ পৰকীয়া ৰাজনীতিত নিজৰ নাক কাটি 'সতিনীৰ যাত্ৰা ভংগ' কৰিব লগা হ'ল।

মহাভাৰতীয় গণতান্ত্ৰিক ৰাষ্ট্ৰৰ চৰিত্ৰই ছ্যুকাফাৰ বৰ অসমক ছিন্ন-ভিন্ন কৰি পেলালে। আজি আমি পৰস্পৰে পৰস্পৰৰ চকুৰ কুটা-দাঁতৰ শাল হৈ জীয়াতু ভুগিছো। এনেবোৰ অবান্তৰ কাৰকৰ হেতুকে। মহাত্মা গান্ধী, ভীমৰাও আম্বেদকাৰ, সুভাষ চন্দ্ৰ বসুৰ সপোন বাস্তৱত ৰূপ দিবলৈ আজি ভাৰতীয় কিমান শতাংশ জনতা (চৰকাৰে)ই সক্ষম হৈছে? নাথুৰামে মহাত্মা গান্ধীক কিয় ভৰি চুই শ্ৰদ্ধাৰ সেৱা জনাই হত্যা কৰিব লগা হ'ল?

ক'লৈ গ'ল সুভাষ চন্দ্ৰ বসু? আম্বেদকাৰে ৰচনা কৰা ভাৰতীয় সংবিধান লিপিবদ্ধ কৰা নীতিসমূহ— সমঅধিকাৰ, সমবিতৰণ কিয় আজি ধোঁৱা চাঙত উঠিল। য'ত ভাৰতৰ, অসমৰ জনসাধাৰণে কক্‌বকাই মৰিব লগা পৰিস্থিতিৰ সৃষ্টি হৈছে। এয়াই নে মেৰা ভাৰত মহান!!

এনে ধৰণৰ কাৰকবোৰ গণতান্ত্ৰিক ৰাষ্ট্ৰৰ দেশ ৰখীয়া চিন্তানায়কসকলে পুনৰ চৰ্চা কৰাৰ প্ৰয়োজন আহি পৰিছে। জোঁৰ পুৰি হাত নৌপাওঁতেই এইবোৰ ফঁহিয়াই নাচালে— ইতিহাস বুৰঞ্জী, প্ৰত্নতত্ত্ব, পুৰাতত্ত্ব অধ্যয়ন নকৰিলে নহ'ব। আমি ভৰিৰ তলৰ মাটিত থিয় হৈছো নে ক'ৰবাত কিবাকৈ ওলমি আছো, গমি নোচোৱা কাৰণতেই আধুনিক যুগৰ বহু নেতা দেশদ্ৰোহী, জাতিদ্ৰোহী হিচাপেই আখ্যায়িত হৈ আহিছে।

আকৌ, ভীমবৰ দেউৰীনো কোন আছিল? যিজনে বিধানসভাৰ মজিয়াত কৃষিকে আদি কৰি, অসমত ইনাৰ লাইন পদ্ধতি প্ৰচলন, ট্ৰাইবেল বেল্ট এণ্ড ব্লকৰ ৰক্ষণাবেক্ষণৰ কথা প্ৰস্তাৱ আকাৰে উত্থাপন কৰিছিল আৰু সদনে গ্ৰহণো কৰিছিল। তাৰ ফলাফলৰ স্বৰূপটো আজি অসমবাসীয়ে পাইছে আৰু ভুঞ্জিবও ধৰিছে। যদি ইনাৰ লাইনৰ ব্যৱস্থা তেতিয়াই অসম চৰকাৰে কাৰ্যকৰী কৰিলেহেঁতেন, আজি অসমত বাংলাদেশীৰ জ্বলন্ত সমস্যাটো নহ'লহেঁতেন। ইয়াৰ বাবে আমি কাক জগৰীয়া কৰিম? ভাৰত ৰাষ্ট্ৰ, অসম চৰকাৰ নে অসমবাসী ৰাইজক!

দেশৰ স্বাধীনোত্তৰ কালত ভাৰত আৰু অসমতো কংগ্ৰেছ চৰকাৰৰ কাৰ্যকালেই সৰ্বাধিক। অৰ্থাৎ আমি ক'বলৈ বাধ্য হৈছো যে—দেশভক্ত তৰুণৰাম ফুকন, সুভাষ চন্দ্ৰ বসু, গোপীনাথ বৰদলৈ, ৰূপনাথ ব্ৰহ্ম, সীতানাথ ব্ৰহ্ম চৌধুৰী আদিৰ প্ৰিয় তাৰ্কিক, যুক্তিত আপোচ নকৰা প্ৰয়াত ভীমবৰ দেউৰীয়ে বিধানসভাত উত্থাপন কৰা প্ৰস্তাৱৰ দুটাৰ এটাও অসম চৰকাৰে আজিলৈকে কাৰ্যকৰী নকৰিলে। ক'বলৈ হ'লে এনে কাৰ্যই ভীমবৰ দেউৰীৰ প্ৰস্তাৱক অৱমাননা কৰা মানেই অসমবাসীক অৱমাননা কৰা নহ'বনে?

কংগ্ৰেছ চৰকাৰৰ ভোটৰ ভেটি সবল কৰিবলৈ, ইনাৰ লাইন আইন কাৰ্যকৰী কৰা নহ'ল আৰু সেই ছেগতে ১৯৭১ত পাকিস্তান আৰু বাংলাদেশ ভাগ কৰা ভাৰত চৰকাৰেই বাংলাদেশীক আনি অসমত আশ্ৰয় দিলে, যিবোৰে আজি অসম মুলুকত পৰ্বতে-ভৈয়ামে, চহৰে-চন্তৰে, আৰ্দ্ৰভূমিত ৰঘুমলাৰ দৰে ঘেৰি ধৰি কংগ্ৰেছৰ ভোট বেংকত পৰিণত হ'ল। এইসকলৰ কিছু সংখ্যকে আকৌ ট্ৰাইবেল বেল্ট এণ্ড ব্লকৰ স্পৰ্শকাতৰ অঞ্চলত বসবাস কৰি গোঁজেই গঁজালি হৈ লৈছে আৰু এটা চুবুৰি বা গাঁও এখনলৈ পৰিৱৰ্তিত হৈছে।

তেনেস্থলত অসমবাসীৰ ভৰিৰ তলৰ মাটি আজি থৰক-বৰক। কংগ্ৰেছ চৰকাৰৰ বিভাজন ৰাজনীতিয়ে আজি সকলো জাতি-উপজাতি, ভাষা-সংস্কৃতিৰ মাজত 'বৰ বিহ'ৰ দৰে ক্ষমতাকেন্দ্ৰিক ৰাজনীতিয়ে ভাৰত তথা অসমক বিদেশীৰ হাতত বিক্ৰী যোৱাৰ পথ খুলি দিছে।

আকৌ পাকিস্তানৰ হিন্দুক আনি ভাৰতত ৰখাৰ কুচকাৱাজ চলি আছে। অসমৰ দেশপ্ৰেমিক চৰকাৰে যদি কেন্দ্ৰৰ এনে প্ৰস্তাৱত সমৰ্থন দিয়ে, তেতিয়াহ'লে কালক্ৰমত অসমেও তাৰ 'মানুহৰ ভৰ'ৰ বোজা সহিব লাগিব। এই ক্ষেত্ৰত চৰকাৰে উপলব্ধি কৰা উচিত যে অসম এখন কৃষিপ্ৰধান ৰাজ্য। চৰকাৰী অৱহেলা, বঞ্চনা, অদূৰদৰ্শিতা, অকৰ্মণ্য কিছু সংখ্যক মন্ত্ৰী- আমোলাক নিয়োগ কৰি গোটেই কৃষিজগতখনকে 'মেলেচ'লৈ পৰ্যবসিত কৰি পেলাইছে। কৃষি আঁচনিৰ ধন, বীজ লুটি-পুতি খাই কৃষিখণ্ডটোকে কোঙা কৰি পেলাইছে। এনে কাৰ্যৰ মাজতে আকৌ হিন্দু পাকিস্তানীক আনি অসমীয়াৰ মূৰত কঠাল ভাঙিব বিচৰাটো কিমান যুক্তি সংগত হ'ব এবাৰ নেতাহঁতে গমি চাওক।

তেনেধৰণে অসম চৰকাৰে অসমত স্বায়ত্তশাসন গঠন কৰি দিয়া পৰিষদবোৰে যে এক আভুৱাভাৱেই গঠন কৰি



কেন্দ্ৰীয় চৰকাৰৰ গলীয় ৰাজনীতিত স্বাক্ষৰিত একো একোখন 'চনদ বা দলিল' হিচাপে পৰিগণিত হৈ আহিছে, তাৰ জ্বলন্ত প্ৰমাণ বিটিচি আৰু কাৰ্বি আংলং জিলা পৰিষদ। য'ত ৰাজনীতিৰ পাকচক্ৰই দুয়োখন পৰিষদত দাও দাওকৈ প্ৰতি বছৰে জুই জ্বলাই আহিছে। ধ্বংস কৰা হৈছে, মানৱ সম্পদ ভূলুণ্ঠিত আৰু সৰ্বসাধাৰণৰ সম্পত্তি। প্ৰতিটো ঘটনাৰে 'উৰহী গছৰ গুৰি বিচাৰিলেহে' আচল তথ্যবোৰ ওলাই পৰিব।

অন্য এক স্পৰ্শকাতৰ কথালৈ মন কৰক, যি ৰাষ্ট্ৰ বা ৰাজ্যই আজি পৰ্যন্ত নিজৰ দেশৰ সীমা বিবাদেই থিৰাং কৰিব পৰা নাই, সঘনে সীমান্ত অঞ্চলত প্ৰতিনিৰ্গত 'জুই-ধোঁৱা-ছাই'য়ে স্বাক্ষৰ বহন কৰি আহিছে। সঘনাই টিভিৰ পৰ্দা আৰু অসমৰ দৈনিক বাতৰি কাকত, বেতাঁৰত অসম-নগালেণ্ডৰ সীমাত সৃষ্টি হোৱা দুৰ্বিষহ দৃশ্যসমূহ জগতখনে প্ৰত্যক্ষ কৰিব পাৰিছে। এনে কাৰ্যৰ বাবে আমি কাক দোষাৰোপ কৰোহঁক?

তদৰূপ অদ্যাপি নতুনকৈ সৃষ্টি হৈছে বিটিআৰ পৰিষদত। সমস্যাৰ সৃষ্টিকাৰীক বিচাৰ-খোচাৰ কৰি উলিওৱাৰ দায়িত্ব চৰকাৰৰ। তাত কাৰো গাত বোকা ছটিওৱাৰ দৰকাৰ নাই। যিকোনো চৰকাৰেই নহওক কিয় পৰিষদবোৰক দোষাৰোপ কৰাটো তেওঁলোকৰ ৰাজনৈতিক চতুৰতা আৰু কৃতিত্ব। পৰিষদবিলাক কোন দিশে গতি কৰিছে সেয়া ভাবিবলগীয়া। তেনেধৰণে ৰাজ্য চৰকাৰৰ জ্বলন্ত ৰাজহুৱা সমস্যাসমূহ জনসাধাৰণক আস্থা আৰু বিশ্বাসত ৰাখি সমাধানৰ চেষ্টা কৰক।

অসমত সংগ্ৰাম শব্দটো জীৱনৰ আন এটা নাম। সংগ্ৰাম নকৰিলে, মানুহৰ মৃত্যু নঘটিলে, সা-সম্পত্তি ধ্বংস নহ'লে ভাল ফল পোৱা নাযায়। মাহী আই, শাহু আইৰ কথা নক'লোৱেবা। বড়ো জনগোষ্ঠীটোৱেও নানান ঘাত-প্ৰতিঘাতৰ মাজেৰে ২০০৩ৰ ১০ ফেব্ৰুৱাৰীত বিএলটিৰ লগত ভাৰত চৰকাৰ, অসম চৰকাৰৰ মাজত বড়োলেণ্ড টেৰিটৰিয়েল কাউন্সিল (বিটিচি) গঠনৰ বাবে নতুন দিল্লীত স্বাক্ষৰিত হোৱা বুজাবুজিৰ চুক্তিখনলৈ সাধাৰণভাৱে আদৰণি জনাব গ'লেও ইয়াৰ ফলাফল এটা বিচ্যুতি সম্পৰ্কত কিছু হ'লেও আশংকা সময়ত প্ৰতিফলন ঘটিছে। বিএলটিৰ বাহিৰেও বড়ো সাহিত্য সভা, এবছু, বড়োলেণ্ড পিপ'ল একছন কমিটী আদিৰ নেতৃত্বই এই চুক্তিৰ ক্ষেত্ৰত সন্তোষ প্ৰকাশ কৰিছে যদিও আনহাতে স্বাধীন বড়োলেণ্ড গঠনৰ বাবে সহজ সংগ্ৰাম চলাই অহা এনডিএফবিয়ে শেহতীয়াকৈ বিটিআৰ শান্তি চুক্তিত স্বাক্ষৰ কৰিছে। লগতে নিখিল বড়ো ছাত্ৰ সন্থাই সুকীয়া বড়োলেণ্ড দাবী প্ৰত্যাহাৰ কৰি এই চুক্তিত স্বাক্ষৰ কৰিছে। পাছলৈ ইয়াৰ সঠিক ৰূপায়ণৰ সময়তহে গম পোৱা যাব।

এই ক্ষেত্ৰত ৰাজনৈতিক গাঁথনি আৰু সম অধিকাৰৰ ভিত্তিত প্ৰতিষ্ঠিত হোৱাটো নিতান্তই বাঞ্ছনীয়। অসম চৰকাৰ আৰু বিটিচি চৰকাৰে পৰিষদৰ আন্তঃগাঁথনি সম্পৰ্কে আসন বৃদ্ধিৰ মাজেৰে সমঅধিকাৰৰ কথা চিন্তা কৰিব পাৰে। আনহাতে অসম চৰকাৰৰ মধ্যস্থতাত বিটিচি পৰিষদ আৰু পৰিষদৰ অন্তৰ্ভুক্ত অবড়ো দল-সংগঠনৰ প্ৰতিনিধিসকলৰ লগত আলোচনাত মিলিত হৈ সমস্যা সমাধানৰ পথ নিশ্চিত কৰিব পাৰে। ইয়েই নিশ্চয়কৈ শান্তিৰ বাতাবৰণ- পৰিৱেশ ঘূৰাই অনাত বহুতো সহায়ক হ'ব বুলি ভাবিবৰ থল আছে।

বড়ো ভাষা যিহেতু অসমৰ সহযোগী ভাষা, তেনে ক্ষেত্ৰত 'বড়োলেণ্ড' শব্দ ব্যৱহাৰৰ ক্ষেত্ৰত মতানৈক্য আঁতৰোৱাৰ ব্যৱস্থাটোও বিধানসভাত প্ৰস্তাৱ গ্ৰহণ কৰিব পাৰে।

আকৌ অনাবড়ো নেতাসকলে বড়োলেণ্ড পৰিষদৰ সহায়ত স্বায়ত্তশাসন অঞ্চলৰ পৰা ইয়াক জনজাতি সংৰক্ষিত অঞ্চল, আবেষ্টনী বেল্ট এণ্ড ব্লক অঞ্চলত ৰাজনৈতিক পৃষ্ঠপোষকতাত অৰ্হতা নথকা বেদখলকাৰীসকলক বাহিৰ কৰি দি, এইবোৰ অঞ্চল বেদখলমুক্ত কৰাতহে মনোনিৱেশ কৰক।

আমাৰ মনৰ আবেগ-অনুভূতি-জাতি-গোষ্ঠীভেদে সংকীৰ্ণভাৱক ধুই নিকা নকৰিলে, এদিন আমি সকলোৱে দেশ-মাটি-ভাষা-জাতি হেৰুৱাব লাগিব, ভেটিত তিতা লাউ গজিব, মাত মাতিবলৈ কোনো নাথাকিব।

পৰিশেষত আমাৰ ক্ষুদ্ৰ চিন্তাত ধৰা দিয়া এটাই বাৰ্তা সমাজক দিবলৈ প্ৰয়াস কৰিছো, আমি আমাৰ মাজত, আমাৰ ঘৰখনত, যিমানেই ন্যায্যতাৰ দাবীত আন্দোলন কৰিছো; সিমানেই আনে আমাক দুৰ্বল জাতি অসমীয়া বুলি ইতিকিং কৰি, চল-চক্ৰান্তৰে সিন্ধি খান্দিয়ে থাকিব। এইটো ধ্ৰুৰূপ।

*ফোন ঃ ৯১০১০২২০৮১*

## দুভাগ হ'ল লোক জনশক্তি পাৰ্টি



**নিউজ ব্যুৰ', পাটনা, ৫ অক্টোবৰ ঃ** দুটা ভাগত বিভক্ত হ'ল লোক জনশক্তি পাৰ্টি (এল জে পি)। নিৰ্বাচন আয়োগে আজি এই ৰাজনৈতিক দলটোক দুটা পৃথক দল হিচাপে স্বীকৃতি প্ৰদান কৰিলে। আয়োগে চিৰাগ পাছৱান নেতৃত্বাধীন গোটটোক দলৰ নতুন নাম লোক জনশক্তি পাৰ্টি (ৰামবিলাস) প্ৰদান কৰিছে। চিৰাগৰ নতুন দলটোৱে নিৰ্বাচনী প্ৰতীক হিচাপে লাভ কৰিলে হেলিকপ্টাৰ। আনহাতে, চিৰাগৰ খুড়াক পশুপতি পাৰছ নেতৃত্বাধীন ৰাষ্ট্ৰীয় জনশক্তি পাৰ্টিক আয়োগে চিলাই মেচিনৰ প্ৰতীক মঞ্জুৰ কৰিলে। উল্লেখ্য যে এল জে পিৰ প্ৰতিষ্ঠাপক তথা প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী ৰামবিলাস পাছৱানৰ মৃত্যুৰ পাছৰে পৰা দলটোত সংঘাত অব্যাহত আছিল আৰু অৱশেষত দুটা ভাগত বিভক্ত হ'ল এল জে পি।

## মহাকাশত প্ৰথম চলচ্চিত্ৰৰ দৃশ্যগ্ৰহণৰ বাবে অভিযান ৰাছিয়াৰ



**নিউজ ব্যুৰ', ম'স্কো, ৫ অক্টোবৰ ঃ** মহাকাশলৈ প্ৰথম কুকুৰ প্ৰেৰণৰ পৰা আৰম্ভ কৰি প্ৰথম পুৰুষ-মহিলাক প্ৰেৰণলৈকে সকলোতে আমেৰিকাতকৈ আগত আছে ৰাছিয়া। অৱশ্যে মাজতে কিছু বৰ্ষ ৰাছিয়াই মহাকাশ অভিযানৰ ক্ষেত্ৰত তেনে তৎপৰতা প্ৰদৰ্শন কৰা নাছিল। কিন্তু আকৌ এবাৰ মহাকাশত নতুন ইতিহাস ৰচনা কৰিবলৈ সাজু হ'ল ৰাছিয়া। আজি বিয়লি বেলা ৰাছিয়াই প্ৰথমবাৰৰ বাবে মহাকাশত এখন চলচ্চিত্ৰৰ দৃশ্য গ্ৰহণৰ বাবে এটা গোটক মহাকাশলৈ প্ৰেৰণ কৰিলে। ৰাছিয়াই ছয়ুজ ৰকেটৰ জৰিয়তে আজি দুপৰীয়া মহাকাশলৈ এগৰাকী অভিনেত্ৰী, পৰিচালকসহ দুজন পেছাদাৰী মহাকাশচাৰী বিশেষজ্ঞক প্ৰেৰণ কৰে। এইসকল লোকে এখন চলচ্চিত্ৰৰ বাবে মহাকাশত প্ৰয়োজনীয় দৃশ্যগ্ৰহণ কৰিব। ৰাছিয়াৰ পৰিচালকে নিৰ্মাণ কৰা এইখন ছবিয়ে হ'ব মহাকাশত দৃশ্যগ্ৰহণ কৰা প্ৰথমখন পূৰ্ণদৈৰ্ঘ্যৰ ছবি। ছবিখনৰ অভিনেত্ৰী হৈছে য়ুলিয়া পেৰেশ্বিল্ড আৰু পৰিচালক ক্লিম চিপেংক'। য়ুলিয়া ৰাছিয়াৰ এগৰাকী জনপ্ৰিয় অভিনেত্ৰী। মহাকাশত অভিনয়ৰ বাবে য়ুলিয়াক কে'বামাহ ধৰি পেছাদাৰী মহাকাশচাৰীয়ে বিশেষ প্ৰশিক্ষণ দিছিল। ৰাছিয়াৰ মহাকাশত দৃশ্যগ্ৰহণ কৰিব লগা এইখন ছবিৰ নামৰ প্ৰাৰম্ভিকভাৱে 'দ্য চেলেঞ্জ' ৰখা হৈছে।

### আয়কৰ বিভাগ, আৰ্থিক তদন্তকাৰী বিভাগ, প্ৰৱৰ্তক সঞ্চালকালয়, ভাৰতীয় ৰিজাৰ্ভ বেংকে কৰিব তদন্ত

# পেণ্ডʼৰা পেপাৰ্ছ কেলেংকাৰিৰ তদন্ত চলাব একাধিক কেন্দ্ৰীয় সংস্থাই

**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ৫ অক্টোবৰ ঃ** পেণ্ড'ৰা পেপাৰ্ছ লিক্ কাণ্ডৰ সন্দৰ্ভত তদন্ত কৰা হ'ব বুলি ঘোষণা কৰিলে কেন্দ্ৰীয় চৰকাৰে। যোৱা সোমবাৰৰ পৰা 'দ্য ইণ্ডিয়ান এক্সপ্ৰেছ' কাকতে এক অনুসন্ধানমূলক প্ৰতিবেদনৰ আধাৰত বাতৰি ধাৰাবাহিকভাৱে প্ৰচাৰ কৰিছে। এই প্ৰতিবেদনত দেশৰ কে'বাজনো উচ্চবিত্ত ব্যক্তিত্বৰ বিদেশত থকা বেংকৰ একাউণ্ট, বিনিয়োগ, আৰ্থিক লেনদেন, গোপন সম্পত্তি ক্ৰয়ৰ সন্দৰ্ভত চাঞ্চল্যকৰ তথ্য প্ৰকাশ কৰা হৈছে। পেণ্ড'ৰা পেপাৰ্ছ নামৰে পৰিচিত হোৱা উক্ত প্ৰতিবেদনৰ তথ্যসমূহ কিমান সত্য সেয়া নিৰ্ণয় কৰিবলৈ তদন্ত চলাব কেন্দ্ৰীয় চৰকাৰে। কেন্দ্ৰীয় চৰকাৰৰ




অধীনস্থ একাধিক তদন্তকাৰী সংস্থাই উত্থাপিত অভিযোগৰ সত্যতা নিৰূপণ কৰিব। উল্লেখ্য যে পেণ্ড'ৰা পেপাৰ্ছৰ প্ৰতিবেদনত ভাৰতীয় উদ্যোগপতি অনিল আম্বানী, বিনোদ আদানী, নীৰা ৰাডিয়া, ক্ৰিকেট খেলুৱৈ শচীন তেণ্ডুলকাৰ আদিৰ নাম অন্তৰ্ভুক্ত হৈছে।

কৰ ফাকিৰে বিদেশৰ বেংকত একাউণ্ট খোলা, গোপনে সম্পত্তি ক্ৰয় কৰাৰ অভিযোগো এই প্ৰতিবেদনত একাধিক ধনাঢ্য ভাৰতীয়ৰ বিৰুদ্ধে উত্থাপিত হৈছে। কেন্দ্ৰীয় চৰকাৰে প্ৰকাশ কৰা অনুসৰি, বিষয়টোৰ প্ৰতি বিশেষ দৃষ্টি ৰখা হৈছে। তালিকাত নাম থকা সকলো ভাৰতীয়ৰ যাৱতীয় লেনদেনৰ সন্দৰ্ভত আয়কৰ বিভাগ, আৰ্থিক তদন্তকাৰী বিভাগ, প্ৰৱৰ্তক সঞ্চালকালয়, ভাৰতীয় ৰিজাৰ্ভ বেংকে একেলগে তদন্ত চলাব বুলি কেন্দ্ৰীয় চৰকাৰে কালি ঘোষণা কৰে। ইণ্টাৰনেচনেল কনচ'ৰ্টিয়াম অৱ ইনভেষ্টিগেটিভ জাৰ্ণালিষ্টৰ সহযোগিতাত 'দ্য ইণ্ডিয়ান এক্সপ্ৰেছ' কাকতে বিদেশত আৰ্থিক লেনদেন কৰা সন্দৰ্ভত শেহতীয়া তথ্য প্ৰকাশ কৰিছে। পেণ্ড'ৰা পেপাৰ্ছৰ এই প্ৰতিবেদনে ইতিমধ্যে সমগ্ৰ বিশ্বতে চাঞ্চল্যৰ সৃষ্টি কৰিছে।

## কি এই পেণ্ড'ৰা পেপাৰ্ছ কেলেংকাৰি ?

**নিউজ ব্যুৰ', নতুন দিল্লী, ৫ অক্টোবৰ ঃ** আই চি আই জেয়ে ফাদিল কৰা পেণ্ড'ৰা পেপাৰ্ছ কেলেংকাৰিয়ে সমগ্ৰ বিশ্বতে আলোড়ন সৃষ্টি কৰিছে। অনুসন্ধানী সাংবাদিকৰ এটি দলে প্ৰস্তুত কৰা এই পেণ্ড'ৰা পেপাৰ্ছৰ প্ৰতিবেদনত বিশ্বৰ অসংখ্য প্ৰভাৱশালী আৰু ধনাঢ্য ব্যক্তিৰ বিত্তীয় অনিয়মৰ নানা তথ্যপাতি উন্মোচিত হৈছে। দৰাচলতে পেণ্ড'ৰা পেপাৰ্ছ হৈছে ১.২ কোটি নথিপত্ৰৰ ফাদিলৰ এক ঘটনা। ইয়াৰ জৰিয়তে বিশ্বৰ বহু ধনাঢ্য আৰু প্ৰভাৱশালী লোকৰ গোপন সা-সম্পত্তিৰ প্ৰকৃত তথ্য পোহৰলৈ অনা হৈছে। অবৈধ বিত্তীয় সৰবৰাহৰ বহু তথ্যও পেণ্ড'ৰা পেপাৰ্ছে উন্মোচন কৰিছে। বিশ্বৰ ১১৭খন দেশৰ ৬০০ৰো অধিক অনুসন্ধানকাৰী সাংবাদিকে কে'বামাহ ধৰি অনুসন্ধান চলাই ১৪টা উৎসৰ পৰা এনেবোৰ চাঞ্চল্যকৰ বিত্তীয় অনিয়মৰ তথ্যপাতি আৰু নথিপত্ৰ সংগ্ৰহ কৰিছিল। এইসমূহ তথ্যপাতি আহৰণ কৰিছিল আমেৰিকাৰ ৱাশ্বিংটনস্থিত ইণ্টাৰনেচনেল কনচ'ৰ্টিয়াম অৱ ইনভেষ্টিগেটিভ জাৰ্ণেলিষ্ট (আই চি আই জে)-এ। আই চি আই জেয়ে বিশ্বৰ ১৪০টা অধিক সংবাদ প্ৰতিষ্ঠানৰ সহযোগত বিশ্বজুৰি এনেবোৰ বিত্তীয় অনিয়মৰ সন্দৰ্ভত যৌথভাৱে অনুসন্ধান চলাইছিল। পেণ্ড'ৰা পেপাৰ্ছৰ প্ৰতিবেদনত ৬৪ লাখৰো অধিক নথিপত্ৰ অন্তৰ্ভুক্ত কৰা হৈছে। তদুপৰি পেণ্ড'ৰা পেপাৰ্ছে ৩০ লাখ ফটোগ্ৰাফ, ১০ লাখৰো অধিক ই-মেইল আৰু পাঁচ লাখ স্প্ৰেডশ্বিটছ সংগ্ৰহ কৰিছিল। ফাদিল হোৱা





তথ্যপাতিত বিশ্বৰ ৯০ খন দেশৰ ৩৩০ ৰো অধিক ৰাজনৈতিক নেতাৰ বিদেশত থকা গুপ্ত কোম্পানীৰ সবিশেষ দাঙি ধৰিছে। জৰ্দানৰ চুলতানে আমেৰিকা আৰু ব্ৰিটেইনত গোপনে সম্পত্তি ক্ৰয় কৰাৰ তথ্যও পেণ্ড'ৰা পেপাৰ্ছে উন্মোচিত কৰিলে। পেণ্ড'ৰা পেপাৰ্ছৰ প্ৰতিবেদনত ৩০০ ভাৰতীয়ৰ গোপন সম্পত্তি, বিদেশত থকা ব্যৱসায়িক প্ৰতিষ্ঠান, বৈদেশিক বিনিয়োগ ইত্যাদিৰ চাঞ্চল্যক তথ্য প্ৰকাশ পাইছে। উল্লেখ্য যে পেণ্ড'ৰা পেপাৰ্ছৰ পূৰ্বে ২০১৬ত পানামা পেপাৰ্ছ লিক্‌ৰ জৰিয়তে বিশ্বৰ বহু আগশাৰীৰ ব্যক্তিত্বৰ সন্দৰ্ভত নানা চাঞ্চল্যকৰ তথ্যপাতি পোহৰলৈ আহিছিল।



## পৰ্তুগালত অহা সপ্তাহত বয়স্ক লোকে লাভ কৰিব বুষ্টাৰ প্ৰতিষেধক

**নিউজ ব্যুৰ'**
**লিছবন, ৫ অক্টোবৰ ঃ** পৰ্তুগালত অহা সপ্তাহৰ পৰা ৬৫ বৰ্ষৰ ঊৰ্ধ্বৰ নাগৰিকসকলে লাভ কৰিব কৰ'নাৰ তৃতীয় পালি প্ৰতিষেধক। প্ৰথম পৰ্যায়ত দেশখনত অতি কম ৰোগ প্ৰতিৰোধক ক্ষমতা থকা ৮০ বৰ্ষৰ ঊৰ্ধ্বৰ লোকক কৰ'নাৰ বুষ্টাৰ প্ৰতিষেধক দিয়া হ'ব। দক্ষিণ ইউৰোপীয় ৰাষ্ট্ৰ পৰ্তুগাল হৈছে বিশ্বৰ ভিতৰতে সৰ্বাধিক কৰ'নাৰ টিকাকৰণ সম্পন্ন কৰা দেশ। যোৱা মাহৰ পৰা দেশখনত ৰোগ প্ৰতিৰোধক ক্ষমতা কম থকা ১৬ বছৰ ঊৰ্ধ্বৰ লোকসকলৰো ক'ভিড টিকাকৰণ আৰম্ভ কৰা হৈছিল। পৰ্তুগালৰ স্বাস্থ্য মন্ত্ৰণালয়ে প্ৰকাশ কৰা অনুসৰি, ক'ভিডৰ প্ৰতিষেধকৰ দ্বিতীয়পালি লাভৰ ছমাহৰ পাছত তৃতীয় অৰ্থাৎ বুষ্টাৰ প্ৰতিষেধক প্ৰদান কৰিব পাৰি।

## পিতৃ শ্বাহৰুখ খানক সাক্ষাৎ কৰিবলৈ ব্যক্তিগত প্ৰবন্ধকৰ পৰা অনুমতি ল'ব লাগে পুত্ৰ আৰিয়ানে



**নিউজ ব্যুৰ', মুম্বাই, ৫ অক্টোবৰ ঃ** নিষিদ্ধ মাদক দ্ৰব্যৰ গোচৰত নাৰ্কটিক্স কণ্ট্ৰ'ল ব্যুৰ' (এন চি বি)-এ গ্ৰেপ্তাৰ কৰা বলিউডৰ মহাতাৰকা অভিনেতা শ্বাহৰুখ খানৰ জ্যেষ্ঠ পুত্ৰ আৰিয়ান খানসহ আঠ অভিযুক্তক আদালতে অহা সাত অক্টোবৰলৈকে এন চি বিৰ জিম্মালৈ প্ৰেৰণ কৰিলে। এন চি বিৰ জেৰাত আৰিয়ানে প্ৰকাশ কৰা মতে তেওঁ পিতৃক সাক্ষাৎ কৰিবলৈ হ'লে নিজে শ্বাহৰুখ খানৰ ব্যক্তিগত প্ৰবন্ধক পূজাৰ পৰা অনুমতি ল'ব লাগে। এন চি বিৰ সোধা পোছাত শ্বাহৰুখ পুত্ৰই কয় যে তেওঁৰ পিতৃ প্ৰায়ে অভিনয়ৰ কাম-কাজত যথেষ্ট ব্যস্ত থাকে আৰু সেয়েহে পিতৃক প্ৰত্যক্ষভাৱে তেওঁ সাক্ষাৎ কৰিব নোৱাৰে। পিতৃক লগ পাব বিচাৰিলে শ্বাহৰুখৰ ব্যক্তিগত প্ৰবন্ধকলৈ ফোন কৰি আৰিয়ানে প্ৰথমে সাক্ষাতৰ বাবে সময় বিচাৰিব লাগে। আৰিয়ানে এন চি বিৰ আগত লগতে প্ৰকাশ কৰা অনুসৰি, তেওঁ বিদেশত চলচ্চিত্ৰ নিৰ্মাণৰ পাঠ্যক্ৰম অধ্যয়ন কৰিছিল।





### আৰিয়ানক সন্মুখত ৰাখি এন চি বিয়ে জেৰা কৰিব ড্ৰাগছ সৰবৰাহকাৰীক

**নিউজ ব্যুৰ', মুম্বাই, ৫ অক্টোবৰ ঃ** বিলাসী জাহাজত ড্ৰাগছ পাৰ্টিৰ গোচৰত নাৰ্কটিক্স কন্ট্ৰ'ল ব্যুৰ' (এন চি বি) ইতিমধ্যে এজন ড্ৰাগছ পেডলাৰ (মাদক দ্ৰব্য যোগনীয়াৰ) আৰু শ্ৰেয়সক গ্ৰেপ্তাৰ কৰিলে। এই দুই ব্যক্তিৰ বিৰুদ্ধে উক্ত বিলাসী জাহাজৰ তথাকথিত ৰেভ্ পাৰ্টিত ড্ৰাগছ যোগান ধৰাৰ অভিযোগ উত্থাপিত হৈছে। এন চি বিয়ে শ্বাহৰুখ খানৰ পুত্ৰ আৰিয়ান খানৰ লগতে অৰবাজ আৰু মুনমুনসহ আঠজন ব্যক্তিক নিষিদ্ধ মাদক দ্ৰব্যৰ গোচৰত গ্ৰেপ্তাৰ কৰিছিল। শেহতীয়াভাৱে এন চি বিয়ে গ্ৰেপ্তাৰ কৰা শ্ৰেয়স অৰবাজৰ ভাল বন্ধু বুলি তথ্য পোহৰলৈ আহিছে। এন চি বিয়ে প্ৰকাশ কৰা অনুসৰি, শেহতীয়াভাৱে ধৃত ড্ৰাগছ যোগনীয়াৰ দুই ব্যক্তিক আৰিয়ান, অৰবাজ, মুনমুনসহ আঠ ব্যক্তিৰ সন্মুখত জেৰা কৰা হ'ব। নিষিদ্ধ ড্ৰাগছৰ গোচৰত এন চি বিয়ে অন্যান্য কেতবোৰ অঞ্চলতো তালাচী অভিযান চলোৱাৰ সম্ভাৱনা আছে। এন চি বিয়ে আৰিয়ানৰ বিৰুদ্ধে এন ডি পি চি-৮ চি, ২০ বি, ২৭ আৰু ৩৫ দণ্ড বিধিৰ অধীনত গোচৰ ৰুজু কৰিছে। এইসমূহ ধাৰাৰ অধীনত নিষিদ্ধ ড্ৰাগছ সেৱন কৰা, জ্ঞাতসাৰে ড্ৰাগছ গ্ৰহণ কৰা আৰু ড্ৰাগছ ক্ৰয়ৰ দৰে অপৰাধ অন্তৰ্ভুক্ত। অৱশ্যে আৰিয়ানে ড্ৰাগছ ক্ৰয়ৰ কথা অস্বীকাৰ কৰিছে।

### 'বিজনেছ ড্ৰিংকিঙ'ক লৈ বিতৰ্কৰ সৃষ্টি চীনৰ কৰ্প'ৰেট জগতত

## আলিবাবাৰ শীৰ্ষ বিষয়াৰ বিৰুদ্ধে ধৰ্ষণৰ অভিযোগ

**নিউজ ব্যুৰ'**
**বেইজিং, ৫ অক্টোবৰ ঃ** চীনৰ অৰ্বুদপতি ব্যৱসায়ী জেক মাৰ মালিকানাধীন প্ৰতিষ্ঠান আলিবাবাৰ এজন জ্যেষ্ঠ প্ৰবন্ধকৰ বিৰুদ্ধে প্ৰতিষ্ঠানটোত কৰ্মৰত মহিলা কৰ্মচাৰীয়ে ধৰ্ষণৰ অভিযোগ উত্থাপন কৰিলে। এই ঘটনাৰ পাছৰে পৰা চীনৰ কৰ্প'ৰেট জগতত প্ৰচলিত হৈ অহা তথাকথিত 'বিজনেছ ড্ৰিংকিঙ'ক লৈ বিতৰ্কৰ সৃষ্টি হৈছে। দৰাচলতে কৰ্প'ৰেট জগতত কৰ্মৰত চীনা মহিলাসকলক বলপূৰ্বক সুৰাপান কৰিবলৈ দিয়া হয়। এইদৰে মহিলা



কৰ্মীক সুৰাপান কৰাই একাংশ অসাধু পুৰুষ কৰ্মচাৰীয়ে অপকৰ্মত লিপ্ত হোৱাৰ অভিযোগ চীনৰ কৰ্প'ৰেট খণ্ডত মাজে সময়ে উত্থাপিত হৈ আহিছে। আলিবাবাৰ এজন জ্যেষ্ঠ বিষয়াই মহিলা সহকৰ্মীক বলপূৰ্বক সুৰাপান কৰাই ধৰ্ষণ কৰাৰ অভিযোগ উত্থাপিত হোৱাৰ পাছত দেশৰ কৰ্প'ৰেট খণ্ডত কাৰ্যালয়তে সুৰাপানৰ পৰম্পৰা বন্ধ কৰাৰ দাবী উত্থাপিত হৈছে। বি বি চিৰ বাতৰি অনুসৰি, জনসংযোগ বিভাগত উপদেষ্টা হিচাপে কাম কৰা এগৰাকী মহিলাই উত্থাপন কৰা অভিযোগ মতে, তেওঁক কোম্পানীটোৱে বিভিন্ন গ্ৰাহকৰ স'তে কাৰ্যালয়তে সুৰাপান কৰিবলৈ বাধ্য কৰাইছিল আৰু এজন জ্যেষ্ঠ বিষয়াই নিচাগ্ৰস্ত হোৱাৰ সুযোগ লৈ তেওঁক ধৰ্ষণ কৰিছিল। মহিলাগৰাকীয়ে এই অভিযোগ উত্থাপন কৰাৰ পাছত আলিবাবাত কৰ্মৰত মহিলাসকলৰ নিৰাপত্তাক লৈ বিশ্বজুৰি প্ৰশ্ন উত্থাপিত হৈছে।

# অন্ধকাৰত ডুব যাব পাৰে কাবুল, তালিবানে আদায় দিয়া নাই বিদ্যুতৰ বিল

**নিউজ ব্যুৰ'**
**কাবুল, ৫ অক্টোবৰ ঃ** আফগানিস্তান দখল কৰাৰ পাছত তালিবানে একাধিক সমস্যাৰ সন্মুখীন হ'ব লগা হৈছে। এইবাৰ তালিবানে আফগানিস্তানক বিদ্যুতৰ যোগান ধৰা কোম্পানীৰ বকেয়া ধন আদায় নিদিয়াৰ ফলত দেশখনত ভয়াবহ সংকটৰ সম্ভাৱনা প্ৰকট হৈছে। বিগত ডেৰমাহৰো অধিক দিনৰ শাসনৰ পাছতো তালিবানে বিত্তীয় দিশৰ পৰা নিজক শক্তিশালী কৰিবলৈ সফল হোৱা নাই। ফলত জেহাদী চৰকাৰখনে বৃহৎ পৰিমাণৰ বিদ্যুতৰ মাচুল আদায় দিবলৈ অসমৰ্থ হৈছে। এনে পৰিস্থিতিত ৰাজধানী কাবুলসহ সমগ্ৰ আফগানিস্তান অন্ধকাৰত ডুব যোৱাৰ সম্ভাৱনা প্ৰকট হৈছে। 'দ্য



ৱাল ষ্ট্ৰিট জাৰ্ণেল'ৰ বাতৰি অনুসৰি, আফগানিস্তানক মূলত উজবেকিস্তান, তাজিকিস্তানৰ দৰে প্ৰতিবেশী দেশে বিদ্যুৎ যোগান ধৰি আহিছে। আফগানিস্তানৰ প্ৰয়োজনীয় বিদ্যুতৰ অৰ্ধেকাংশই সৰবৰাহ কৰা হয় তুৰ্কমেনিস্তানৰ পৰা। আশ্ৰফ ঘানিৰ চৰকাৰৰ পতনৰ পাছৰে পৰা এইসমূহ দেশে যোগান ধৰা বিদ্যুতৰ বাবদ প্ৰয়োজনীয় মাচুল লাভ কৰা নাই আৰু বৃহৎ পৰিমাণৰ মাচুল বকেয়া হৈ আছে। তালিবানে বিদ্যুৎ মাচুল পৰিশোধ নকৰাত অচিৰে প্ৰতিবেশী ৰাষ্ট্ৰই আফগানিস্তানলৈ বিদ্যুতৰ যোগান বন্ধ কৰাৰ সম্ভাৱনা আছে আৰু এনে পৰিস্থিতিত সমগ্ৰ আফগানিস্তান অন্ধকাৰাচ্ছন্ন হ'ব পাৰে।

## আৰক্ষী-এম্বুলেন্সৰ চাইৰেনত বাজিব হৰ্ণৰ সলনি চেতাৰ-তবলা


**নিউজ ব্যুৰ', নাছিক, ৫ অক্টোবৰ ঃ** কেৱল সাধাৰণ গাড়ী বা দুচকীয়া যানবাহনতে নহয়, আৰক্ষীৰ গাড়ী, এম্বুলেন্সতো অচিৰে চাইৰেনৰ পৰিৱৰ্তে বাজি উঠিব সুমধুৰ সংগীতৰ সুৰ। কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰী



নীতিন গাডকাৰীয়ে সোমবাৰে নাছিকত এক ৰাষ্ট্ৰীয় ঘাইপথ মুকলি অনুষ্ঠানত অংশ লোৱাৰ সময়ত এইদৰে ঘোষণা কৰে। এম্বুলেন্স, পুলিচৰ গাড়ী, হুটাৰ ইত্যাদিত বৰ্তমানে চাইৰেন ব্যৱহাৰ কৰা হৈছে। কিন্তু অচিৰে এনে কৰ্কশ শব্দৰ পৰিৱৰ্তে চাইৰেন হিচাপে বাজি উঠিব নিৰ্দিষ্ট সুমধুৰ সংগীত। ৰাষ্ট্ৰীয় ঘাইপথ মুকলিৰ অনুষ্ঠানত অংশ লৈ কেন্দ্ৰীয় মন্ত্ৰীজনে কয়, 'কনভয় যোৱাৰ সময়ত কৰ্কশ শব্দ অতি বিৰক্তিকৰ। এনে চাইৰেনৰ পৰিৱৰ্তে সুৰীয়া চাইৰেন বজালে শব্দ প্ৰদূষণ বহুখিনি হ্ৰাস পাব।' উল্লেখ্য যে কিছুদিন পূৰ্বে গাডকাৰীয়ে ঘোষণা কৰি কৈছিল যে অচিৰে ভাৰতত গাড়ীৰ হৰ্ণ হিচাপে কৰ্কশ শব্দৰ পৰিৱৰ্তে সুমধুৰ বাদ্য সংগীত ব্যৱহাৰ কৰা হ'ব।

### সক্ৰিয় হ'ল ফে'চবুক-হোৱাটছএপ-ইনষ্টাগ্ৰাম ঃ সাতঘণ্টাত জুকাৰবাৰ্গে হেৰুৱালে ৬০০ কোটি টকা

**নিউজ ব্যুৰ', ৱাশ্বিংটন, ৫ অক্টোবৰ ঃ** সোমবাৰে নিশা হঠাতে স্তব্দ হৈছিল বিশ্বৰ আগশাৰীৰ তিনিটা সামাজিক মাধ্যম। প্ৰায় সাত ঘণ্টাৰো অধিক সময় নিষ্ক্ৰিয় হৈ আছিল বিশ্বৰ সৰ্বাধিক জনপ্ৰিয় তিনিটা ছ'চিয়েল মেছেজিং ছাইট ক্ৰমে ফে'চবুক, হোৱাটছএপ আৰু ইনষ্টাগ্ৰাম। সাত ঘণ্টা ধৰি এই তিনিটা সামাজিক মাধ্যম বিকল হোৱাৰ প্ৰভাৱ পৰিল বিশ্বৰ অন্যতম যুৱ অৰ্বুদপতি



মাৰ্ক জুকাৰবাৰ্গৰ সম্পত্তিত। প্ৰকাশিত বাতৰি অনুসৰি, এই সাতঘণ্টাত প্ৰায় ৬০০ কোটি টকাৰ ক্ষতি হ'ল ফে'চবুকৰ প্ৰতিষ্ঠাপক জুকাৰবাৰ্গৰ। এই ঘটনাত অৱনমিত হ'ল ফে'চবুকৰ শ্বেয়াৰ মূল্যও। সোমবাৰে ভাৰতীয় সময় অনুসৰি নিশা প্ৰায় ন বজাত হঠাতে বিকল হৈছিল ফে'চবুক, হোৱাটছএপ আৰু ইনষ্টাগ্ৰাম। অৱশ্যে সাত ঘণ্টা সময়ৰ পাছত পুৰা চাৰি বজাত পুনৰ সক্ৰিয় হৈ উঠিছিল এই তিনিটা জনপ্ৰিয় সামাজিক মঞ্চ।

## পুনৰ তালিবানৰ বৰ্বৰতা, সংখ্যালঘু সম্প্ৰদায়ৰ ১৩ জন লোকক কৰিলে হত্যা



**নিউজ ব্যুৰ', কাবুল, ৫ অক্টোবৰ ঃ** আফগানিস্তানৰ ক্ষমতা পুনৰ দখলৰ পাছত তালিবানে ঘোষণা কৰি কৈছিল যে তেওঁলোকে পূৰ্বৰ দৰে দেশখনত শাসন প্ৰৱৰ্তন নকৰে। বহু বিষয়ত তালিবানে শিথিলতা অৱলম্বন কৰাৰ প্ৰতিশ্ৰুতি দিছিল। কিন্তু কাৰ্যত জেহাদী সংগঠনটোৱে পূৰ্বৰ স্থিতিকে অৱলম্বন কৰিছে। এমনেষ্টি ইণ্টাৰনেচনেলৰ প্ৰতিবেদনত দাবী কৰা অনুসৰি যোৱা ৩০ আগষ্টত সংখ্যালঘু হাজাৰা সম্প্ৰদায়ৰ ১৩ জন লোকক হত্যা কৰিছিল তালিবানে। মৃত্যু হোৱা লোকসকলৰ মাজত এগৰাকী ১৭ বছৰীয়া কিশোৰীও আছিল। যোৱা ৩০ আগষ্টত আফগানিস্তানৰ খিডিৰ জিলাত প্ৰৱেশ কৰি কমেও ৩০০ তালিবান জেহাদীয়ে অবাধ হত্যাকাণ্ড সংঘটিত কৰিছিল। তালিবানৰ নিৰ্বিচাৰ গুলিবৰ্ষণৰ ফলত সংখ্যালঘু সম্প্ৰদায়ৰ ১৩ জন লোক নিহত হৈছিল আৰু এইসকলৰ ১১ জন আছিল আফগান সেনাৰ প্ৰাক্তন সদস্য।

## দুৰ্ঘটনাত আহতক চিকিৎসালয়লৈ নিলে লাভ কৰিব পুৰস্কাৰ

**নিউজ ব্যুৰ', নতুন দিল্লী, ৫ অক্টোবৰ ঃ** পথ দুৰ্ঘটনাত আহত ব্যক্তিক চিকিৎসালয়ত ভৰ্তি কৰালে লাভ কৰিব উপযুক্ত পুৰস্কাৰ। এই ঘোষণা কৰিলে কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰণালয়ে। দুৰ্ঘটনাত গুৰুতৰভাৱে আহতক তৎকালীনভাৱে চিকিৎসালয়ত ভৰ্তি কৰোৱা লোকক প্ৰতিবাৰ সহযোগিতা আগবঢ়োৱাৰ বাবে প্ৰদান কৰা হ'ব ৫,০০০ টকাৰ পুৰস্কাৰ। এখন আঁচনিৰ অধীনত এজন বা একাধিক ব্যক্তিক বছৰি সৰ্বাধিক পাঁচবাৰ ৫,০০০ টকাৰ পুৰস্কাৰ দিব জিলা প্ৰশাসনে। এই আঁচনিখন ২০২৬ বৰ্ষলৈকে বাহাল থাকিব। সাধাৰণতে পথ দুৰ্ঘটনাত আক্ৰান্ত ব্যক্তিক চিকিৎসালয়লৈ নিয়াৰ বাবে



পথচাৰীয়ে গা এৰা মনোভাব প্ৰদৰ্শন কৰে। আক্ৰান্তক চিকিৎসালয়লৈ নিলে আৰক্ষীৰ জঞ্জালৰ সন্মুখীন হোৱাৰ ভয়তো বহু লোকে পথ দুৰ্ঘটনাত আহত ব্যক্তিক চিকিৎসালয়লৈ নিবলৈ নিবিচাৰে। এনে মনোভাবৰ ফলতে প্ৰতি বছৰে ভাৰতত যথেষ্ট সংখ্যক লোকৰ পথ দুৰ্ঘটনাত মৃত্যু হৈ আহিছে। দুৰ্ঘটনাৰ এঘণ্টাৰ ভিতৰতে আহত ব্যক্তিক চিকিৎসাধীন কৰালে উক্ত ব্যক্তিৰ প্ৰাণৰক্ষাৰ বহু সম্ভাৱনা থাকে। সেয়েহে কেন্দ্ৰীয় পথ পৰিবহণ বিভাগে আহত ব্যক্তিক চিকিৎসালয়লৈ নিয়াৰ বাবে পথচাৰীসকলক উৎসাহিত কৰিবলৈ পুৰস্কাৰ প্ৰদানৰ বিশেষ আঁচনি গ্ৰহণ কৰিছে। প্ৰতিবাৰ সহায় কৰাৰ বাবদ ৫,০০০ টকাৰ পুৰস্কাৰৰ লগতে বছৰি এক লাখ টকাৰ পুৰস্কাৰ প্ৰদানৰো ব্যৱস্থা কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰিছে।

## দেশত ক'ভিড আক্ৰান্তৰ সংখ্যা ২০ হেজাৰৰ তললৈ নামিল, কেৰালাত সংক্ৰমণ হ্ৰাস

**নিউজ ব্যুৰ', নতুন দিল্লী, ৫ অক্টোবৰ ঃ** পাঁচ দিনৰ পাছত পুনৰ ২০ হেজাৰৰ তললৈ নামিল দেশৰ দৈনিক কৰ'নাৰ সংক্ৰমণ। যোৱা ২৪ ঘণ্টাত ভাৰতত নতুনকৈ কৰ'নাত আক্ৰান্ত হ'ল ১৮,৩৪৬ জন লোক। সোমবাৰৰ তুলনাত প্ৰায় ডেৰ হেজাৰ সংক্ৰমণ আজি হ্ৰাস পালে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি, ভাৰতত বৰ্তমানলৈকে তিনি কোটি ৩৮ লাখ ৫৩ হেজাৰ ৪৮ জন লোক ক'ভিড-১৯ত আক্ৰান্ত হ'ল। আক্ৰান্ত হ্ৰাস পালেও সোমবাৰৰ তুলনাত মঙলবাৰে ক'ভিডত মৃতকৰ সংখ্যা বৃদ্ধি পালে। যোৱা ২৪ ঘণ্টাত কৰ'নাই পুনৰ প্ৰাণ কাঢ়িলে ২৬৩ জন লোকৰ। অতিমাৰীৰ সমগ্ৰ পৰ্বটোত ভাৰতত মুঠ চাৰি লাখ ৪৯ হেজাৰ ২৬০ জন লোকৰ মৃত্যু হ'ল। দীৰ্ঘদিনৰ পাছত কেৰালাত দৈনিক আক্ৰান্তৰ সংখ্যা ১০ হেজাৰৰ তললৈ নামিল। যোৱা ২৪ ঘণ্টাত ৰাজ্যখনত নতুনকৈ কৰ'নাত আক্ৰান্ত হ'ল ৮,৮৫০ জন লোক। আনহাতে, মহাৰাষ্ট্ৰত ৩১৬৫ জন, তামিলনাডুত ১৪৬৭, মিজোৰামত ১,৬৮১ জন লোক কালি কৰ'নাত সংক্ৰমিত হৈছিল। অন্ধ্ৰ প্ৰদেশ আৰু কৰ্ণাটকত দৈনিক আক্ৰান্তৰ সংখ্যা ৫০০ৰ তলত আছে।



# বন্ধুৱেই হত্যা কৰি চুৰি কৰিলে গাড়ী

*এক পৃষ্ঠাৰ পৰা* ইতিমধ্যে আৰক্ষীয়ে তিনিওজন অভিযুক্তকে গ্ৰেপ্তাৰ কৰিছে।নিহত যুৱকজন হৈছে শালবাৰীৰ পাকৃগুৰি গাঁৱৰ ইছমাইল হুছেইনৰ পুত্ৰ মকবুল হুছেইন।

উল্লেখ্য যে কৰ্মসূত্ৰে গুৱাহাটীত থাকি গাড়ী চলোৱা মকবুল যোৱা ১৮ ছেপ্টেম্বৰৰ পৰা নিৰুদ্দেশ হৈ আছিল। প্ৰাপ্ত তথ্য অনুসৰি, ১৮ ছেপ্টেম্বৰত তেওঁ নিজৰ এ এছ-০১ এম চি-৫৩০৫ নম্বৰৰ অল্ট' গাড়ীখনেৰে গুৱাহাটীৰ পৰা নিজ গৃহলৈ আহিছিল, কিন্তু বাটতে তেওঁ সন্ধানহীন হৈ পৰে। ঘটনাৰ সন্দৰ্ভত পৰিয়ালৰ লোকে শালবাৰী আৰক্ষী থানাৰ উপৰি মহানগৰীৰ জালুকবাৰী আৰক্ষী চকীত এজাহাৰ দাখিল কৰিছিল। শালবাৰী আৰক্ষীয়ে এটা গোচৰ পঞ্জীয়ন কৰি তদন্ত অব্যাহত ৰাখিছিল। শালবাৰী আৰক্ষীয়ে জনোৱা মতে, গোলাঘাট জিলাৰ মেৰাপানী আৰক্ষীয়ে শেহতীয়াকৈ এখন অল্ট' চুৰি গাড়ী বিক্ৰী কৰাৰ অভিযোগত তিনিজন লোকক গ্ৰেপ্তাৰ কৰে। মকবুলৰ নিৰুদ্দেশৰ স'তে ধৃত লোক তিনিজনৰ কিছু সাদৃশ্য লাভ কৰি শালবাৰী আৰক্ষীৰ তদন্তকাৰী বিষয়াই এটা আৰক্ষীৰ দল লৈ গোলাঘাটলৈ ৰাওনা হয়। ইয়াৰ পাছতে মেৰাপানী আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা বিকাশ তাঁতী, প্ৰদীপ বৰ্মন আৰু ৰণজিৎ হাজৰিকা নামৰ যুৱক তিনিজনক সোধপোছৰ বাবে নিজৰ জিম্মাত লয়। ইপিনে, আজি নগাঁৱৰ ইটাচালি আৰক্ষী থানাৰ অন্তৰ্গত পাথৰি অঞ্চলত এটা মৃতদেহ উদ্ধাৰ হয়। নগাঁও আৰক্ষীয়ে মৃতদেহটো উদ্ধাৰ কৰে। পাছত মৃতদেহটো নিৰুদ্দিষ্ট মকবুলৰ বুলি শালবাৰী আৰক্ষীয়ে নিশ্চিত কৰে। শালবাৰী মহকুমা আৰক্ষী বিষয়া সমীৰণ বৈশ্য আৰু শালবাৰী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ৰূপজ্যোতি দত্তই সংবাদ মাধ্যমক জনোৱা মতে, ধৃত যুৱক তিনিজনেই মকবুলক হত্যা কৰাৰ কথা স্বীকাৰ কৰিছে। তিনিওজনে মকবুলৰ গাড়ীখন ভাড়া কৰি নিয়াৰ পাছত নগাঁৱৰ পাথৰিত এখন গামোচাৰে তেওঁৰ ডিঙি চেপি হত্যা কৰে। তাৰ পাছত মৃতদেহ পেলাই থৈ গাড়ীখন চুৰি কৰি নিয়ে। আৰক্ষীয়ে জনোৱা মতে, ধৃত বিকাশ আৰু প্ৰদীপ মকবুলৰ বন্ধু আছিল আৰু গাড়ীখন চুৰি কৰাৰ বাবেই তেওঁক হত্যা কৰিছিল। এই তিনি অভিযুক্তৰ লগত আন কোনো লোক থকাৰ সন্দেহত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

# অহা পাঁচ বজাৰত দুই লাখ হেক্টৰ

*এক পৃষ্ঠাৰ পৰা* উপস্থিত থাকি কেন্দ্ৰীয় কৃষি মন্ত্ৰী টোমৰে 'উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ যুৱক-যুৱতী আৰু বৃহত্তৰ কৃষক সমাজক খেতি কৰক, উৎপাদন কৰক আৰু উদ্যোগ গঢ়ি তোলক' বুলি আহ্বান জনায়।

দেশৰ লগতে উত্তৰ-পূবৰ কৃষক সমাজক সবল আৰু সমৃদ্ধিশালী কৰাৰ লগতে ক্ৰয় ক্ষমতা বৃদ্ধি কৰাই কেন্দ্ৰীয় চৰকাৰৰ অন্যতম লক্ষ্য বুলি উল্লেখ কৰি কেন্দ্ৰীয় মন্ত্ৰীজনে কয়, 'দেশৰ অধিকাংশ নাগৰিক গ্ৰাম্য অঞ্চলত বাস কৰে। তাৰ উপৰি প্ৰায়ভাগ কৃষকে হয় নিজৰ মাটিত খেতি কৰে নাইবা আনৰ মাটিত দিন হাজিৰা কৰে। আমি তেওঁলোকক সমৃদ্ধিশালী কৰিব লাগিব। কৃষকৰ জেপত ধন থাকিলে দেশৰ বজাৰ ব্যৱস্থাই নিজেই গতি লাভ কৰিব।'

উত্তৰ-পূবক দেশৰ উন্নয়নৰ মুখ্য ধাৰালৈ অনাৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় ভোজ্যতেল অভিযানে অন্যতম ভূমিকা পালন কৰিব বুলি মন্তব্য কৰি কেন্দ্ৰীয় মন্ত্ৰী টোমৰে কয় যে প্ৰধানমন্ত্ৰী মোদীয়ে কেৱল আত্মনিৰ্ভৰশীল হ'বলৈয়েই নহয়, ৰাহি উৎপাদনৰ কাৰণেও উল্লেখযোগ্য আঁচনি হাতত লৈছে আৰু তাৰেই শেহতীয়া উদাহৰণ হ'ল এই ৰাষ্ট্ৰীয় ভোজ্যতেল অভিযান।

অনাগত দিনত তেল পামৰ বীজ নাৰ্ছাৰী, ড্ৰিপ জলসিঞ্চন, কাৰিকৰী সহযোগিতা, মিল স্থাপন আৰু কৃষকসকলৰ প্ৰশিক্ষণৰ বাবেও বৃহৎ বিনিয়োগ কৰা হ'ব বুলি আশ্বাস প্ৰদান কৰে। কেন্দ্ৰীয় কৃষি মন্ত্ৰী টোমৰে কয় যে উত্তৰ-পূবৰ ৰাজ্যসমূহৰ বাবে আগবঢ়োৱা বিশেষ পেকেজ আৰু অনুদানে কৃষকসকলৰ আৰ্থ-সামাজিক স্থিতি সলনি কৰিব আৰু আন্তঃগাঁথনি উন্নয়নৰ লগতে প্ৰতিষ্ঠিত তেল পাম মিলসমূহত নিযুক্তিৰ সুযোগ মুকলি কৰিব।

আজিৰ সন্মিলনত কেন্দ্ৰীয় মন্ত্ৰী টোমৰে প্ৰকাশ কৰে যে মুঠ ১১,০৪০ কোটি টকা ব্যয়ৰে এই অভিযান অহা পাঁচ বছৰত উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহত ৩.২৮ লাখ হেক্টৰ আৰু ভাৰতৰ অন্যান্য প্ৰান্তৰ ৩.২২ লাখ হেক্টৰ ভূমিত তৈল পামৰ অধীনত মুঠ ৬.৫ লাখ হেক্টৰৰ অতিৰিক্ত অঞ্চল সামৰি ল'ব। আজিৰ সন্মিলনত উপস্থিত থাকি কেন্দ্ৰীয় ড'নাৰ মন্ত্ৰী জি কিষাণ ৰেড্ডীয়ে কয় যে কেন্দ্ৰীয় চৰকাৰে সদায়েই উত্তৰ-পূবৰ বিকাশক অগ্ৰাধিকাৰ দি আহিছে। ৰাষ্ট্ৰীয় ভোজ্যতেল অভিযান ৰূপায়ণৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰ আৰু উত্তৰ-পূবৰ ৰাজ্য চৰকাৰসমূহে হাতে হাত মিলাই আগবাঢ়িব লাগিব বুলিও তেওঁ কয়।

উত্তৰ-পূৰ্বাঞ্চলৰ বায়ু, স্থল আৰু ৰেল যাতায়াত ব্যৱস্থাৰ উন্নয়নৰ বাবে মোদী চৰকাৰে 'মিছন মোড'ত কাম কৰি আহিছে বুলি উল্লেখ কৰি ড'নাৰ মন্ত্ৰী ৰেড্ডীয়ে কয় যে উত্তৰ-পূবক বিকাশৰ ক্ষেত্ৰত মুখ্য ধাৰালৈ লৈ অনাই কেন্দ্ৰীয় চৰকাৰৰ অন্যতম লক্ষ্য।

অনাগত দিনত উত্তৰ-পূবৰ আঠখন ৰাজ্যক ৰেল পথেৰে সংযোগ স্থাপন কৰা হ'ব বুলি দাবী কৰি তেওঁ কয়, 'বৰ্তমান ৰেলপথ নিৰ্মাণৰ কাম উত্তৰ-পূবৰ প্ৰায়বোৰ ৰাজ্যত চলি আছে। ইতিমধ্যে নগালেণ্ডত ৭১১৫ কোটি, মিজোৰামত ৫০২১ কোটি, মণিপুৰত ১২,০৬৪ কোটি, ছিকিমত ৭৫০৪ কোটি আৰু মেঘালয়ত ৬০০০ কোটি ব্যয়সাপেক্ষ ৰেল পথ নিৰ্মাণৰ কাম পূৰ্ণগতিত চলি আছে।'

উত্তৰ-পূবৰ ৰাজ্যসমূহত আন্তঃগাঁথনি উন্নয়নৰ সমান্তৰালভাৱে ৰাষ্ট্ৰীয় ভোজ্যতেল অভিযানৰ দৰে পদক্ষেপে বহু পণ্যাগাৰ, শীতলঘৰ স্থাপনত সহায় কৰাৰ লগতে বিনিয়োগকাৰীক আকৰ্ষণ কৰিবলৈ সক্ষম হ'ব বুলি ড'নাৰ মন্ত্ৰী ৰেড্ডিয়ে কয়। বিগত সাত বছৰত নৰেন্দ্ৰ মোদীৰ প্ৰধানমন্ত্ৰিত্বৰ কালছোৱাত কেৱল উত্তৰ-পূবৰ প্ৰতি থকা বিকাশৰ প্ৰতিশ্ৰুতিৰ বাবেই কেন্দ্ৰীয় চৰকাৰে ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণৰ ক্ষেত্ৰত ৪৯ হেজাৰ কোটি টকা খৰচ কৰিছে বুলিও তেওঁ কয়।

পূৰ্বে উগ্ৰপন্থীৰ সমস্যা আৰু দুৰ্গম চৰিত্ৰৰ বাবে উত্তৰ-পূবৰ কেউখন ৰাজ্যই সমবিকাশৰ পৰা বঞ্চিত হৈ আছিল বুলি উল্লেখ কৰি ড'নাৰ মন্ত্ৰী ৰেড্ডীয়ে কয়, 'এতিয়া সেই দিন গ'ল। সকলো উগ্ৰপন্থী মূলসুঁতিলৈ ঘূৰি আহিল। এতিয়া উত্তৰ-পূৰ্বাঞ্চলক কৰ্মসংস্থাপন, শান্তি, সুযোগ আৰু বিনিয়োগকাৰীৰ কেন্দ্ৰবিন্দু হিচাপে প্ৰতিষ্ঠা কৰিব লাগিব।'

সন্মিলনত উপস্থিত থকা অসম চৰকাৰৰ কৃষিমন্ত্ৰী অতুল বৰাই জনায় যে বৰ্তমান অসমৰ দুখন জিলা গোৱালপাৰা আৰু কামৰূপৰ কৃষকসকল তেলপাম খেতিত নিয়োজিত হৈ আছে আৰু আন ১৭ খন জিলাত ১৫০০ হেক্টৰ ভূমি পাম তেল খেতিৰ অধীনলৈ অনা হ'ব বিশেষকৈ ২০২১-২২ বৰ্ষত। অহা পাঁচ বছৰত এই পৰিমাণ পাঁচ লাখ হেক্টৰলৈ সম্প্ৰসাৰণ কৰা হ'ব বুলিও মন্ত্ৰী বৰাই উল্লেখ কৰে। উল্লেখ্য যে কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী কৈলাশ চৌধুৰী, সুশ্ৰী সোভা কাৰাণ্ডলাজে, অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী প্ৰেমা খাণ্ডু, ড'নাৰ ৰাজ্যিক মন্ত্ৰী বি এল ভাৰ্মা আদিয়েও আজিৰ সন্মিলনত অংশগ্ৰহণ কৰে।

# তিনি দেশৰ বিজ্ঞানীলৈ পদাৰ্থ বিজ্ঞানৰ ন'বেল বঁটা

*এক পৃষ্ঠাৰ পৰা* বিজ্ঞানৰ ন'বেল বঁটা যুটীয়াভাৱে প্ৰদান কৰা হয় তিনিজন বিজ্ঞানীক। আমেৰিকাৰ প্ৰিন্সটন বিশ্ববিদ্যালয়ৰ অধ্যাপক ছুকোৰো মানাবে, জাৰ্মানীৰ মেক্স প্লাংক ইনষ্টিটিউট ফৰ মেটিউৰিল'জিৰ অধ্যাপক ক্লজ হেছেলমান আৰু ইটালীৰ ৰোমৰ ছাপিয়েঞ্জা বিশ্ববিদ্যালয়ৰ অধ্যাপক জিঅ'ৰ্জিঅ' পাৰিছিয়ে যুটীয়াভাৱে পদাৰ্থ বিজ্ঞানৰ ন'বেল পুৰস্কাৰ জয়ী বুলি আজি ঘোষণা কৰে ছুইডেনৰ ন'বেল কমিটীয়ে।

এই তিনিও বিজ্ঞানীয়ে দাঙি ধৰিছে কিদৰে মানুহে প্ৰকৃতি, পৰিৱেশৰ খাম-খেয়ালিপূৰ্ণ আৰু অস্বাভাৱিক আচৰণ। যাৰ বাবে সম্প্ৰতি মানুহে শীতৰ দিনটো গ্ৰীষ্মকালৰ দৰে ঘামিব লগা হৈছে। নিম্নচাপৰ দৌৰাত্ম্য, ঘূৰ্ণী ধুমুহা আদিৰ তাণ্ডৱ বৃদ্ধি পাইছে সমুদ্ৰৰ উপকূলৱৰ্তী অঞ্চলসমূহত।

চলিত নৱেম্বৰত গ্লাছগ'ত অনুষ্ঠিত হ'বলগীয়া ৰাষ্ট্ৰসংঘৰ জলবায়ু সন্মিলনৰ দৰে অতি গুৰুত্বপূৰ্ণ বৈঠকৰ পূৰ্বে এই বঁটা প্ৰদান অত্যন্ত প্ৰাসংগিক হিচাপে বিবেচিত হৈছে। বঁটাপ্ৰাপক অধ্যাপক পাৰিছিয়ে কয়, 'আমি এতিয়া দ্ৰুতগতিৰে কাম কৰিব লাগিব।' পলম কৰাৰ সময় নাই বুলি তেওঁ কয়। নিউজাৰ্ছিৰ প্ৰিন্সটন বিশ্ববিদ্যালয়ৰ জ্যেষ্ঠ বতৰ বিজ্ঞানী ৯০ বছৰীয়া মানাবেই তেওঁৰ আৱিষ্কাৰত দেখুৱাইছে যে কিদৰে বাতাবৰণত কাৰ্বন-ডাই-অক্সাইডৰ বৃদ্ধিয়ে পৃথিৱীৰ তাপমাত্ৰা বৃদ্ধি কৰিব পাৰে। ৮৯ বছৰীয়া হেছেলমান বতৰ আৰু জলবায়ু সংযোগ কৰিব পৰা এটা কম্পিউটাৰ মডেল সৃষ্টি কৰিছে। আপতদৃষ্টিত চাবলৈ গ'লে ৭৩ বছৰীয়া পাৰিছিয়ে প্ৰকৃতাৰ্থত এই সম্পৰ্কে কাম আৰম্ভ কৰিছিল। বিশ্বজুৰি গোলকীয় উষ্ণতাই হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি কৰাৰ সময়তে তিনি বিজ্ঞানীৰ গৱেষণাই ইতিহাস সৃষ্টি কৰিলে। ন'বেল কমিটীয়ে কয়, 'তিনিজনৰ গৱেষণাই বিজ্ঞানৰ ইতিহাসৰ যুগান্তকাৰী ঘটনা।'

বিগত শতাব্দীৰ ৬০ৰ দশকত মানাবেই গৱেষণা কৰিছিল, ৭০ৰ দশকত হেছেলমানে তেওঁৰ গৱেষণা কৰিছিল আৰু পেৰিছিৰ গৱেষণা আছিল ৮০ৰ দশকত। প্ৰকৃতি অথবা পৰিৱেশৰ খাম-খেয়ালি আচৰণৰ বাবে কেতিয়া কিমান পৰিমাণৰ বৰষুণ হ'ব অথবা কিমান কঠিন ৰ'দে তাপমাত্ৰা অসহনীয় কৰি তুলিব এইবোৰ বিষয়ে সঠিক পূৰ্বানুমান কৰাটো প্ৰত্যাহ্বান হৈ পৰে। কেতিয়াবা দেখা যায় বৰষুণৰ পূৰ্বানুমানৰ পৰিৱৰ্তে ৰ'দে উগ্ৰমূৰ্তি ধাৰণ কৰে অথবা ৰৌদ্ৰজ্জ্বল দিনৰ পূৰ্বাভাস সলনি হয় নেৰানেপেৰা বৰষুণলৈ।

৬০ৰ দশকত মানাবেৰ গাণিতিক মডেলে দেখুৱাইছিল কিদৰে বায়ুমণ্ডলত কাৰ্বন-ডাই-অক্সাইডৰ পৰিমাণ বৃদ্ধি হোৱাৰ লগে লগে ভূপৃষ্ঠৰ তাপমাত্ৰা বৃদ্ধি পায়। কিদৰে বায়ুমণ্ডলৰ ওপৰৰ স্তৰসমূহ ভূপৃষ্ঠৰ দৰে গৰম হৈ নুঠে। তেওঁৰ এই মডেল এতিয়া জলবায়ুৰ পূৰ্বাভাসৰ মডেলসমূহৰ প্ৰধান হাথিয়াৰ হৈছে। ইয়াৰ ১০ বছৰ পাছৰ গৱেষণাত বাতাবৰণ আৰু জলবায়ুৰ মাজত সংযোগ সাধন কৰিলে হেছেলমানে। আনহাতে, পেৰিছিয়ে যিকোনো জটিল ব্যৱস্থাৰ মাজতে থকা এই সকলোবোৰ অনিয়ম, বিশৃংখলতা আৰু খাম-খেয়ালিৰ মাজত শৃংখলা বিচাৰি এইসমূহৰ মতি-গতি আগতীয়াকৈ বুজি উঠাৰ পথ দেখুৱাইছিল তেওঁৰ গাণিতিক মডেলত।

উল্লেখ্য যে ন'বেল বঁটাৰ ধন এক কোটি ক্ৰোনাৰ অৰ্থাৎ ছুইডিছ মুদ্ৰাৰ আধা অংশ মানাবে আৰু হাছেলমানে লাভ কৰিছে তথা বাকী আধা লাভ কৰিছে পাৰিছিয়ে। উল্লেখ্য যে ১৯০১ত ন'বেল বঁটা প্ৰদানৰ আৰম্ভণিৰে পৰা এই পৰ্যন্ত ২১৮জনে পদাৰ্থ বিজ্ঞানত ন'বেল বঁটা লাভ কৰিছে। ইয়াৰ ভিতৰত মাত্ৰ চাৰিগৰাকী মহিলা।

# দিছপুৰৰ বহু প্ৰভাৱশালী ব্যক্তিৰে

*এক পৃষ্ঠাৰ পৰা* সুৰামত্ত হৈ বাহন চলাই আঠজনকৈ শ্ৰমিকক খুন্দা মাৰি আহত কৰা যুৱতীগৰাকীয়ে একেটা দিনতে জামিন লাভ কৰাৰ পাছতে ৰাজ্যজুৰি প্ৰতিক্ৰিয়া সৃষ্টি হয়। লগতে অসম আৰক্ষীও তীব্ৰ সমালোচনাৰ সন্মুখীন হয়। ইয়াৰ পৰিপ্ৰেক্ষিতত কালি সমগ্ৰ ঘটনাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই হস্তক্ষেপ কৰাৰ পাছতে মহানগৰ আৰক্ষী আয়ুক্তালয়ে দিছপুৰ আৰক্ষীৰ দুজন বিষয়াক ৰিজাৰ্ভ ক্ল'জ কৰি দুৰ্ঘটনা সংঘটিত কৰা যুৱতীগৰাকীক আজি থানাত হাজিৰ হ'বলৈ জাননী জাৰি কৰে। ঘটনাস্থলীত উপস্থিত থকা যান-বাহন আৰক্ষীৰ উপ-পৰিদৰ্শক চাহিৰ আলীৰ অভিযোগৰ ভিত্তিত দিছপুৰ আৰক্ষীয়ে ভাৰতীয় দণ্ড বিধিৰ ২৭৯/৩৩৮/২৯৪/৩৫৩ ধাৰাত ৩৬১৬/২১ নম্বৰত এটা গোচৰ ৰুজু কৰি ইয়াৰ তদন্তৰ দায়িত্ব দিছিল মহিলা উপ-পৰিদৰ্শক আভাৰাণী গগৈক; কিন্তু এই গোচৰত সান্ধ্য আইন উলংঘা কৰা, সুৰামত্ত হৈ বাহন চলোৱা আদি ধাৰা অন্তৰ্ভুক্ত নোহোৱা তথা দুৰ্বল ধাৰাৰ বাবে ৰাজকন্যাই জামিন লাভ কৰে। কিন্তু এই কথা ফাদিল হোৱাত গোচৰটোত কেতবোৰ ধাৰা পুনৰ সন্নিবিষ্ট কৰিবলৈ দিছপুৰ আৰক্ষীয়ে তৎপৰতা গ্ৰহণ কৰে। লগতে যুৱতীগৰাকীৰ স্বাস্থ্য পৰীক্ষাৰ বাবে এখন মেডিকেল ব'ৰ্ড গঠনৰ বাবেও আজি আদালতত আবেদন কৰিছে বুলি আৰক্ষী সূত্ৰই সদৰী কৰিছে। এই সন্দৰ্ভত আজি গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ কে'বাজনো জেষ্ঠ চিকিৎসক লৈ এখন মেডিকেল ব'ৰ্ড গঠন কৰা হৈছে আৰু এই ব'ৰ্ডৰ ওচৰত কাইলৈ ৰাজকন্যাক হাজিৰ হ'বলৈ নিৰ্দেশ জাৰি কৰিছে। উল্লেখ্য যে উপ-ৰাষ্ট্ৰপতিৰ আগমনৰ বাবে যোৱা পহিলা অক্টোবৰৰ নিশা আঠজনকৈ শ্ৰমিকে ৰুক্মিণীগাঁৱৰ কালভাৰ্টৰ সমীপত কৰ্মৰত অৱস্থাত আছিল আৰু সেই সময়তে সুৰাৰ ৰাগিত মাতাল হৈ বাহন চলাই অহা ৰাজকন্যাই শ্ৰমিককেইজন থকা বাণিজ্যিক বাহনখনত তীব্ৰ জোৰেৰে খুন্দা মাৰি ভয়ংকৰ দুৰ্ঘটনা সংঘটিত কৰিছিল। এই দুৰ্ঘটনাত যোচেফ নামৰ এজন শ্ৰমিকৰ সোঁভৰিখন দেহৰ পৰা বিচ্ছিন্ন হৈ পৰে আৰু শেহতীয়াকৈ গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন হৈ থকা শ্ৰমিকজনৰ বাওঁ ভৰিখনো হেৰুৱাব লগা হোৱাত চিৰদিনৰ বাবে পংগু হয়।

## ২০১৭তো ৰাজকন্যাৰ বাহনৰ খুন্দাত আহত যুৱকজন আজিও সুস্থ হৈ উঠা নাই

২০১৭ৰ ২৬ অক্টোবৰতো তীব্ৰ বেগত গাড়ী চলাই এক দুৰ্ঘটনা সংঘটিত কৰিছিল ৰাজকন্যাই। নিশা প্ৰায় ১২.৪৫ত খানাপাৰাৰ দিশৰ পৰা তীব্ৰ বেগেৰে এএছ-০১ এজি-২১৯৪ নম্বৰৰ বিলাসী গাড়ী চলাই আহি থকাৰ সময়ত ৰাজকন্যাই এএছ-২৫ এইছ-০০৬৯ নম্বৰৰ দুচকীয়া বাহনখনত খুন্দা মাৰিছিল। এই দুৰ্ঘটনাত দুচকীয়া বাহনখনত থকা কৰণজ্যোতি সন্দিকৈ নামৰ যুৱকজনৰ বাওঁভৰিখন নষ্ট হৈ গৈছিল আৰু কে'বাটাও কঠিন অস্ত্ৰোপচাৰৰ অন্তত আজিও সুস্থ হৈ উঠা নাই। উল্লেখ্য যে এই দুৰ্ঘটনাৰ সন্দৰ্ভত দিছপুৰ থানাত ২৯৩৭/২০১৭ নম্বৰত ভাৰতীয় দণ্ড বিধিৰ ২৭৯/৩৩৮/৪২৭ ধাৰাত এক গোচৰ ৰুজু হৈছিল।

## ২০১৮ত কৰ্তব্যৰত আৰক্ষীৰ পোছাক ফালি সাৰি গৈছিল ৰাজকন্যা

আনহাতে, ২০১৮ৰ ১১ এপ্ৰিলত মহানগৰীৰ অনিল প্লাজাৰ সন্মুখত এজন কৰ্তব্যৰত আৰক্ষীৰ পোছাক ফালি, হুইচেল কাঢ়ি অপদস্থ কৰি সাৰি গৈছিল ৰাজকন্যা। ঘটনাৰ সংক্ৰান্তত ভঙাগড় আৰক্ষী থানাত ৰাজকন্যা আৰু সহযোগীৰ বিৰুদ্ধে ভাৰতীয় দণ্ড বিধিৰ ১৪৩/২৯৪/৩৫৩/৫০৬/৪২৭ ধাৰাত ৪৭/১৮ নম্বৰত এক গোচৰ ৰুজু হৈছিল বুলি আৰক্ষী সূত্ৰই প্ৰকাশ কৰিছে। ৰাজ্যৰ কে'বাজনো মন্ত্ৰী তথা অসমলৈ অহা বহু হাইপ্ৰফাইল নেতা-মন্ত্ৰীক বিলাসী হোটেলত আপ্যায়ন কৰাৰ ফলশ্ৰুতিতে বহু মন্ত্ৰী-বিধায়কৰ স'তে অতি ঘনিষ্ঠ হোৱাৰ বাবেই প্ৰতিবাৰে আইনৰ চকুত ৰাজকন্যা সাৰি যায় বুলি আৰক্ষী সূত্ৰটোৱে প্ৰকাশ কৰি কয় যে অনিল প্লাজাৰ সমীপৰ এখন বাৰৰ সন্মুখত উক্ত দিনা নিশা এদল ল'ৰা-ছোৱালীৰ মাজত কাজিয়াৰ সূত্ৰপাত হৈছিল। ঘটনাৰ খবৰ লাভ কৰি আৰক্ষী সেই স্থানত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণৰ চেষ্টা কৰিছিল। সেই সময়ত আৰক্ষী বিষয়াজনক কেইজনমানে নাম সুধি 'চাকৰি খাই পেলাম' বুলি ভাবুকি দিছিল। তেনেতে সেই স্থানত ৰাজকন্যা বৰুৱাৰ আবিৰ্ভাৱ হৈছিল আৰু কৰ্তব্যৰত আৰক্ষীক উদ্দেশি অশ্লীল গালি-গালাজ পৰাৰ উপৰি কলিতা উপাধিৰ বিষয়াজনক পোছাকত ধৰি চোলাটো ফালি হুইচেলটো কাঢ়ি লৈ অপদস্থ কৰিছিল বুলি আৰক্ষী সূত্ৰই প্ৰকাশ কৰিছে; কিন্তু ইয়াৰ পাছতো হাইপ্ৰফাইল নেতা-মন্ত্ৰীৰে ঘনিষ্ঠ হোৱাৰ সুবাদতে ৰাজকন্যাই সাৰি যাবলৈ সক্ষম হৈছিল বুলি অভিযোগ উঠিছে।

**ASSAM SEEDS CORPORATION LTD.**
**KHANAPARA, GUWAHATI-22**

E-Procurement Notice Bid ref No. ASC/497/Mkt/eTender/2021-22/3120 Dated -05/10/2021

The Managing Director ASC Ltd invites bids in electronic tendering system from eligible bidders for fixation of sale price for supply of certified & truthfully labelled seeds (Group- A) as mentioned in the bidding document. The bidding document is available online and the bid should be submitted online on website https://assamtenders.gov.in

Date of release of invitation for bids through e-procurement: 06/10/2021 from 2.00 PM

**Availability of bid documents and mode of submission:** The bid document is available online from 06/10/2021 from 2.00 PMand the bid should be submitted online in https://assamtenders.gov.in. The bidder would be required to register in the web-site which is free of cost. For submission of the bids the bidder is required to have digital signature certificate (DSC) from one of the authorized certifying authorities (CA) as indicated in the website: https://assamtenders.gov.in.

Last date/ time for receipt of bids through e-procurement: 08/10/2021 from 4.00 PM

For further details please log on to https://assamtenders.gov.in

Sd/
Managing Director
Assam Seeds Corporation Ltd.
Khanapara, Guwahati-22

Janasanyog/CF/1633/21

**Bharatiya Janata Party, Assam Pradesh**

Information regarding individuals with pending criminal cases, who have been selected as candidates, along with the reasons for such selection, also as to why other individuals without criminal antecedents could not be selected as candidates.

**(As per the Election Commission of India's directions issued in pursuance of the Order dated 13.02.2020 of the Hon'ble Supreme Court in contempt petition(C) no. 2192 of 2018 in WP(C) no. 536 of 2011)**

Name of the Constituency - **LA- 41, Bhabanipur**
Name of the candidate - **Shri Phanidhar Talukdar**

| Sl. | | Particulars | Details |
|---|---|---|---|
| 1. | | Criminal antecedents | |
| | a. | Nature of offences | 1. Offences under Saction 120(B) / 468 / 406 I.P.C.<br>2. Section-138 of N.I act |
| | b. | Case No. | 1. BI(EO)P. S, Case No. 2/2018 (GR Case No. 692/2018)<br>2. CR2075 / 2020 |
| | c. | Name of the Court | 1. Additional Chief Judicial Megistrate Kamrup Metro at Guwahati<br>2. Judicial Magistrate 1st cum Munsif 4, Guwahati |
| | d. | Whether charge have been framed or no (Yes/No) | Yes, BI(EO)P. S, Case No. 2/2018 (GR Case No. 692/2018) |
| | e. | Date of Conviction, if any | Not Applicable |
| | f. | Details of punishment undergo if any | Not Applicable |
| | g. | Any other information required to be given | Quasining of criminal case is already filed before Hon'ble Gauhati High Court vide filling No. Crl. Pet. 7418/2021 on 01.10.2021 |
| 2. | | The reasons for the selection of the candidate. | Shri Phanidhar Talukdar is a person who has been dedicated to social service for the people of the constituency for the past many years. He was found to have a sound understanding of the ground situation and shared a good rapport with the voters here. |
| 3. | | Reasons as to why other individuals without criminal antecedents could not be selected as candidates | The party believes that the interests of the constituency should be understood and represented in the best possible manner. Hence the party is of the firm opinion that Shri Phanidhar Talukdar is the best suited for this constituency. |

**Bharatiya Janata Party, Assam Pradesh**

**Information regarding individuals with pending criminal cases, who have been selected as candidates, along with the reasons for such selection, also as to why other individuals without criminal antecedents could not be selected as candidates.**

(As per the Election Commission of India's directions issued in pursuance of the Order dated 13.02.2020 of the Hon'ble Supreme Court in contempt petition(C) no. 2192 of 2018 in WP(C) no. 536 of 2011)

Name of the Constituency - LA- 101, Mariani
Name of the Candidate - Shri Rupjyoti Kurmi

| Sl. | Particulars | Details |
|---|---|---|
| 1 | Criminal Antecedents | |
| | a. Nature of the offences | 1. 153(A) OF IPC IT WAS LEARNT THAT SOMEONE HAS FILED THE EZAHAR AFTER VIEWING A TALK SHOW OF PRAG NEWS TV CHANNEL. THAT INFORMANT IS NOT KNOWN TO ME PERSONALLY AND HE HAS FILED THE EZAHAR ONLY AFTER WATCHING ME IN TV. HOWEVER POLICE HAS NOT INTERROGATED ME.<br>2. U/S 499/500/501 OF IPC. CASE WAS FILED IN THE COURT BY ONE SANTANU PUZARI FOR ALLEGED DEFAMATORY STATEMENT MADE BY ME IN A TV CHANNEL NAMELY NEWS18 NORTHEAST. |
| | b. Case no. | 1) PALTAN BAZAR P.S. 701/2017<br>2) CR 220/2019 |
| | c. Name of the court | 1) Trail not started<br>2) C.J.M , Jorhat |
| | d. Whether charges have been framed or not (Yes/No) | No |
| | e. Date of conviction, if any | Not Applicable |
| | f. Details of punishment undergone, if any | Not Applicable |
| | g. Any other information required to be given | Cases were falsely filed |
| 2 | The reason for the selection of the candidate | Shri Rupjyoti Kurmi is a four time MLA from the constituency and he has gained the trust and affection of the people of the constituency. He has taken up various social work over the years. |
| 3 | The reason as to why other individuals without criminal antecedents could not be selected as a candidate | The party believes that the interests of the constituency should be understood and represented in the best possible manner. Hence the party is of the firm opinion that Shri Rupjyoti Kurmi is the best suited for this constituency. |

## হোজাইত ছয় জুৱাৰী গ্ৰেপ্তাৰ আৰক্ষীৰ

অগ্ৰদূত বাৰ্তা

**হোজাই, ৫ অক্টোবৰ ঃ** হোজাইৰ কপাহবাৰীত জুৱাখেলৰ বিৰুদ্ধে হোজাই আৰক্ষীয়ে অভিযান চলাই জুৱাখেলৰ পৰা গ্ৰেপ্তাৰ কৰে ছজন জুৱাৰী । জুৱাখেলৰ পৰা আৰক্ষীয়ে জব্দ কৰে জুৱা খেলৰ সামগ্ৰী আৰু নগদ ধন। ধৃত জুৱাৰী কেইজন হ'ল নেৱাজ আহমেদ (২৫), চেলিম উদ্দিন (৩৯), নজমুল ইছলাম (৩২), আশিক উদ্দিন(৩০), নজমুল হোজাইন (২৪) আৰু সিন্দু দাস (৪১)।

## বৰপেটাত নিংনি ভাউৰা ধাৰাবাহিকৰ মহুৰত, দুখন নাট্য গ্ৰন্থ উন্মোচন

বিশেষ সংবাদদাতা

**বৰপেটা, ৫ অক্টোবৰ ঃ** ইউটিউব চেনেল যোগে সম্প্ৰচাৰিত হ'বলগীয়া নিংনি ভাউৰা ধাৰাবাহিকৰ মহুৰত আৰু দুখন নাট্য গ্ৰন্থৰ উন্মোচনী অনুষ্ঠান কালি বিয়লি প্ৰমোদ দাসৰ বৰপেটা কলয়াহাটীৰ বাসগৃহ প্ৰাংগণত সম্পন্ন হয়। ক'ভিড সৃষ্ট প্ৰতিকূল পৰিৱেশৰ মাজতো নাট্যকাৰ-পৰিচালক-অভিনেতা-প্ৰযোজক দাসে বৰপেটাৰ এজাক শিশুক লগত লৈ নিংনি ভাউৰাৰ জীৱন কাহিনীৰ আধাৰত ইউটিউব চেনেলৰ যোগেদি কাদম্বৰী ক্ৰিয়েছনৰ জৰিয়তে এখন ধাৰাবাহিক প্ৰযোজনা আৰু পৰিচালনা কৰি সাংস্কৃতিক জগতলৈ আশাৰ সঞ্চাৰ কৰিব বিচাৰিছে। বৰপেটাৰ সম্ভাৱনাময়ী, প্ৰতিভাৱান, আগ্ৰহী সাংস্কৃতিক মনৰ শিশুসকলৰ শাৰীৰিক-মানসিক বিকাশ, ছবি জগতৰ লগত চিনাকি, কেমেৰাৰ সন্মুখত অভিনয় কৰাৰ অভিজ্ঞতা প্ৰদান কৰাৰ লক্ষ্যৰে প্ৰযোজক দাসে এনে উদ্দেশ্য গ্ৰহণ কৰিছে বুলি প্ৰকাশ কৰিছে। নিংনি ভাউৰা ধাৰাবাহিকখনৰ মহুৰত কৰে বিশিষ্ট অভিনেতা প্ৰাঞ্জল শইকীয়াই। ধাৰাবাহিকখনৰ মহুৰত কৰি শইকীয়াই কয়, 'আমি দিনক দিনে নিশকতিয়া জাতিত পৰিণত হ'ব ধৰিছো। জাতিটো সজাগ নহ'ল সংকট অনিবাৰ্য। 'আমাৰ ভাষা-মাত, কথা আমি পাহৰিব ধৰিছো।' মঞ্চৰ নেপথ্যত থকা শিল্পীসকলে মঞ্চৰ শিল্পীসকলৰ প্ৰাণ প্ৰতিষ্ঠা কৰে বুলিও তেওঁ মন্তব্য কৰে। আনহাতে, 'যুগলবন্দী' আৰু 'নিংনি ভাউৰাৰ কথা' শীৰ্ষক নাট্যগ্ৰন্থ দুখন উন্মোচন কৰে ক্ৰমে অভিনেত্ৰী পূৰ্ণিমা পাঠক শইকীয়া আৰু চেতনা দাসে। 'যুগলবন্দী' নাটকখন উন্মোচন কৰি দিয়া ভাষণত পাঠক শইকীয়াই কয়, 'একাগ্ৰতা আৰু নিষ্ঠাই মানুহক আগবাঢ়ি যোৱাত সহায় কৰে। হতাশ হ'ব নালাগে।' কেৱল খোৱা-বোৱা আৰু টিভি চোৱাটোৱে মানুহৰ জীৱন হ'ব নোৱাৰে বুলিও তেওঁ মন্তব্য কৰে। তেওঁ প্ৰতিভা বিকাশ কৰিবলৈ সুযোগ সন্ধানী হ'বলৈ আহ্বান জনাই সকলোকে নিতৌ ডায়েৰী লিখাৰ অভ্যাস কৰিবলৈ আহ্বান জনায়। সভাত বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰি বৰপেটাৰ উপায়ুক্ত তেজ প্ৰসাদ ভূচালে কয়, 'নাটক জীৱনৰ এটা অংশ হ'ব লাগে। নাটকখন চাই থাকোতে নাটকৰ মাজত নিজক দেখা অনুভৱ হ'লেহে সেইখন নাটক জীৱন্ত হৈ পৰে।' সাংবাদিক মহানন্দ পাঠকে আঁত ধৰা সভাখনত নিংনি ভাউৰা ধাৰাবাহিকখনৰ কাৰিকৰী উপদেষ্টা ৰাষ্ট্ৰীয় পুৰস্কাৰ প্ৰাপ্ত সমুজ্জ্বল কাশ্যপ, নাট্য গ্ৰন্থ দুখনৰ শিল্পী হটষ্টাৰৰ ক্ৰিয়েটিভ সঞ্চালক মহানজ্যোতি দত্ত, ধাৰাবাহিকখনৰ মুখ্য সহ পৰিচালক সত্যেন দাস, সহকাৰী পৰিচালক চন্দন দাস আৰু লিজা বৰুৱাক সভাত পৰিচয় কৰাই দিয়া হয়।

## উত্তৰ গুৱাহাটীত দুৰ্গা পূজাৰ প্ৰস্তুতি তুংগত

### ■ প্ৰাচীনতম পূজা উদ্‌যাপনৰ বাবে তৎপৰ

অগ্ৰদূত বাৰ্তা

**উত্তৰ গুৱাহাটী, ৫ অক্টোবৰ ঃ** শাৰদীয় দুৰ্গাপূজাক লৈ কেইটামান দিন বাকী থকাৰ সময়তে উত্তৰ গুৱাহাটীৰ প্ৰতিখন পূজা সমিতি সাজু হৈছে দুৰ্গাপূজা উদ্‌যাপনৰ বাবে। উত্তৰ গুৱাহাটীৰ প্ৰাচীনতম জাগ্ৰত দেৱীৰ স্থান শ্ৰীশ্ৰী দীঘেশ্বৰী দেৱালয়ত বৈদিক পৰম্পৰা হোম যজ্ঞৰে পালন কৰা হ'ব দুৰ্গা পূজা। কৰ'না মহামাৰীৰ প্ৰতি লক্ষ্য ৰাখি সীমিত বলি-বিধানেৰে পাঁচদিনীয়া পূজা অনুষ্ঠিত হ'ব। ইতিমধ্যে মন্দিৰ পৰিচালনা সমিতিয়ে মন্দিৰ চৌহদ সজাই-পৰাই তুলিছে। উত্তৰ গুৱাহাটীৰ অন্যতম দুৰ্গাপূজা মণ্ডপ হিচাপে চিহ্নিত উত্তৰ গুৱাহাটী বাৰোৱাৰী দুৰ্গাপূজা উদ্‌যাপন সমিতিয়ে কাৰ্যসূচী লৈছে যদিও প্ৰশাসনৰ নিয়ম কোনো কাৰণতে ভংগ নকৰাকৈ উদ্‌যাপন কৰা হ'ব বুলি সদৰী কৰিছে। উত্তৰ গুৱাহাটী মধ্যম খণ্ডৰ লুইতৰ পাৰৰ স্থায়ী মণ্ডপত ইতিমধ্যেই পূজাৰ প্ৰস্তুতি পূৰ্ণোদ্যমে চলিছে। পাঁচদিনীয়া দুৰ্গোৎসৱৰ উদ্‌যাপনৰ বাবে প্ৰাণেশ্বৰ শৰ্মাক সভাপতি, ভৰত ৰাজবংশীক কাৰ্যকৰী সভাপতি, সঞ্জীৱ শৰ্মা, জনাৰ্দন বড়ো, সুবল বড়া আৰু কংকনজ্যোতি দাসক সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত কৰা হৈছে। প্ৰতিদিনেই পূজা মণ্ডপত নাম প্ৰসংগ, হোম যজ্ঞৰ লগতে সন্ধিয়া সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। ১৫ অক্টোবৰ বিজয়া দশমীৰ দিনটোৰ আকৰ্ষণীয় অনুষ্ঠান 'ৰাবন দাহন' আৰু 'আতচবাজী'ৰ চমকপ্ৰদ প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছে। তদুপৰি উত্তৰ গুৱাহাটীৰ শতিকা গৰকা ন গোসাঁই হাউলীৰ ব্যক্তিগত প্ৰচেষ্টাৰ গোসাঁই পৰিয়ালৰ পূজাভাগ এইবেলিও সম্পূৰ্ণ বৈদিক পৰম্পৰা আগত ৰাখি অনুষ্ঠিত কৰিব। পূজাৰ অন্তত আমিষ ভোগ ভক্ত দৰ্শনাৰ্থীলৈ আগবঢ়োৱা হয়।

উল্লেখ্য যে গোসাঁই পৰিয়ালৰ এই পূজাভাগ দীৰ্ঘেশ্বৰী দেৱালয়ৰ পাছতে উত্তৰ গুৱাহাটীৰ ভিতৰত পুৰণি য'ত আধ্যাত্মিক পূজা উপাসনা যজ্ঞৰ মাজতে সীমাবদ্ধ। উত্তৰ গুৱাহাটীৰ আন এক অন্যতম পূজামণ্ডপ শিলসাঁকো দুৰ্গা পূজা উদ্‌যাপন সমিতিও দেৱী দুৰ্গাক আদৰিবলৈ সাজু হৈছে। অনেক অসুবিধাৰ মাজতো এইবেলি কেৱল আধ্যাত্মিকতাৰ দিশ আগত ৰাখি বৈদিক পৰম্পৰাৰে দুৰ্গাপূজা উদ্‌যাপন কৰিব। ইফালে, কলেজ নগৰ পূজা মণ্ডপৰ পূজা উদ্‌যাপনৰ বাবে তৎপৰ হৈছে পূজা সমিতি। পূজাৰ প্ৰতিদিন সাংস্কৃতিক অনুষ্ঠানৰ বাবে যো-জা চলিছে যদিও প্ৰশাসনৰ নিয়মতে বাতিল কৰিবলগীয়া হ'লে সীমিতভাৱে উদ্‌যাপন কৰিব। প্ৰায় ২০খনৰ অধিক পূজা মণ্ডপৰ ভিতৰত ৰংমহল পূজা মণ্ডপ, বেটেলিয়ন কেম্প (চন্দ্ৰা), গৌৰী পুৰ, জয়গুৰু, আমিনগাঁও মধ্যমবস্তি, কালিপুৰ, শ্ৰীনাথ পট্টি, আই চি ডি, কালভাৰ্ট, মৰিয়াপট্টি, ফেকাল্টিগেট, ঘোঁৱামাৰা, মাজগাঁও পাৰঘাট, ৰেষ্টাৰ্ণ ফিল্ড, মণিকৰ্ণেশ্বৰকে ধৰি অটাইবোৰ পূজা মণ্ডপত এতিয়া উথপথপ পৰিৱেশ। আমিনগাঁও মাকালী শিল্পালয় আৰু মা দুৰ্গা শিল্পালয়ে প্ৰতিমা যোগান ধৰাৰ বাবে দিনে-নিশাই কাম কৰি গৈছে। দুৰ্গা পূজা উদ্‌যাপন সম্পৰ্কত এতিয়ালৈ কামৰূপ প্ৰশাসনে নীতি-নিয়ম ঘোষণা কৰা নাই যদিও দুই এদিনতে ঘোষণা কৰিব।

## প্ৰশান্ত বৰুৱাৰ ৰাজহুৱা স্মৃতিচাৰণ সভাত সুঁৱৰিলে গুণমুগ্ধই

অগ্ৰদূত বাৰ্তা

**বৰভাগ, ৫ অক্টোবৰ ঃ** অকাল বিয়োগ ঘটা যুৱমঞ্চ, বৰবৰীৰ সাধাৰণ সম্পাদক প্ৰশান্ত বৰুৱাৰ আদ্যশ্ৰাদ্ধৰ দিনটোত কালি যুৱ মঞ্চ বৰবৰীয়ে এক 'শ্ৰদ্ধাঞ্জলি অনুষ্ঠান' অনুষ্ঠিত কৰে। অনুষ্ঠানৰ আৰম্ভণিতে প্ৰয়াত বৰুৱাৰ পত্নী সংগীতা বৰুৱাই প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰি পুষ্পাঞ্জলি অৰ্পণ কৰে। ইয়াৰ পাছতে স্মৃতিচাৰণ অনুষ্ঠানত বিশিষ্ট শিক্ষক ধৰণীধৰ বেজবৰুৱা, বৰবৰী থান উন্নয়ন সমিতিৰ সাধাৰণ সম্পাদক প্ৰদীপ ভট্টাচাৰ্য, যুৱ মঞ্চ বৰবৰীৰ প্ৰাক্তন সভাপতি মহেশ শৰ্মা, উপদেষ্টা ক্ৰমে নিৰঞ্জন বেজবৰুৱা, শিৱকান্ত চক্ৰৱৰ্তী, ত্ৰৈলোক্য ডেকা আৰু খাতা পাজিপৰ গাঁও উন্নয়ন সমিতিৰ সভাপতি ৰঞ্জিত বেজবৰুৱাই সদ্যপ্ৰয়াত যুৱ সমাজকৰ্মী প্ৰশান্ত বৰুৱাৰ স্মৃতিচাৰণ কৰে।

## ■ পুৱাৰে পৰাই শ শ গ্ৰাহকৰ ভিৰ ■ বেংক কৰ্তৃপক্ষৰে গ্ৰাহক ৰাইজৰ বাক্‌যুদ্ধ

# জামুগুৰিহাটৰ গ্ৰামীণ বিকাশ বেংকত অচলাৱস্থা



*চিৰাঙৰ পানবাৰীত বন বিভাগৰ উদ্যোগত 'আজাদী কা অমৃত মহোৎসৱ'ত বনমন্ত্ৰী পৰিমল শুক্লবৈদ্য-বিটিআৰ প্ৰধান প্ৰমোদ বড়ো।*

অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ৫ অক্টোবৰ ঃ** জামুগুৰিহাটস্থিত অসম গ্ৰামীণ বিকাশ বেংকৰ গ্ৰাহকসকলে দীৰ্ঘদিন ধৰি বেংকৰ লেনদেনৰ ক্ষেত্ৰত বহু সমস্যাৰ সন্মুখীন হৈ আহিছে। অঞ্চলটোৰ শ শ গ্ৰাহকে নিজৰ সাঁচতীয়া ধনকেইটা থবলৈ বা ল'বলৈ এতিয়া পুৱা আঠবজাৰ পৰাই বেংকটোৰ সন্মুখত শাৰী পাতিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈ আহিছে। বহু গ্ৰাহকে আকৌ দীঘলীয়া শাৰীত বৈ বৈ বিমুখ হৈ ঘৰমুৱা হ'বলগীয়া পৰিস্থিতি উদ্ভৱ হৈছে। কেতিয়াবা এই ভিৰৰ মাজত থকা গ্ৰাহকৰে বেংক কৰ্তৃপক্ষৰ বাক্‌যুদ্ধৰ সৃষ্টি হৈছে। ইয়াৰ মূল কাৰণটোৱেই হৈছে বেংকটোৰ কৰ্মচাৰীৰ অভাৱ আৰু সঘনাই লিংক নাইকিয়া হোৱা পৰিৱেশ। শ শ গ্ৰাহকৰ বিপৰীতে তিনিজন কৰ্মচাৰীয়ে সেৱা আগবঢ়ায় অহাৰ লগতে প্ৰায়ে বেংকটোত লিংক নাথাকে। স্থানীয় বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান তথা দল-সংগঠনৰ লগতে সচেতন ৰাইজে গ্ৰাহকসকলৰ সুবিধাৰ্থে আৰু এটা কাউণ্টাৰৰ অভাৱ অনুভৱ কৰি বিভাগীয় কৰ্তৃপক্ষক দাবী জনাই আহিছে যদিও এই সম্পৰ্কত গুৰুত্ব আৰোপ কৰা পৰিলক্ষিত হোৱা দেখা নাই বেংক কৰ্তৃপক্ষই। বেংকটোৰ বৰ্তমানৰ পৰিচালকে প্ৰয়োজনীয় কৰ্মচাৰীৰ অভাৱৰ বাবেই বেংকটোত অচলাৱস্থাৰ সৃষ্টি হোৱা বুলি ইতিমধ্যে স্বীকাৰো কৰিছে। আনহাতে, বেংকটোৰ উচ্চ কৰ্তৃপক্ষই বি এছ এন এলৰ কাৰিকৰী বিজুতিৰ বাবেহে গুৰুতৰ সমস্যাৰ সন্মুখীন হোৱা বিষয়ে অৱগত কৰে। ইতিমধ্যে বেংকটোৰ সন্মুখত প্ৰায়েই লিংক নাই বুলি এখন ফলক লগাই থোৱা ঘটনাই গ্ৰাহক ৰাইজৰ মাজত প্ৰতিক্ৰিয়াৰো সৃষ্টি হৈছে। স্থানীয় গ্ৰাহক ৰাইজে বেংকটোৰ অচলাৱস্থা শীঘ্ৰে দূৰ কৰাৰ দাবী তুলিছে।

## সদৌ অসম সন্মিলীত শিক্ষক মঞ্চৰ নগাঁও জিলা সমিতি গঠন

বিশেষ সংবাদদাতা

**নগাঁও, ৫ অক্টোবৰ ঃ** সদৌ অসম সন্মিলীত শিক্ষক মঞ্চৰ এখন গুৰুত্বপূৰ্ণ সভা নগাঁও চৰকাৰী মজলীয়া বিদ্যালয়ত কালি অনুষ্ঠিত হয়। নগাঁও জিলা চৰকাৰী বুনিয়াদী বিদ্যালয় শিক্ষক সন্থাৰ সভাপতি তুৰাৰাম বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত সভাত শিক্ষকসকলৰ বিভিন্ন সমস্যাৰ বিষয়ে আলোচনা কৰা হয়। সভাত নগাঁও জিলা উচ্চতৰ মাধ্যমিক শিক্ষক আৰু কৰ্মচাৰী সন্থা, নগাঁও জিলা চৰকাৰী বুনিয়াদী শিক্ষক সন্থা, নগাঁও মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনী, মধ্য ইংৰাজী বিদ্যালয় শিক্ষক সন্থা, নগাঁও জিলা কনিষ্ঠ মহাবিদ্যালয় শিক্ষক সন্থা, নগাঁও জিলা মজলীয়া বিদ্যালয় শিক্ষক সন্থা, ষ্টেটপুল শিক্ষক, নগাঁও সমিতিৰ সভাপতি আৰু সম্পাদকসকলে অংশগ্ৰহণ কৰে। সভাৰ সৰ্বসন্মতি সিদ্ধান্ত মৰ্মে তুৰাৰাম বৰুৱাক মুখ্য সভাপতি আৰু জিতেন চন্দ্ৰ হাজৰিকাক মুখ্য সম্পাদক হিচাপে লৈ সদৌ অসম সন্মিলনীত শিক্ষক মঞ্চৰ নগাঁও জিলা সমিতিখন গঠন কৰা হয়। সভাত পৰ্যবেক্ষক হিচাপে মঞ্চৰ ৰাজ্যিক সম্পাদক মণ্ডলী, সদস্য নৰেশ চন্দ্ৰ হাজৰিকাই অংশগ্ৰহণ কৰে।

## বি এইছ বি মহাবিদ্যালয়ত চুটি গল্প বিষয়ত বক্তৃতানুষ্ঠান

অগ্ৰদূত বাৰ্তা

**সৰুপেটা, ৫ অক্টোবৰ ঃ** সৰুপেটাৰ বি এইছ বি মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত যোৱা চাৰি অক্টোবৰত 'চুটিগল্পৰ নিৰ্মাণ আৰু কলাকৌশল' বিষয়ক এটি বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। অসমীয়া বিভাগৰ মুৰব্বী তথা সহযোগী অধ্যাপক ডঃ কল্পনা বৈশ্যৰ তত্ত্বাৱধানত অনুষ্ঠিত বক্তৃতানুষ্ঠানৰ আঁত ধৰে সহকাৰী অধ্যাপক ডঃ নমিতা দাসে। আদৰণি ভাষণ প্ৰদান কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ বিৰিঞ্চি কুমাৰ দাসে কয় যে আদিম অৱস্থাত মানুহে নিজৰ দিনটোৰ অভিজ্ঞতাৰ বিৱৰণ আনৰ আগত দিয়া কথাটোৰ পৰাই গল্পৰ ধাৰণা এটাৰ আৰম্ভ হৈছিল। এসময়ত গল্পকথনৰ এটা শক্তিশালী পৰম্পৰা পৃথিৱীৰ বিভিন্ন জাতিৰ মাজত আছিল আৰু ৰামায়ণ, মহাভাৰতৰ কাহিনীবোৰ এনে ধৰণৰ কথনৰ মাজেদিয়েই মানুহৰ মাজত বিয়পি পৰিছিল বুলি তেওঁ কয়। বক্তৃতানুষ্ঠানত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে বি এইছ বি মহাবিদ্যালয়ৰ প্ৰাক্তন শিক্ষাৰ্থী আৰু কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ডঃ অংকুমণি দাসে। অসমীয়া চুটিগল্পৰ ইতিহাসৰ ওপৰত আলোকপাত কৰি তেওঁ কয় যে জোনাকী যুগৰ পৰাই অসমীয়া সাহিত্যত অসমীয়া চুটিগল্পৰ বিকাশৰ প্ৰক্ৰিয়া চলি আহিছে। জোনাকী যুগৰ চুটিগল্পসমূহৰ যি ধৰণৰ কলা-কৌশল প্ৰয়োগ কৰা হৈছিল, সেয়া সাম্প্ৰতিক অসমীয়া চুটিগল্পৰ কলাকৌশলতকৈ বহুত বেলেগ আছিল। কেৱল কলা-কৌশল দিশতেই নহয়, গল্পৰ ভাষাৰ ক্ষেত্ৰতো যথেষ্ট পৰিৱৰ্তন লক্ষ্য কৰা গৈছে বুলি তেওঁ কয়। আনহাতে, ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ আৰবী বিভাগৰ সদ্য অৱসৰপ্ৰাপ্ত সহযোগী অধ্যাপক মজিবৰ ৰহমানৰ আকস্মিক বিয়োগত বি এইছ বি মহাবিদ্যালয়ৰ অধ্যক্ষ সমন্বিতে সমূহ শিক্ষক-শিক্ষয়িত্ৰীয়ে এক মিনিট মৌনতা অৱলম্বন কৰি শোক প্ৰকাশ কৰাৰ লগতে এটা শোক প্ৰস্তাৱ গ্ৰহণ কৰে।

## কমতাপুৰ স্বায়ত্তশাসিত পৰিষদত নাথ-যোগীৰ প্ৰতিনিধি অন্তৰ্ভুক্তিৰ দাবী

### ■ কোকৰাঝাৰত সদৌ অসম নাথ-যোগী ছাত্ৰ সন্থাৰ অনশন কাৰ্যসূচী

অগ্ৰদূত বাৰ্তা

**কোকৰাঝাৰ, ৫ অক্টোবৰ ঃ** সদৌ অসম নাথ-যোগী ছাত্ৰ সন্থাৰ উদ্যোগত কালি কোকৰাঝাৰ শিশু উদ্যানত অনশন কাৰ্যসূচী ৰূপায়ণ কৰা হয়। কোকৰাঝাৰ শিশু উদ্যানত অনুষ্ঠিত অনশন কাৰ্যসূচীত প্ৰবল বৰষুণকো নেওচি নাথ-যোগী ছাত্ৰ সন্থাৰ অৰ্ধশতাধিক কৰ্মী-সমৰ্থকে অংশগ্ৰহণ কৰে। অনশনকাৰীসকলে হাতে হাতে বেনাৰ, ফেষ্টুন, প্লেকাৰ্ড লৈ 'জনজাতিকৰণ আমাৰ নায্য দাবী, জনজতিকৰণ আমাক লাগিবই, কমতাপুৰ স্বায়ত্ত্বশাসিত পৰিষদত নাথ যোগীৰ প্ৰতিনিধি অন্তৰ্ভুক্ত কৰক' আদি শ্ল'গানেৰে অনশনথলী মুখৰিত কৰি তোলে। অনশনতলীত সদৌ অসম নাথ-যোগী ছাত্ৰ সন্থাৰ সম্পাদক অৰবিন্দ নাথে সংবাদ মাধ্যমৰ আগত কয় যে নাথ-যোগী জনগোষ্ঠীক জনজাতিকৰণ, নাথ-যোগী জনগোষ্ঠীৰ বাবে উপগ্ৰহীয় স্বায়ত্তশাসন, কমতাপুৰ স্বায়ত্তশাসিত পৰিষদত নাথ-যোগী জনগোষ্ঠীৰ প্ৰতিনিধিক অন্তৰ্ভুক্তিকৰণৰ দাবীত অনশন কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। দাবী পূৰণ নোহোৱালৈকে নাথ-যোগী জনগোষ্ঠী ক্ষান্ত নহয়। ৰাজ্যৰ উপ-নিৰ্বাচনৰ পূৰ্বে নাথ-যোগী ছাত্ৰ সন্থাৰ দাবীসমূহ পূৰণ কৰিবলৈ চৰকাৰৰ প্ৰতি আহ্বান জনাই ইয়াৰ অন্যথা গণতান্ত্ৰিকভাৱে প্ৰৱল আন্দোলন গঢ়ি তোলা হ'ব বুলি তেওঁ হুংকাৰ প্ৰদান কৰে। জনগোষ্ঠীটোক চৰকাৰে মাহী আইৰ চকুৰে চাইছে বুলি অভিযোগ কৰি কমতাপুৰ স্বায়ত্ত্বশাসিত পৰিষদৰ অন্তৰ্বৰ্তীকালীন পৰিষদত নাথ-যোগী জনগোষ্ঠীৰ প্ৰতিনিধি অন্তৰ্ভুক্তি কৰিবলৈ দাবী উত্থাপন কৰে। চৰকাৰৰ বাৰে বাৰে প্ৰৱঞ্চনা, প্ৰতাৰণা সহ্য কৰা নহ'ব বুলি মন্তব্য কৰি সৰ্বদিশতে বঞ্চিত, শোষিত অৱহেলিত জনগোষ্ঠীটোৰ উন্নয়নত চৰকাৰে গুৰুত্ব দিয়া নাই বুলি তেওঁ অভিযোগ কৰি জিলা উপায়ুক্তৰ জৰিয়তে দাবী সম্বলিত স্মাৰকপত্ৰ প্ৰেৰণ কৰে নাথ-যোগী ছাত্ৰ সন্থাই। উল্লেখ্য যে কালিৰ পৰা নাথ-যোগী ছাত্ৰ সন্থাই কোকৰাঝাৰত ৭২ ঘণ্টীয়া অনশন কাৰ্যসূচী গ্ৰহণ কৰিছিল যদিও প্ৰতিকূল বেয়া বতৰৰ বাবে অনশন কাৰ্যসূচী সাময়িকভাৱে স্থগিত ৰাখে।

## পিপলিবাৰীত চিত্ৰাংকন প্ৰতিযোগিতা

অগ্ৰদূত বাৰ্তা

**চামতা, ৫ অক্টোবৰ ঃ** মহামাৰীৰ বাবে স্কুল-কলেজ বন্ধ থকাৰ সময়তে পশ্চিম নলবাৰীৰ ক্ষেত্ৰী ধৰ্মপুৰত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত শৈক্ষিক মনোৰঞ্জন অনাৰ বাবে যোৱা চাৰি অক্টোবৰত ক্ষেত্ৰী ধৰ্মপুৰ আঞ্চলিক ছাত্ৰ সন্থাৰ অন্তৰ্গত পিপলিবাৰী শাখা ছাত্ৰ সন্থাৰ উদ্যোগত আঞ্চলিক ভিত্তিত চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। প্ৰতিযোগিতা দুটা শাখা অনুষ্ঠিত কৰা 'ক' শাখা চতুৰ্থৰ পৰা সপ্তম শ্ৰেণীলৈ আৰু 'খ' শাখা অষ্টমৰ পৰা দশম শ্ৰেণীলৈ অনুষ্ঠিত কৰে। প্ৰতিযোগিতাৰ 'ক' শাখাত প্ৰথম পুৰস্কাৰ লাভ কৰে প্ৰিয়ংকা হালৈ, দ্বিতীয় উজ্জ্বল প্ৰতীম তালুকদাৰ, তৃতীয় উদ্দীপ্ত কাশ্যপ, নিচুকনি বঁটা নিৰজাৰা তালুকদাৰে। ইপিনে, 'খ' শাখাত প্ৰথম শুভাংগিনী হালৈ, দ্বিতীয় দেৱাশীষ হালৈয়ে যোগ্যতা অৰ্জন কৰে। চিত্ৰাংকন প্ৰতিযোগিতা পৰিচালনা কৰে মনোজ কুমাৰ হালৈয়ে। বঁটা বিতৰণী অনুষ্ঠানত উপস্থিত থাকে পশ্চিম নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক প্ৰাণজিৎ ঠাকুৰীয়া, উপ-সভাপতি দেৱজিৎ শৰ্মা, মুখ্য সাংগঠনিক সম্পাদক ছাহিদুল আলম, পিপলীবাৰী শাখা ছাত্ৰ সন্থাৰ উপদেষ্টা বেদান্ত হালৈয়ে। অনুষ্ঠানৰ আঁত ধৰে পিপলিবাৰী শাখা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক ৰেজাউল ৰাহিদে।

## ঘগ্ৰাপাৰত পশু চিকিৎসা শিবিৰ সম্পন্ন

অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ৫ অক্টোবৰ ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত বাঘমাৰা গাঁৱৰত ঘগ্ৰাপাৰ পশু চিকিৎসালয়ৰ উদ্যোগত পশুৰ কৃমি নাশক দৰৱ বিতৰণ আৰু পশুধনৰ প্ৰজননজনিত ৰোগ আৰু ওহাৰফুলা ৰোগৰ প্ৰতিৰোধ আৰু চিকিৎসা সম্পৰ্কীয় এক শিবিৰ অনুষ্ঠিত হয়। শিবিৰত চিকিৎসা সেৱা আগবঢ়ায় ডাঃ অম্বিকা ডেকা, ডাঃ প্ৰতুল তালুকদাৰ, ক্ষেত্ৰ সহায়ক কমল দাস আৰু ৰুবুল আলীয়ে। শিবিৰত সহায় কৰে



বিভাগীয় কৰ্মচাৰী মহেন্দ্ৰ কলিতা আৰু হেমকান্ত বৈশ্যই। উক্ত শিবিৰত প্ৰায় দুশ পশু ধনৰ চিকিৎসা কৰাৰ লগতে প্ৰায় তিনিশ পশু ধনৰ বাবে কৃমিনাশক ঔষধ বিতৰণ কৰা হয়।

## ডবকাত বৃহৎ পৰিমাণৰ ড্ৰাগছসহ তিনি ড্ৰাগছ সৰবৰাহকাৰী আৰক্ষীৰ জালত

অগ্ৰদূত বাৰ্তা

**যমুনামুখ/হোজাই, ৫ অক্টোবৰ ঃ** হোজাই জিলাত ড্ৰাগছৰ বিৰুদ্ধে অভিযান তীব্ৰতৰ কৰি তুলিছে হোজাই আৰক্ষী প্ৰশাসনে। কালি হোজাই জিলাৰ ডবকা আৰক্ষীয়ে ঘাইপথত অভিযান চলাই বৃহৎ পৰিমাণৰ ব্ৰাউন ছুগাৰসহ তিনিজন যুৱকক গ্ৰেপ্তাৰ কৰে। ধৃত লোককেইজন ক্ৰমে যমুনামুখৰ ফয়জুল হক, মোৰাঝাৰ নিগমৰ ৰিয়াজ উদ্দিন আৰু যমুনামুখ বালিৰাম গাঁৱৰ আজহাৰ উদ্দিন। তিনি ড্ৰাগছ সৰবৰাহকাৰীৰ পৰা আৰক্ষীয়ে এ এছ-০১ এ এইছ-০৮৫৪ নম্বৰৰ এখন অল্ট' বাহন জব্দ কৰে। পাঁচটা চাবোনৰ বাকচত ড্ৰাগছখিনি লৈ আহিছিল সৰবৰাহকাৰীকেইজনে। ডবকা ৫৪ নম্বৰ ঘাইপথ গনিপুৰ বাইপাছৰ পৰা গ্ৰেপ্তাৰ কৰে তিনিওকে। কিছুদিন পূৰ্বে একেটা স্থানৰ পৰা আৰক্ষীয়ে দুজন লোকক গ্ৰেপ্তাৰ কৰি জেল হাজোতলৈ প্ৰেৰণ কৰিছিল।

## জামুগুৰিহাটত জিলা ছাত্ৰ সন্থাৰ 'কৰ্মী সভা'

অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ৫ অক্টোবৰ ঃ** সদৌ জামুগুৰি ছাত্ৰ সন্থাৰ উদ্যোগত যোৱা তিনি অক্টোবৰত বৃহত্তৰ জামুগুৰি অঞ্চলৰ বিভিন্ন অনুষ্ঠানৰ প্ৰতিনিধি প্ৰাক্তন ছাত্ৰকৰ্মী আৰু বিশিষ্ট নাগৰিকসকলৰ উপস্থিতিত এখন বিশেষ সভা অনুষ্ঠিত হয়। সদৌ জামুগুৰি ছাত্ৰ সন্থাৰ সভাপতি ধূৰ্য্যত গোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ আঁত ধৰে সম্পাদক উদ্দীপ্ত কাশ্যপে। সভাই অহা ন অক্টোবৰত সদৌ শোণিতপুৰ জিলা ছাত্ৰ সন্থাৰ কৰ্মী সভাখন অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰি ইয়াৰ বাবে বিভিন্ন পৰ্যায়ৰ অতিথি আৰু কাৰ্যসূচী সন্দৰ্ভত আলোচনা কৰি সিদ্ধান্ত গ্ৰহণ কৰে। সভাত অংশগ্ৰহণ কৰি সদৌ শোণিতপুৰ জিলা ছাত্ৰ সন্থাৰ সভাপতি অভিজিৎ নাথে কয় যে আগন্তুক দিনত ছাত্ৰ সন্থাৰ সাংগঠনিক ভেটি অধিক সুদৃঢ় কৰাৰ স্বাৰ্থত কৰ্মী সভাখন সফল ৰূপায়ণ কৰিব লাগিব। ইতিমধ্যে ইয়াৰ যাৱতীয় প্ৰস্তুতি আৰম্ভ হৈছে। জামুগুৰি ৰাইজৰ অভিভাৱকত্বত আমি কৰ্মীসভাখন সুচাৰুৰূপে চলাই নিব বিচাৰিছো। জাতিটোৰ ভৱিষ্যত আজি অন্ধকাৰৰ দিশে গতি কৰিছে। এই সময়ত ছাত্ৰ সন্থাৰ সংগঠন অধিক শক্তিশালী কৰাৰ প্ৰয়োজন আহি পৰিছে। সদৌ জামুগুৰি ছাত্ৰ সন্থাৰ সভাপতি-সম্পাদকে প্ৰেৰণ কৰা এক বিবৃতিত উল্লেখ কৰা মতে, সদৌ শোণিতপুৰ জিলা ছাত্ৰ সন্থাৰ কৰ্মী সভাখনত সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যৰ লগতে সভাপতি দীপাংক কুমাৰ নাথ আৰু সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাই অংশগ্ৰহণ কৰিব। ইয়াৰ উপৰি জিলাৰ এখন মহকুমা ছাত্ৰ সন্থাৰ লগতে ১০খনকৈ আঞ্চলিক ছাত্ৰ সন্থাৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব। জিলা ছাত্ৰ সন্থাৰ কৰ্মী সভাৰ কাৰ্যসূচী অনুসৰি সদৌ অসম পতাকা উত্তোলন আৰু ছহিদ তৰ্পণ অনুষ্ঠান কেন্দ্ৰীয় ছহিদ বেদী প্ৰাংগণত অনুষিত হ'ব। কৰ্মীসভাৰ মূল কাৰ্যসূচীসমূহ জামুগুৰিহাটৰ বাপুজী ভৱনত দিনজোৱাকৈ অনুষ্ঠিত হ'ব। কেন্দ্ৰীয় নেতৃত্বৰ লগতে জিলাখনৰ বিভিন্ন প্ৰান্তৰ প্ৰতিনিধিসকলক আদৰিবলৈ ইতিমধ্যে সদৌ জামুগুৰি ছাত্ৰ সন্থাৰ বিষয়ববীয়াসকলে সকলো ফালৰ পৰাই প্ৰস্তুত হোৱা বুলি বিবৃতিযোগে সদৌ জামুগুৰি ছাত্ৰ সন্থাৰ সভাপতি-সম্পাদকদ্বয়ে জানিবলৈ দিয়ে।

## জামুগুৰিহাটৰ মঙলবৰীয়া ঝৰ্ডানবস্তিত ঝুমুৰ নৃত্য প্ৰদৰ্শন

অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ৫ অক্টোবৰ ঃ** চাহ জনগোষ্ঠী লোকসকলৰ পৱিত্ৰ উৎসৱ কৰম পূজা। কৃষিভিত্তিক উৎসৱ হিচাপে জনা যায় কৰম উৎসৱক। সেই উদ্দেশ্যে শোণিতপুৰ জিলা জামুগুৰিহাটৰ মঙলবৰীয়া ঝৰ্ডানবস্তি খেলপথাৰ প্ৰাংগণত চাহ জনগোষ্ঠীসকলৰ পৱিত্ৰ উৎসৱ কৰম পূজা উপলক্ষে যোৱা চাৰি অক্টোবৰত মুকলি ঝুমুৰ নৃত্যৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰে। প্ৰতিযোগিতাত প্ৰতিবছৰে বিভিন্ন প্ৰান্তৰ পৰা বহুকেইটা



ঝুমুৰ দল আহি অংশগ্ৰহণ কৰি নিজৰ পৰম্পৰা ৰক্ষা কৰে। প্ৰতিযোগিতাত অংশগ্ৰহণকাৰী দলসমূহক শ্ৰেষ্ঠতাৰ ভিত্তিত আকৰ্ষণীয় বঁটা প্ৰদান কৰা হয়। অনুষ্ঠানত উপস্থিত থাকে ধলাইবিলৰ পেৰিচৰ ফাডাৰ স্বেৰবাস্তিয়াম তপ্ন, উত্তৰ মূঢ়াদল গাঁও পঞ্চায়তৰ সভাপতি দীপক নেৱাৰ, দলীয় জ্যেষ্ঠ কৰ্মী প্ৰবীণ দাস, ৱাৰ্ড সদস্যা চৰিতা কুজুৰ, গাঁওৰক্ষী বাহিনী ৰঘু বৰাৰ লগতে বহুকেইজন ব্যক্তি।

## ■ দৰংগাজুলি ব্লক বিপিএফ কৰ্মী সভা নতুন সমিতি গঠন

# প্ৰমোদ বড়োৰ কাৰ্যকালত বিটিচিত উন্নয়ন স্তব্ধ হৈছে ঃ কছাৰী

অগ্ৰদূত বাৰ্তা

**তামুলপুৰ, ৫ অক্টোবৰ ঃ** ৰাজ্যৰ পাঁচটাকৈ সমষ্টিত উপ-নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ পাছতে বিভিন্ন ৰাজনৈতিক দলৰ মাজত নিৰ্বাচনী তৎপৰতা বৃদ্ধি পোৱাৰ সময়তে কালি তামুলপুৰ সমষ্টিৰ অন্তৰ্গত দৰংগাজুলি ব্লক বিপিএফৰ এখন কৰ্মী সভা অনুষ্ঠিত হয়। দৰংগাজুলি ব্লক বিপিএফৰ কাৰ্যকৰী সভাপতি ফকৰউদ্দিন আলী আহমেদৰ সভাপতিত্বত কুমাৰীকাটাত অনুষ্ঠিত কৰ্মী সভাত অংশগ্ৰহণ কৰি বিপিএফৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি তথা বিটিচিৰ প্ৰাক্তন কাৰ্যনিৰ্বাহক সদস্য গণেশ কছাৰীয়ে দলীয় কৰ্মীসকলক উদ্দেশি কয়, 'বিটিচিত হাগ্ৰামা মহিলাৰী নেতৃত্বাধীন বিপিএফৰ দুৰ্গ এতিয়াও অক্ষত আছে। বিগত বিটিচি নিৰ্বাচনত সম্পূৰ্ণ অসাংবিধানিক ভাৱে ইউপিপিএল, বিজেপি, জিএছপয়ে বিটিচিত চৰকাৰ গঠন কৰিছিল। আপোনালোকে আমাৰ দলৰ স্থিতি শংকিত নহ'ব, কিয়নো চাৰি বছৰ পাছত হাগ্ৰামা মহিলাৰী পুনৰ বিটিচিৰ চীফ হ'ব।' দলীয় কৰ্মীসকল অধৈৰ্য হ'ব নালাগে বুলি কছাৰীয়ে পুনৰ কয়, 'একমাত্ৰ নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবে বিপিএফ দল ত্যাগ কৰি ৰাজ্যসভাৰ সাংসদ বিশ্বজিৎ দৈমাৰী, তামুলপুৰ সমষ্টিৰ বিপিএফৰ প্ৰাক্তন বিধায়ক ইমানুৱেল মোছাহাৰী আৰু দৰংগাজুলি পৰিষদীয় সমষ্টিৰ এমচিএলএ বিজিত গৌড়া নাৰ্জাৰীয়ে বিজেপিত যোগদান কৰিছিল। তাৰ পাছতো বিটিচিত বিপিএফৰ ভেটি মজবুত হৈ আছে। তাৰ জ্বলন্ত উদাহৰণ বিগত নিৰ্বাচনত তামুলপুৰ সমষ্টিৰ প্ৰাৰ্থীজনক অপহৰণ কৰি নিয়াৰ পাছতো প্ৰাৰ্থী নোহোৱাকৈ আমাৰ দলে ৪৭ হেজাৰতকৈ অধিক ভোট লাভ কৰিবলৈ সক্ষম হৈছিল।' ভাষণ প্ৰসংগত বিপিএফৰ উপ-সভাপতি কছাৰীয়ে কয়, 'প্ৰমোদ বড়োৰ কাৰ্যকালত বিটিচিত উন্নয়ন স্তব্ধ হৈছে। বিটিচিত হাগ্ৰামা মহিলাৰীয়ে বনোৱা ৰাস্তাৰে ঘূৰি ফুৰা প্ৰমোদ বড়োই হাগ্ৰামা একো কৰা নাই বুলি গাই ফুৰিছে।' উপ-নিৰ্বাচনত তামুলপুৰ সমষ্টিত বিপিএফে প্ৰাৰ্থিত্ব দিয়া নিদিয়াক লৈ আজি ওদালগুৰি জিলাৰ ৰৌতাত অনুষ্ঠিত হ'ব লগা দলৰ কেন্দ্ৰীয় কাৰ্যকৰী সমিতিৰ বৈঠকত চূড়ান্ত হ'ব বুলিও তেওঁ মন্তব্য কৰে। সভাত বিপিএফৰ জ্যেষ্ঠ নেতা হিতেশ বসুমতাৰী, কেন্দ্ৰীয় যুৱ বিপিএফৰ সাধাৰণ সম্পাদক শৰৎ ডেকায়ো দলীয় কৰ্মীক উদ্দেশি বক্তব্য আগবঢ়ায়। দৰংগাজুলি ব্লক বিপিএফৰ সম্পাদক কমল উজিৰ, তামুলপুৰ জিলা বিপিএফৰ সাধাৰণ সম্পাদক উপেন বসুমতাৰী, বিপিএফ নেতা ধ্ৰুজেন নাৰ্জাৰী, চন্দ্ৰ কলা ব্ৰহ্মৰ লগতে প্ৰায় দুই শতাধিক বিপিএফ কৰ্মী উপস্থিত থকা সভাতেই ফকৰউদ্দিন আলী আহমেদক সভাপতি, বিল্লেশ্বৰ ব্ৰহ্মক কাৰ্যকৰী সভাপতি, কমল উজিৰক সাধাৰণ সম্পাদক হিচাপে লৈ দৰংগাজুৰী ব্লক বিপিএফৰ সমিতি গঠন কৰাৰ লগতে স্নেহলতা বসুমতাৰী সভানেত্ৰী, ৰুমীদাস দৈমাৰীক সম্পাদিকা হিচাপে দৰংগাজুলি মহিলা মৰ্চাখন গঠন কৰা হয়।

■ শিক্ষা বিভাগত অধিক অভিযান চলিব ■ দৰং মহাবিদ্যালয়ক স্বতন্ত্ৰ নতুবা বিশ্ববিদ্যালয়লৈ উন্নীত কৰাৰ পৰিকল্পনা ■ বন আইন অনুসৰি দিয়া হ'ব ভূমিপট্টা

# ৭০ বছৰত শ্ৰেষ্ঠ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ঃ শিক্ষামন্ত্ৰী পেগু

**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ৫ অক্টোবৰ ঃ** 'কেৱল টে'ট শিক্ষকেই নহয় শিক্ষা বিভাগৰ ভুৱা প্ৰমাণপত্ৰৰে নিযুক্তি লাভ কৰা যিকোনো কৰ্মচাৰীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা ল'ব চৰকাৰে।' তেজপুৰত আজি এইদৰে কয় ৰাজ্য চৰকাৰৰ শিক্ষামন্ত্ৰী ৰণোজ পেগুৱে। তেওঁ এই সন্দৰ্ভত আৰু কয় যে ৰাজ্যৰ শিক্ষা বিভাগত ভুৱা নিযুক্তিপ্ৰাপ্ত টে'ট শিক্ষকৰ উপৰিও বিভাগটোক দুৰ্নীতিমুক্ত কৰাৰ বাবে পদক্ষেপ লোৱা হ'ব। কেৱল টে'ট শিক্ষকেই নহয়, বিভাগটোৰে যিকোনো জালিয়াতিৰ ক্ষেত্ৰত একেই ব্যৱস্থা গ্ৰহণ কৰা হ'ব। তেজপুৰস্থিত শোণিতপুৰৰ উপায়ুক্তৰ কাৰ্যালয়ৰ সভা কক্ষত আজি পুৱা ১০ বজাৰ পৰা অনুষ্ঠিত এখন সভাত অংশ লোৱাৰ পাছত সংবাদ মাধ্যমৰ আগত শিক্ষামন্ত্ৰীজনে এই মন্তব্য কৰে। তেওঁ অক্টোবৰৰ পৰা ৰাজ্যৰ বিদ্যালয়সমূহত শ্ৰেণী আৰম্ভ কৰাৰ বাবে জাৰি কৰা নিৰ্দেশনা সন্দৰ্ভত কয় যে এয়া শিক্ষা বিভাগৰ নিজা সিদ্ধান্ত নহয়। ক'ভিড পৰিস্থিতি নিৰীক্ষণ কৰি থকা ভাৰতীয় চিকিৎসা গৱেষণা কেন্দ্ৰৰ কথা মতেহে বিদ্যালয়সমূহ খোলাৰ বাবে সিদ্ধান্ত লোৱা হৈছে আৰু সেই মতে অহা ১৯ অক্টোবৰৰ পৰা একাদশ শ্ৰেণীৰ লগতে নিম্ন শ্ৰেণীৰ পাঠদানো আৰম্ভ হ'ব বুলি কয়। মন্ত্ৰী পেগুৱে ৰাজ্যৰ সকলো হাইস্কুল উচ্চতৰ মাধ্যমিকলৈ উন্নীত কৰা হ'ব বুলি উল্লেখ কৰি কয় যে বৰ্তমান ৰাজ্যৰ প্ৰায় দুশ উচ্চ মাধ্যমিক বিদ্যালয়ক তাৎক্ষণিকভাৱে উচ্চতৰ মাধ্যমিকলৈ উন্নীত কৰা হৈছে। উল্লেখ্য যে আজি শোণিতপুৰৰ উপায়ুক্তৰ সন্মিলন কক্ষত ২০০৬ৰ বন অধিকাৰ সুৰক্ষা আইন অনুসৰি খিলঞ্জীয়া লোকসকলক ভূমিপট্টা প্ৰদানৰ বিষয়ে পৰ্যালোচনা কৰা হয়। সভাত শোণিতপুৰৰ লগতে গোলাঘাট আৰু বিশ্বনাথৰ উপায়ুক্তৰ লগতে বন বিভাগৰ উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে। এই সন্দৰ্ভত মন্ত্ৰীজনে কয় যে বৰ্তমান দেশত ভূমিহীন দৰিদ্ৰ ভাৰতীয় নাগৰিকক ভূমি প্ৰদানৰ বাবে বসুন্ধৰা আঁচনি আৰম্ভ কৰা হৈছে। ৰাজ্যত ইয়াৰ কাম আৰম্ভ হোৱাৰ সমান্তৰালভাৱে বন আইন অনুসৰি বনবাসীসকলকো তেওঁলোকৰ অধিকাৰ দিয়াটো আৱশ্যক। ২০০৬ৰ বন আইন অনুসৰি বনাঞ্চলত বাস কৰা দৰিদ্ৰ ভাৰতীয় নাগৰিকক ভূমিপট্টা দিয়াৰ কাম ৰাজ্যত কিছু বাকী আছে আৰু সেয়ে শোণিতপুৰ, গোলাঘাট আৰু বিশ্বনাথৰ এই কামৰ পৰ্যালোচনা আজি কৰা হয় বুলি মন্ত্ৰী পেগুৱে জানিবলৈ দিয়ে। এই কাম খৰতকীয়া কৰাৰ নিৰ্দেশ দিয়া হৈছে বুলিও তেওঁ সদৰী কৰে। প্ৰকৃত ভাৰতীয় নাগৰিকক আইন অনুসৰি পট্টা দিয়াটো প্ৰথম কাম বুলি উল্লেখ কৰি তেওঁ আৰু কয় যে ইয়াৰ পাছতহে বনাঞ্চলত বেদখল কোনে কৰিছে সেয়া পৰীক্ষা কৰা হ'ব। এই সভাৰ পাছত মন্ত্ৰী পেগুৱে ৰাজ্যৰ এখন ঐতিহ্যমণ্ডিত মহাবিদ্যালয় দৰং কলেজত উপস্থিত হয়। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° জয়শংকৰ হাজৰিকাৰ স'তে মহাবিদ্যালয়খন দৰ্শন কৰি মন্ত্ৰী পেগুৱে মহাবিদ্যালয়খনৰ অধ্যাপক তথা কৰ্মচাৰীসকলৰ স'তে এক সভাত অংশ লয় আৰু এই সভাতে তেওঁ কয় যে দৰং মহাবিদ্যালয়ক এখন স্বতন্ত্ৰ মহাবিদ্যালয় বা বিশ্ববিদ্যালয়লৈ উন্নীত কৰাৰ বাবে চেষ্টা চলাব।

## তেজপুৰৰ দুই কিশোৰ ছাত্ৰই নিৰ্মাণ কৰিছে দশভুজাৰ মৃণ্ময় প্ৰতিমা

**অগ্ৰদূত বাৰ্তা**



**তেজপুৰ, ৫ অক্টোবৰ ঃ** তেজপুৰৰ অষ্টম শ্ৰেণীৰ ছাত্ৰই তেওঁৰ ভ্ৰাতৃ আৰু ভগ্নীৰ সহযোগত নিৰ্মাণ কৰিছে দশভুজাৰ মৃণ্ময় প্ৰতিমা। উল্লেখ্য যে তেজপৰৰ মিলনপুৰ নিবাসী পল্লৱ শইকীয়া আৰু অয়ন শহকীয়া নামৰ দুই কিশোৰ ছাত্ৰই নিজা বাসগৃহ চৌহদত দুৰ্গতিনাশিনীৰ মৃণ্ময় প্ৰতিমা নিৰ্মাণত ব্যস্ত হৈ পৰিছে। কৰ'না কালৰ এই ৰুদ্ধকৰ পৰিৱেশত নিজা বাসগৃহ চৌদহত আৱদ্ধ হৈ থকা দুই কিশোৰ যোৱা বছৰ এনে এক পৰিৱেশত কাগজৰে নিৰ্মাণ কৰিছিল সিংহবাহিনীৰ প্ৰতিমা। সমনীয়াৰ স'তে নিজা বাসগৃহতে পূজা অনুষ্ঠিত কৰি চৰ্চালৈ অহা দুই কিশোৰে এইবাৰ নিজহাতে দুৰ্গাৰ মৃণ্ময় প্ৰতিমা নিৰ্মাণৰ পৰিকল্পনা কৰে। সেই অনুসৰিয়েই সমীপৰ পথাৰৰ পৰা মাটি সংগ্ৰহ কৰি খেৰ আৰু বাঁহৰে নিৰ্মাণ কৰা দেৱী দুৰ্গাৰ লগতে গণেশ, কাৰ্তিক, লক্ষ্মী, সৰস্বতী তথা মহিষাসুৰ, সিংহ, হাঁহ, ফেঁচা আদিৰে পূৰ্ণ পৰ্যায়ৰ একাধিক মূৰ্তি সাজি উলিয়ায়। কনিষ্ঠা ভগ্নীৰ সহযোগিতাৰ কথা দোহাৰি দুই কিশোৰ ভ্ৰাতৃয়ে কয় যে বৰ্তমান এই মৃণ্ময় মূৰ্তিত তেওঁলোকে ৰং কৰাৰ লগতে বস্ত্ৰ পৰিধান কৰাব আগন্তুক দুদিনত। উল্লেখ্য যে ইয়াৰ লগে লগে তেওঁলোকে নিজহাতে গঢ়া এই প্ৰতিমাৰেই নিজা বাসগৃহ চৌহদৰ সমনীয়াৰ স'তে পালন কৰিব দুৰ্গা পূজা। এই পূজাও কৰিব তেওঁলোকে নিজেই। ইয়াৰ বাবে বৰ্তমান তেওঁলোকে প্ৰতিমাৰ কামৰ সমান্তৰালভাৱে মণ্ডপো নিৰ্মাণ কৰিছে।

■ বাসুগাঁৱত ব্যতিক্ৰমী ৰূপত দেৱী দুৰ্গা ■ মৃণ্ময় শিল্পী সঞ্জয় চন্দৰ হাতৰ পৰশত পাইছে প্ৰাণ

# মূল্যবৃদ্ধি-কৰ'না অতিমাৰীৰ দৃশ্যৰে দুৰ্গাৰ প্ৰতিমা

**অগ্ৰদূত বাৰ্তা**

**কাজলগাঁও, ৫ অক্টোবৰ ঃ** চিৰাঙৰ বাসুগাঁৱত ব্যতিক্ৰমী দুৰ্গা প্ৰতিমা সাজিলে মৃণ্ময় শিল্পী সঞ্জয় চন্দ্ৰই। মূল্যবৃদ্ধি, কৰ'না অতিমাৰীৰ দৃশ্য ফুটাই তুলিছে দুৰ্গা প্ৰতিমাৰ জৰিয়তে। মহিষাসুৰৰ ঠাইত কৰ'নাক স্থান দিছে শিল্পীজনে। বাসুগাঁও চাৰি নম্বৰ ৱাৰ্ডৰ বিবেকানন্দ পল্লীৰ শিল্পীজনে দিয়াচলাইৰ কাঠিৰে সজা দুৰ্গা দেৱীৰ প্ৰতিমাই এইবাৰ ঠাই পাব গুৱাহাটী মহানগৰীত। ইপিনে, বাসুগাঁও চহৰৰ বাবে সাজিলে মূল্যবৃদ্ধিৰ প্ৰতিচ্ছবিৰ দুৰ্গা প্ৰতিমা। য'ত ভাৰত মাতাৰ বেকগ্ৰাউণ্ড লৈ সজা প্ৰতিমাটো চাউল, দাইল, মটৰ মাহ, মিঠাতেল, আদিৰে মূল্যবৃদ্ধিৰ ছবি দাঙি ধৰাৰ লগতে কৰ'না স্থাপন কৰিব মহিষাসুৰৰ ঠাইত।

প্ৰতি বছৰে শিল্পী চন্দই ব্যতিক্ৰমী ৰূপত দুৰ্গাৰ প্ৰতিমা সাজে যদিও যোৱা বছৰ সজা নাছিল ক'ভিডৰ বাবে। এইবাৰ দুটা মাত্ৰ প্ৰতিমা সাজিছে। অসম তথা পশ্চিমবংগত বিগত বছৰসমূহত ব্যতিক্ৰমী ৰূপত দুৰ্গাৰ প্ৰতিমা সাজি যোগান ধৰিছিল শিল্পীজনে। ২০০৫ৰ পৰাই এই কামত ব্ৰতী হৈ আছে মৃণ্ময় শিল্পী চন্দ। প্ৰথম অৱস্থাত কিবা এটা কৰাৰ মানসিকতাৰে এই কামত হাত দিয়া চন্দ পেছাত এজন গাড়ীচালক। তেওঁৰ সৰু চাৰিচকীয়া বাহনখনেৰে ভাড়া মাৰি সংসাৰ চলাই যদিও সময় উলিয়াই পৰিয়ালৰ লোকক লগত লৈ ব্যতিক্ৰমী ৰূপত সাজি উলিয়ায় দেৱী দুৰ্গাৰ প্ৰতিমা। কোনো ধৰণৰ চৰকাৰী সহায়-সহযোগিতা নোহোৱাকৈ নিজাববীয়াকৈ যোৱা ২০০৫ৰ পৰাই জড়িত বুলি জনায় মৃণ্ময় শিল্পী চন্দই।



## বৰপেটাৰ সমাজকৰ্মী আব্দুছ ছালামৰ মৃত্যুত শোক



**অগ্ৰদূত বাৰ্তা**

**আলোপতি, ৫ অক্টোবৰ ঃ** বৰপেটা জিলাৰ আলোপতি আৰক্ষী থানাৰ অন্তৰ্গত মাজৰচৰ গাঁৱৰ সমাজকৰ্মী আব্দুছ ছালামৰ আকস্মিক মৃত্যুত শোকস্তব্ধ হৈ পৰিছে পৰিয়ালৰ লগতে অঞ্চলবাসী। ছালাম কালি হঠাৎ অসুস্থ হৈ পৰাত পৰিয়ালৰ লোকে স্থানীয় চিকিৎসালয়ত ভৰ্তি কৰায় যদিও চিকিৎসকে উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ প্ৰেৰণ কৰে। চিকিৎসাধীন অৱস্থাতে আজি পুৱাই তেওঁৰ মৃত্যু হয়। সমাজকৰ্মী ছালামৰ মৃত্যুৰ বাতৰি পোৱাৰ লগে লগে শোকস্তব্ধ হৈ পৰে অঞ্চলবাসী। অঞ্চলটোৰ প্ৰতিটো উন্নয়নমূলক কামৰ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত ছালাম এজন ৰাজনৈতিক সচেতন ব্যক্তি আছিল। আজি সন্ধিয়া সহস্ৰাধিক গুণমুগ্ধৰ উপস্থিতিত বাসগৃহত তেওঁৰ জানাজা সম্পন্ন কৰা হয়।

## বইটামাৰীত চিলনী চোৰে মহিলাৰ ডিঙিৰ পৰা কাঢ়ি নিলে সোণৰ হাৰ

**অগ্ৰদূত বাৰ্তা**

**বহলপুৰ, ৫ অক্টোবৰ ঃ** আজি বিয়লি ২.৪৫ মান বজাত বইটামাৰীৰ ৰঘুনন্দনপুৰ গাঁৱৰ প্ৰয়াত গণেশ বৰ্মনৰ পত্নী চিনতী বৰ্মনৰ ডিঙিৰ পৰা অচিনাক্ত মটৰ চাইকেল আৰোহীয়ে এডাল সোণৰ হাৰ ডিঙিৰ পৰা কাঢ়ি লৈ যায়। ঘটনা সংক্ৰান্তত মহিলাগৰাকীয়ে বইটামাৰী আৰক্ষী চকীত দাখিল কৰা এজাহাৰত প্ৰকাশ যে মহিলাগৰাকীয়ে বইটামাৰীত বিয়লিৰ ভাগত বজাৰ সমাৰ কৰি লগৰীয়া এগৰাকী মহিলাৰ স'তে ৰঘুনন্দনপুৰ গাঁৱৰ গৃহাভিমুখে আহি আছিল। তেওঁলোকে বইটামাৰী শংকৰদেৱ শিশু বিদ্যা নিকেতন পোৱাৰ ঠিক আগে আগে পিছপিনেৰে আহি থকা দুজন মটৰচাইকেল আৰোহীৰ এজনে চিনতী বৰ্মনৰ ডিঙিৰ পৰা সোণৰ হাৰডাল টানি লৈ তীব্ৰ গতিত ৰঘুনন্দনপুৰ দুৰ্গা মন্দিৰ অভিমুখে উধাও হয়। মহিলা দুগৰাকীয়ে চিঞৰ বাখৰ কৰা সত্ত্বেও কোনো লোকে লোক দুজনক আটক কৰিবলৈ সক্ষম নহ'ল। এজাহাৰত উল্লেখ কৰা মতে, চুৰি হোৱা সোণৰ হাৰডালৰ মূল্য প্ৰায় ৪৫ হেজাৰ টকা হ'ব।

# মাটিয়া-শিমলীতোলাৰ পি এম জি এছ ৱাইৰ পথ নিৰ্মাণত অনিয়ম

■ কৰ্তৃপক্ষই চকু মুদা কুলিৰ ভাও লোৱাৰ অভিযোগ

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ৫ অক্টোবৰ ঃ** গোৱালপাৰা পূব সমষ্টিৰ তথা লোক নিৰ্মাণ বিভাগৰ দুধনৈ আৰু গোৱালপাৰা পূব ক্ষেত্ৰীয় পথ সংমণ্ডলৰ অধীনস্থ মাটিয়াৰ পৰা শিমলীতোলালৈ যোৱা পথ নিৰ্মাণৰ নামত ব্যাপক দুৰ্নীতি সংঘটিত হোৱা বুলি ৰাজহুৱা অভিযোগ উত্থাপিত হৈছে। উল্লেখ্য যে ১২.২০ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথটো ৫.৫ মিটাৰ বহলকৈ নিৰ্মাণ কৰাৰ বাবে প্ৰধানমন্ত্ৰী গ্ৰামসড়ক যোজনাৰ ২০২০-২১ৰ ১০ কোটি ৭৫ লাখ ৪৮ হেজাৰ টকা আবণ্টন দিয়া হৈছে। লগতে পাঁচ বছৰৰ মেৰামতিৰ নামতো এক কোটি ১৪ লাখ ৪৮ হেজাৰ টকা ধাৰ্য কৰা হৈছে। ইতিমধ্যে যোৱা ছয় জুনৰ পৰা পথটোৰ নিৰ্মাণ কাৰ্য আৰম্ভ কৰা হৈছে। কিন্তু নিৰ্মাণৰ আৰম্ভণিৰে পৰাই প্ৰাক্কলনক বিসৰ্জন দি দায়িত্বৰত জয়ন্তী কন্ট্ৰাক্টৰছ এণ্ড ইঞ্জিনীয়াৰ লিমিটেড নামৰ ঠিকাদাৰ গোষ্ঠীয়ে নিম্নমানৰ কাম কৰা বুলি ৰাজহুৱা অভিযোগ উত্থাপিত হৈ আহিছে।



অভিযোগ মতে, উচ্চতম ন্যায়ালয়ে অবৈধ ঘোষণা কৰা নিম্নমানৰ বাংলা ভাটাৰ ইটাৰে কালভাৰ্টসমূহৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰিছে। ইপিনে, নিম্নমানৰ মাটি মিহলি কৰা ছেণ্ডগ্ৰেভেল আৰু চীপছ ব্যৱহাৰ কৰাৰ উপৰি সিধাবাৰী বজাৰৰ সমীপত নিৰ্মাণ কৰি নলাৰ ক্ষেত্ৰতো নিম্নমানৰ ৰোড ব্যৱহাৰ কৰা বুলি গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। উল্লেখ্য যে নিয়ম বহিৰ্ভুতভাৱে নিৰ্মাণ কাৰ্য কৰা বুলি স্থানীয় সচেতন মহলে বাৰে বাৰে অৱগত কৰি আহিছে যদিও বিভাগীয় কৰ্তৃপক্ষই চকু মুদা কুলিৰ ভাও লোৱা বুলি ৰাইজৰ মাজত সৰৱ চৰ্চা চলিছে। এই ক্ষেত্ৰত উচ্চ পৰ্যায়ৰ তদন্তৰ জৰিয়তে বিহিত ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে সচেতন মহলে।

## বৰপেটাৰ কাটাঝাৰ চ'কত চোৰৰ চাফাই অভিযান

**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ৫ অক্টোবৰ ঃ** বৰপেটাৰ কাটাঝাৰ চ'কত যোৱা নিশা চোৰে চলালে চাফাই অভিযান। নিশা প্ৰচণ্ড বৰষুণৰ সুযোগ লৈ প্ৰায় ১৫খন দোকানৰ তলা ভাঙি লুটপাত চলায় চোৰে। দোকানৰ পৰা বহু হেজাৰ টকা নগদ ধনৰ উপৰিও ষ্টেচনাৰী, গেলামালকে ধৰি বিভিন্ন সামগ্ৰী লুট কৰি নিয়াৰ কথা সদৰী কৰে ব্যৱসায়ীসকলে। পুৱাই দোকান খুলিবলৈ আহি চোৰে তাণ্ডৱ চলোৱাৰ কথা গম পায় ব্যৱসায়ী সকলে। তাৰ পাছতে স্থানীয় বৰপেটাৰোড আৰক্ষীক খবৰ দিয়াত আৰক্ষী বাহিনী ঘটনাস্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰে। উল্লেখ্য যে দীৰ্ঘদিন ধৰি অঞ্চলটোত জুৱা মদকে ধৰি বিভিন্ন অসামাজিক কাৰ্যকলাপ চলি থকাৰ বাবেই এনে ঘটনা সংঘটিত হোৱাৰ সন্দেহ প্ৰকাশ কৰিছে।

## গোৰ্খা সন্মিলনৰ জিলা সভাপতি প্ৰকাশ ছেত্ৰীৰ অকাল বিয়োগ

**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ৫ অক্টোবৰ ঃ** সদৌ অসম নেপালী ছাত্ৰ সন্থা তথা বৰ্তমানৰ আগছুৰ অবিভক্ত দৰং জিলাৰ ১৯৮৫ৰ সাধাৰণ সম্পাদক, বৰ্তমান অসম গোৰ্খা সন্মিলনৰ শোণিতপুৰৰ সভাপতি, তেজপুৰ নিবাসী প্ৰকাশ ছেত্ৰী (৫৩)ৰ আজি দিনৰ ১১-৪০ বজাত অকাল বিয়োগ ঘটা বাতৰিয়ে অঞ্চলত শোকৰ ছাঁ পেলাইছে। এজন সৰবৰহী আৰু সকলো শ্ৰেণীৰ ৰাইজৰ মাজত জনপ্ৰিয় ছেত্ৰী যোৱা কিছুদিন ধৰি দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ আছিল। উল্লেখ্য যে তেজপুৰৰ জীয়াভৰলী নৈৰ সমীপৰ টেঙাসুঁতি অঞ্চলত জন্মগ্ৰহণ কৰা ছেত্ৰী এজন মেধাবী ছাত্ৰ আছিল। তেওঁ স্নাতক পাঠ্যক্ৰম সমাপ্ত কৰি পাঁচমাইলত চিৰুৱানী চাপৰি মধ্য ইংৰাজী বিদ্যালয় স্থাপন কৰি প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক হিচাপে কিছুদিন কাৰ্যনিৰ্বাহ কৰিছিল। জীয়াভৰলীৰ সংহাৰী খহনীয়াত আক্ৰান্ত হোৱাত ছেত্ৰীৰ পৰিয়াল প্ৰায় ২৫ বছৰ পূৰ্বে বৰ্তমানৰ চাৰিমাইল অঞ্চললৈ উঠি আহি ইয়াতে স্থায়ীভাৱে বাস কৰিবলৈ লয়। স্থানীয় সামাজিক, সাংস্কৃতিক সকলো অনুষ্ঠানৰ স'তে জড়িত হৈ এই ক্ষেত্ৰত অগ্ৰণী ভূমিকা পালন কৰি অহা ছেত্ৰী ১৯৮৮ত সদৌ অসম নেপালী ছাত্ৰ সন্থাৰ শোণিতপুৰ জিলাৰ সভাপতি হিচাপে নিৰ্বাচিত হয়। পৰৱৰ্তী সময়ত অসম গোৰ্খা সন্মিলনৰে জড়িত হৈ পৰা এইগৰাকী সুদক্ষ সংগঠক ২০১৪-১৫ত সংগঠনটোৰ শোণিতপুৰ জিলা সমিতিৰ সভাপতি নিৰ্বাচিত হয়। মৃত্যুৰ সময়লৈকে প্ৰায় ছয় বছৰ কাল তেওঁ এই দায়িত্বতে আছিল। নিজকে সমাজৰ প্ৰতি দায়বদ্ধতাৰে উৎসৰ্গা কৰা এইজন ব্যক্তিয়ে বিভিন্ন জাতি-জনগোষ্ঠী তথা ধৰ্মৰ লোকৰ স'তে যি আন্তৰিকতাপূৰ্ণ সম্পৰ্ক গঢ়ি তুলিবলৈ সক্ষম হৈছিল সেয়া সাম্প্ৰতিক সময়ত এক বিৰল দৃষ্টান্ত বুলি আজি তেওঁৰ গুণমুগ্ধসকলে মন্তব্য কৰিছে। উল্লেখ্য যে সামাজিক কাম কাজৰে সক্ৰিয়ভাৱে ব্যস্ত থকাৰ সময়তে প্ৰায় এবছৰ পূৰ্বে তেওঁৰ শৰীৰত দুৰাৰোগ্য ৰোগ ধৰা পৰে আৰু তেওঁ চিকিৎসা গ্ৰহণ কৰে যদিও স্বাস্থ্যৰ দ্ৰুত অৱনতি ঘটে। কালিৰ পৰা তেওঁৰ শাৰীৰিক অৱস্থাৰ অধিক অৱনতি ঘটাত তেওঁক আজি পুৱা তেজপুৰৰ ব্যাপ্তিষ্ট মিছন হাস্পতালত ভৰ্তি কৰা হয় যদিও তেওঁৰ আজি দিনত বিয়োগ ঘটে। দুপৰীয়া তেওঁৰ নশ্বৰ দেহ চাৰিমাইলৰ বাসগৃহলৈ অনাৰ সময়ত বহুসংখ্যক লোকে তেওঁৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনায়।

## দুৰ্ধৰ্ষ অপৰাধী আব্দুল হান্নানৰ গুলিচালনাৰ ঘটনাৰ তদন্ত ঘোষণা

**অগ্ৰদূত ব্যুৰ'**

**বঙাইগাঁও, ৫ অক্টোবৰ ঃ** যোৱা ১৯ জুলাইত দুৰ্ধৰ্ষ অপৰাধী আব্দুল হান্নান আলী ওৰফে বাবলুক আৰক্ষীৰ জিম্মাৰ পৰা পলায়নৰ চেষ্টা কৰোতে আৰক্ষীয়ে অপৰাধীজনক কি পৰিস্থিতিত গুলীয়াবলগীয়া হৈছিল সেই সম্পৰ্কে বঙাইগাঁও জিলাৰ উপায়ুক্ত ডাঃ এম এচ লক্ষ্মী প্ৰিয়াই তদন্ত ঘোষণা কৰিছে। এই ঘটনা সন্দৰ্ভত বঙাইগাঁও আৰক্ষী থানাত ভাৰতীয় দণ্ডবিধিৰ অধীনত এটা গোচৰ ৰুজু কৰা হৈছে।

বঙাইগাঁও জিলাৰ আৰক্ষী অধীক্ষকে এই ঘটনা সন্দৰ্ভত জনোৱা তথ্য অনুসৰি যি পৰিস্থিতিত অপৰাধী আব্দুল হান্নান আলীক আৰক্ষীৰ জিম্মাৰ পৰা পলাবলৈ চেষ্টা কৰোতে গুলীয়াব লগা হৈছিল যাৰ ফলস্বৰূপে আঘাতপ্ৰাপ্ত হৈছিল, সেই সম্পৰ্কে উপায়ুক্তই অতিৰিক্ত জিলা দণ্ডাধীশ নবজ্যোতি ওজাক তদন্তৰ দায়িত্ব দিছে। কি পৰিস্থিতিত আৰক্ষীৰ লোকে হান্নানক গুলীয়াবলগা হৈছিল অতিৰিক্ত জিলা দণ্ডাধীশে তদন্ত কৰি জিলা দণ্ডাধীশক প্ৰতিবেদন দাখিল কৰিব।

## বৰছলাৰ তেলিয়াগাঁৱত অজগৰ উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**

**ঠেলামৰা, ৫ অক্টোবৰ ঃ** শোণিতপুৰ জিলাৰ বৰছলাৰ তেলিয়াগাঁৱত প্ৰায় ন ফুট দৈৰ্ঘ্যৰ এডাল অজগৰ সাপ উদ্ধাৰ হয়। গাঁওখনৰ এঘৰ মানুহৰ ঘৰত থকা এজোপা মধুৰিআম গছত অজগৰডাল উঠি থকা স্থানীয় ৰাইজে প্ৰত্যক্ষ কৰে। পাছত স্থানীয় লোকসকলে তেজপুৰ সদৰ বন বিভাগক অৱগত কৰাৰ লগতে ঠেলামৰাৰ আৰক্ষীক অৱগত কৰে। এই বিষয়ে বন বিভাগে সাপডাল উদ্ধাৰ কৰিবলৈ অসম চৰকাৰৰ স্বীকৃতিপ্ৰাপ্ত, সৰ্প বিশেষজ্ঞ, সৰ্পবান্ধৱ খ্যাত সৌৰভ বৰকটকীক জনোৱাত সৰ্পবান্ধৱ টিমৰ সদস্যৰ লগতে বনকৰ্মীক লগত লৈ সেই স্থানত উপস্থিত হৈ উদ্ধাৰ কৰে। অজগৰডাল উদ্ধাৰ হোৱাৰ পাছত সৰ্প বান্ধৱ সৌৰভ বৰকটকীয়ে গাঁওখনৰ ৰাইজৰ মাজত সৰ্পৰ বিষয়ে কিছু সজাগতামূলক কথা কয়।

## পাটপাইক ইষ্টাৰ্ণ এয়াৰ কমাণ্ডৰ মুৰব্বী নিয়োগ



**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ৫ অক্টোবৰ ঃ** দেশৰ প্ৰতিৰক্ষাৰ ক্ষেত্ৰত অতিশয় গুৰুত্বপূৰ্ণ ভূমিকা থকা বায়ুসেনাৰ ইষ্টাৰ্ণ এয়াৰ কমাণ্ডৰ মুৰব্বীৰূপে দায়িত্ব গ্ৰহণ কৰিছে দিলীপ কুমাৰ পাটপাইকে তিনি অক্টোবৰত তেওঁ এই আন্তঃৰাষ্ট্ৰীয় সীমান্তৱৰ্তী মুখ্য বায়ুসেনা বিষয়াৰূপে দায়িত্ব গ্ৰহণ কৰাৰ বিষয়ে প্ৰতিৰক্ষা বিভাগৰ মুখপাত্ৰই আজি সদৰী কৰে। উল্লেখ্য যে পাটপাইক ১৯৮৪ৰ আঠ জুনত দেশৰ বায়ু সেনাৰ যুঁজাৰু শাখাত নিযুক্তি দিয়া হৈছিল। তেওঁ ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা একাডেমী, প্ৰতিৰক্ষা সেৱা কৰ্মচাৰী মহাবিদ্যালয় আৰু এয়াৰ ৱাৰফেয়াৰ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ। তদুপৰি তেওঁৰ বিভিন্ন প্ৰকাৰৰ বিমানত আঢ়ৈহেজাৰ ঘন্টাতকৈও অধিক যুঁজাৰু বিমান চালনাৰ অভিজ্ঞতা আছে। ইতিপূৰ্বে তেওঁ বায়ুসেনাৰ বহুকেইটা গুৰুত্বপূৰ্ণ পদবীত কাৰ্যনিৰ্বাহ কৰিছে। তেওঁ কাৰ্গিল যুদ্ধৰ সময়ত প্ৰদৰ্শন কৰা পাৰদৰ্শিতাৰ বাবে তেওঁক বায়ুসেনাৰ বীৰত্ব পদকৰে সন্মানিত কৰা হৈছিল। এইগৰাকী বায়ুসেনা বিষয়াই ইতিমধ্যে বিশিষ্ট সেনা পদকো লাভ কৰিছে।

## উৰিয়াগাঁৱত দুৰ্ঘটনাত চাইকেল আৰোহী নিহত

**বিশেষ সংবাদদাতা**

**নগাঁও, ৫ অক্টোবৰ ঃ** নগাঁও জিলাৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ বাইপাছৰ উৰিয়াগাঁৱত সংঘটিত এক পথ দুৰ্ঘটনাত এজন চাইকেল আৰোহী নিহত হয়। গুৱাহাটীৰ পৰা ডিব্ৰুগড় অভিমুখী এ এছ-০৬ পি-০১৪২ নম্বৰৰ টাটা ইণ্ডিকাই এজন চাইকেল আৰোহীক মহটিয়াই নিয়ে। ফলত দীপক বৰা (৪৩) নামৰ চাইকেল আৰোহীজন থিতাতে নিহত হয়। নিহত চাইকেল আৰোহী দীপক বৰাৰ ঘৰ পোটনিত। পাছত ঘটনাস্থলীত বৰঘাট থানাৰ আৰক্ষী উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। আৰক্ষীয়ে ইণ্ডিকাখনৰ চালকজনক আটক কৰিছে।

## বিটিচিৰ একমাত্ৰ স্বচ্ছ গাঁও হাইনাৰী

■ চিৰাঙৰ স্বচ্ছ হাইনাৰী গাঁৱৰ স্বচ্ছতাৰ প্ৰতিষ্ঠা দিৱসত বিধায়ক বসুমতাৰী

**অগ্ৰদূত বাৰ্তা**

**কাজলগাঁও, ৫ অক্টোবৰ ঃ** চিৰাং জিলাৰ চিদলী-চিৰাং উন্নয়ন খণ্ডৰ অধীনৰ কাশীকোত্ৰাৰ হাইনাৰী গাঁওখনে চলিত বছৰৰ গণৰাজ্য দিৱসত চিৰাং জিলা প্ৰশাসনৰ পৰা স্বচ্ছতাৰ গাঁও হিচাপে স্বীকৃতি লাভ কৰাৰ পাছত আজি গাঁওখনত স্বচ্ছতাৰ দ্বিতীয় বৰ্ষপূৰ্তি পালন কৰে। উল্লেখ্য যে ২০১৯ৰ পাঁচ অক্টোবৰৰ পৰা স্বচ্ছতা অনাৰ বাবে গাঁওবাসীয়ে প্ৰতিটো দেওবাৰে স্বচ্ছ কৰাৰ লক্ষ্যৰে বাটপথত গছপুলি, ফুল গছ ৰোপণ কৰাৰ লগতে চাফ-চিকুণকৈ ৰখাৰ কাম কৰি আহিছে। আজি স্বচ্ছতাৰ দুবছৰ উপলক্ষে হাইনাৰী গাঁৱৰ সামূহিক ভৱনক স্বচ্ছতা গাঁও সমিতিৰ উদ্যোগত আয়োজিত সভাত স্থানীয় বিধায়ক জয়ন্ত বসুমতাৰীয়ে হাইনাৰী গাঁৱৰ লোকসকলে স্বচ্ছতাৰ দিশত লোৱা পদক্ষেপক শলাগ লয় আৰু জিলা প্ৰশাসনে স্বীকৃতি প্ৰদান কৰাত আনন্দ প্ৰকাশ কৰে। তেওঁ অইন গাঁৱৰ লোকসকলক উল্লিখিত গাঁওখন চাবলৈ অনুৰোধ জনোৱাৰ লগতে গাঁওখন দেখিলে অন্যই অনুসৰণ কৰিব বুলি আশা ব্যক্ত কৰে। অনাগত দিনত গাঁওখনলৈ সহায় কৰাৰো প্ৰতিশ্ৰুতি দিয়ে বিধায়ক বসুমতাৰীয়ে। সভাত বিটিচিৰ পৰিষদীয় সদস্য চাইখং বসুমতাৰী আৰু মাধৱ চন্দ্ৰ ছেত্ৰীয়ে গাঁওখনৰ সৌন্দৰ্য, স্বচ্ছতা কৰাৰ দিশত সহায় কৰাৰ কথা ব্যক্ত কৰে। অনুষ্ঠানত কাজলগাঁও উপ-সংমণ্ডলৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ সহকাৰী কাৰ্যবাহী অভিযন্তা ৰূপেশ্বৰ ব্ৰহ্ম, চিদলী-চিৰাং খণ্ড উন্নয়ন সহকাৰী খণ্ড বিষয়া বিষ্ণু মগৰে ভাষণ প্ৰদান কৰে। উল্লেখ্য যে ৪০টা পৰিয়ালে বসবাস কৰা হাইনাৰী গাঁৱৰ দুই কিলোমিটাৰ পথত ফুলৰ গছ ৰোপণ কৰাৰ সিদ্ধান্ত লোৱা হৈছে। গাঁওখনত সকলোৰে স্বচ্ছতা বজাই ৰখাৰ বাবে বিগত দিনত গাঁওখনৰ এজনো লোক কৰ'নাত আক্ৰান্ত হোৱা নাই বুলি ব্যক্ত কৰে স্বচ্ছতা গাঁও সমিতিৰ সভাপতি দেৱ চৰণ বসুমতাৰীয়ে। সংবাদ মাধ্যমৰ আগত চিদলীৰ বিধায়ক বসুমতাৰীয়ে চিৰাঙৰ হাইনাৰী গাঁওখন একমাত্ৰ স্বচ্ছতা গাঁও বুলি অভিহিত কৰি ভৱিষ্যতে অধিক সা-সুবিধা উপলব্ধ গাঁও হিচাপে গঢ় দিয়াত গুৰুত্ব দিয়াৰ কথা ব্যক্ত কৰে। পুৱা দ্বিতীয় বৰ্ষপূৰ্তি উপলক্ষে গাঁওবাসীয়ে একত্ৰিত হৈ সমূহীয়াভাৱে গাঁওখনক সজাই তোলে আৰু পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ মুকলি কৰে। পাছলৈ গছপুলি ৰোপণ কৰে বিশেষকৈ ফুল গছ ৰোপণ কৰাৰ লগতে এক সভাও অনুষ্ঠিত কৰে গাঁওবাসীয়ে।

■ বিতৰণ নকৰাৰ ফলত পথাৰতে নষ্ট শ শ বিঘাৰ কঠীয়া

# কৃষকৰ নামত চৰকাৰী ধনৰ শৰাধ

**অগ্ৰদূত বাৰ্তা**

**হোজাই, ৫ অক্টোবৰ ঃ** চৰকাৰে কৃষকৰ বাবে নিতৌ গ্ৰহণ কৰি আহিছে বহু অভিলাষী আঁচনি। কিন্তু একাংশ চৰকাৰী বিষয়া-কৰ্মচাৰীৰ বাবে কৃষি বিভাগৰ আঁচনিবোৰ পৰিণত হৈছে ফুটুকাৰ ফেনত। বিশেষকৈ হোজাই জিলা কৃষি বিভাগৰ বিষয়া-কৰ্মচাৰীৰ বাবে বিভাগটোত হৈছে চৰকাৰী ধনৰ শৰাধ। জিলাখনত কৃষি বিভাগে কৃষকক দিবলৈ কৃষিপাম নিগমত লাখ লাখ টকা ব্যয় কৰি প্ৰায় ৮৪/৯০ বিঘা ভূমিত সিঁচিছিল কঠীয়া। কিন্তু কৃষি বিভাগে সেই কঠীয়াবোৰ কৃষক ৰাইজক বিতৰণ নকৰাৰ ফলত পথাৰতে নষ্ট হৈ পৰা ঘটনাক লৈ হোজাইত সৃষ্টি হৈছে তীব্ৰ প্ৰতিক্ৰিয়াৰ। যি সময়ত হোজাইৰ কৃষকে কঠীয়াৰ বাবে হাহাকাৰ কৰিছিল সেই সময়তে হোজাইৰ কৃষি বিভাগে তিনিমহীয়া বাহাদুৰ ধানৰ কঠীয়া পথাৰতে নষ্ট কৰিছিল বিঘাই বিঘাই কঠীয়া। চৰকাৰৰ ধন ব্যয় কৰি সিঁচা কঠীয়াবোৰ কৃষকক বিতৰণ নকৰি পথাৰতে নষ্ট কৰি পেলোৱা কাৰ্যত ক্ষুণ্ণ হৈ পৰিছে কৃষক ৰাইজ। কৃষি বিভাগে চৰকাৰী ধনৰ শৰাধ কৰাৰ অভিযোগ তুলি উক্ত ঘটনাৰ এক উচ্চ পৰ্যায়ৰ তদন্ত কৰি দোষী বিষয়া-কৰ্মচাৰীৰ বিৰুদ্ধে ব্যৱস্থা লোৱাৰ ৰাইজে দাবী জনাইছে। কেৱল এই ঠাইতে নহয়, কৃষিপামৰ দৰে ৰাইকাটা কছাৰী গাঁও, ইছলামপুৰ, কোমোৰাকাটা আদি গাঁৱতো বিঘা বিঘা কঠীয়া পথাৰতে নষ্ট হৈ গৈছে। পৰ্যাপ্ত জলসিঞ্চনৰ ব্যৱস্থা নকৰাৰ ফলত জ্বলি গৈছে কঠীয়াবোৰ। এতিয়া এই কঠিয়াতলি গো খাদ্যলৈ ৰূপান্তৰিত হ'বলৈ ধৰিছে। এই সন্দৰ্ভত হোজাই আৰু লামডিঙৰ বিধায়কদ্বয় আৰু হোজাইৰ অভিভাৱক মন্ত্ৰী পৰিমল শুক্লবৈদ্যক এই বিষয়ে সংবাদ মাধ্যমৰ লোকে অৱগত কৰিছিল। এতিয়া দুই বিধায়ক আৰু অভিভাৱক মন্ত্ৰীয়ে কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া লক্ষ্যণীয় হ'ব।








## আসন্ন ৰাষ্ট্ৰীয় মহিলা বক্সিং প্ৰতিযোগিতাত নেখেলে অসম কন্যাই ঃ বাছনি শিবিৰতো অংশ লোৱাৰ প্ৰয়োজন নাই

# বিশ্ব বক্সিঙত পোনে পোনে খেলাৰ সুযোগ লাভলীনাক

**গুৱাহাটী, ৫ অক্টোবৰ ঃ** টকিঅ' অলিম্পিকত ভাৰতৰ একমাত্ৰ বক্সাৰ হিচাপে পদক লাভ কৰাৰ বাবেই অসম কন্যা লাভলীনা বৰগোহাঁইক আসন্ন বিশ্ব মহিলা বক্সিঙত পোনে পোনে খেলাৰ সুযোগ দিয়া হৈছে। আজি ভাৰতীয় বক্সিং সন্থাই এই বিষয়ে অৱগত কৰে। উল্লেখ্য যে অহা 21 অক্টোবৰৰ পৰা হাৰিয়ানাৰ হিছাৰত অনুষ্ঠিত হ'ব ৰাষ্ট্ৰীয় মহিলা বক্সিং। এই প্ৰতিযোগিতাত সোণ আৰু ৰূপ লাভ কৰা খেলুৱৈক বিশ্ব মহিলা বক্সিঙৰ বাচনি শিবিৰলৈ নিৰ্বাচন কৰিব ভাৰতীয় বক্সিং সন্থাই। তাৰপৰাই ভাৰতীয় দল নিৰ্বাচন কৰা হ'ব আসন্ন বিশ্ব মহিলা বক্সিঙলৈ। কিন্তু লাভলীনাই এই শিবিৰত অংশ ল'ব নালাগে। সেয়ে অসম কন্যাই ৰাষ্ট্ৰীয় মহিলা বক্সিং প্ৰতিযোগিতাতো নেখেলে। অহা ডিচেম্বৰত ইষ্টানবুলত হ'বলগা বিশ্ব মহিলা বক্সিঙত ভাৰতীয় দলক প্ৰতিনিধিত্ব কৰি পোনে পোনে ৰিঙত নামিব লাভলীনাই। উল্লেখ্য যে এয়া হ'ব লাভলীনাৰ তৃতীয় বিশ্ব মহিলা বক্সিং। উল্লেখ্য যে ইয়াৰপূৰ্বে 2018 আৰু 2019 ত ক্ৰমাগত দুখন বিশ্ব মহিলা বক্সিঙত ব্ৰঞ্জৰ পদক লাভ কৰি সফলতা লাভ কৰিছিল লাভলিনাই। তাৰপাছতে টকিঅ' অলিম্পিকত ব্ৰঞ্জ লাভ কৰি গৌৰৱময় সফলতা অৰ্জন কৰে। 69 কিলোগ্ৰাম শাখাত খেলা লাভলীনাই কোৱাৰ্টাৰ ফাইনেলত চাইনিছ টাইপেৰ চিন নান চিনৰ বিৰুদ্ধে 4-1 ৰ ব্যৱধানত জয়ী হৈ ছেমিফাইনেলত প্ৰৱেশ কৰে আৰু অলিম্পিত পদক অৰ্জনৰ অনন্য স্মৰণীয় গৌৰৱৰ অধিকাৰী হয়। এতিয়া লাভলীনাৰ লক্ষ্য ইষ্টানবুলত পদক জয় কৰি বিশ্ব মহিলা বক্সিঙত পদক জয়ৰ হেট্ৰিক অৰ্জন কৰা।




## ৰাষ্ট্ৰীয় আইটা ছুপাৰ ছিৰিজ টেনিছত অসমৰ অন্তৰীশ তামুলীৰ দ্বিমুকুট অৰ্জন



**গুৱাহাটী, ৫ অক্টোবৰ ঃ** অসমৰ অন্তৰীশ তামুলীয়ে আইটা ছুপাৰ ছিৰিজ টেনিছ প্ৰতিযোগিতাত দ্বিমুকুট অৰ্জন কৰিছে। উল্লেখ্য যে উত্তৰ প্ৰদেশৰ গাজিয়াবাদত অনুষ্ঠিত হোৱা আইটা ছুপাৰ ছিৰিজ টেনিছ প্ৰতিযোগিতাত অসমৰ অন্তৰীশ তামুলীয়ে ল'ৰাৰ 16 বছৰ অনূৰ্ধ শাখাত দ্বিমুকুট অৰ্জন কৰিছে। একক শাখাৰ ফাইনেল মেচত অসমৰ অন্তৰীশ তামুলীয়ে 6-1, 6-2 ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰে নয়দাৰ মহম্মদ ছীক। আনহাতে, ল'ৰাৰ 16 বছৰ অনূৰ্ধ শাখাৰ ডাবলছত অন্তৰীশ তামুলীয়ে সতীৰ্থ বৰুণ সিঙৰ লগত যুটি বান্ধি ফাইনেলত 6-0, 6-2 ৰ পোনপটীয়া ব্যৱধানত জয় অৰ্জন কৰে। ইফালে, একেখন প্ৰতিযোগিতাৰ 45 বছৰ উৰ্ধৰ খেলত অসমৰ নাজনীন জাফৰে মহাৰাষ্ট্ৰৰ সন্ধা ৰাণীৰ স'তে যুটি বান্ধি ডাবলছৰ খিতাপ লাভ কৰিছে। ফাইনেলত 6-2 ৰ ব্যৱধানত জয়ী হয় অসম-মহাৰাষ্ট্ৰৰ যুটিটো।

## ঘৰত ১৪ খন টি-২০ খেলিব ভাৰতে

# নতুন অধিনায়কৰ বাবে হ'ব সুযোগ-প্ৰত্যাহ্বান

**মুম্বাই, ৫ অক্টোবৰ ঃ** ভাৰতীয় ক্ৰিকেট দলে অনাগত আঠ মাহত গৃহভূমিত 14 খন টি-20 মেচ খেলিব। নতুন অধিনায়কৰ বাবে এয়া হ'ব সুযোগ লগতে প্ৰত্যাহ্বান। উল্লেখ্য আসন্ন আই চি চি টি-20 বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ পাছতে বিৰাট কোহলিয়ে টি-20 ৰ পৰা নেতৃত্ব এৰিব। সেয়ে এজন নতুন অধিনায়কে টীম ইণ্ডিয়াক অনাগত 14 খন টি-20 মেচত নেতৃত্ব দিয়াৰ সুযোগ পাব। উল্লেখ্য যে ভাৰতীয় ক্ৰিকেট দলে অনাগত আঠ মাহত গৃহভূমিত চাৰিখন দেশৰ বিৰুদ্ধে শৃংখলা খেলিব। বি চি চি আয়ে ভাৰতীয় ক্ৰিকেট দলৰ ঘৰুৱা আন্তৰ্জাতিক মেচৰ সূচী প্ৰকাশ কৰিছে। সেই অনুসৰি টীম ইণ্ডিয়াই নিউজিলেণ্ড, ৱেষ্ট ইণ্ডিজ, শ্ৰীলংকা আৰু দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে চাৰিটা শৃংখলা খেলিব। আসন্ন আই চি চি টি-20 বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ পাছতে এই শ্ৰীলংকা আৰম্ভ হ'ব। নৱেম্বৰৰ পৰা নিউজিলেণ্ডৰ বিৰুদ্ধে আৰম্ভ হ'ব লগা শৃংখলা অহাবছৰ জুনত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে খেলা শৃংখলাৰে সমাপ্ত হ'ব। উল্লেখ্য যে টীম ইণ্ডিয়াই নিউজিলেণ্ড, ৱেষ্ট ইণ্ডিজ, শ্ৰীলংকা আৰু দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে এই সময়চোৱাত চাৰিখন টেষ্ট, তিনিখন এদিনীয়া আৰু 14 খন টি-20 মেচ খেলিব। নিউজিলেণ্ডৰ বিৰুদ্ধে ভাৰতে তিনিখন টি-20 আৰু দুখন টেষ্ট খেলিব। আনহাতে, ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে ভাৰতীয় ক্ৰিকেট দলে তিনিখন এদিনীয়া আৰু সমসংখ্যক টি-20 মেচ খেলিব। তাৰপাছত শ্ৰীলংকাৰ বিৰুদ্ধে ভাৰতীয় দলে দুখন টেষ্ট আৰু তিনিখন টি-20 মেচ খেলিব। আনহাতে, দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে পাঁচখন টি-20 মেচ খেলিব টীম ইণ্ডিয়াই।



অলিম্পিকৰ সম্বৰ্ধনা বিষ্ণুৰাম নুনিছাক

## আজি ক্ৰীড়া সাংবাদিক কল্যাণ সন্থাৰ খেলুৱৈক বাৰ্ষিক বঁটা প্ৰদান অনুষ্ঠান

**গুৱাহাটী, ৫ অক্টোবৰ ঃ** ক্ৰীড়া সংবাদিক কল্যাণ সন্থাই কাইলৈ নেহৰু ষ্টেডিয়ামত পালন কৰিব দশম প্ৰতিষ্ঠা দিৱস। উল্লেখ্য যে এই উপলক্ষ্যে খেলুৱৈ আৰু ক্ৰীড়া সংগঠকক সম্বৰ্ধনা জনাব সন্থাই। ইতিমধ্যে ৰাজ্যৰ চাৰিগৰাকী খেলুৱৈক ক্ৰীড়া সংবাদিক কল্যাণ সন্থাই 2019-2020 তথা 2020-2021 বৰ্ষৰ বঁটাৰ বাবে নিৰ্বাচন কৰিছে। খেলুৱৈ চাৰিগৰাকী হ'ল শিৱাংগী শৰ্মা (সাঁতোৰ), গৌৰৱ মজুমদাৰ (বক্সিং), পূজা বসুমতাৰী (জুডো) আৰু অল্লান বৰগোহাঁই (এথলেটিকছ)। কাইলৈ হ'বলগা ক্ৰীড়া সংবাদিক কল্যাণ সন্থাৰ দশম প্ৰতিষ্ঠা দিৱসত এই বঁটা আনুষ্ঠানিকভাৱে প্ৰদান কৰা হ'ব। উল্লেখ্য যে ক্ৰীড়া সংবাদিক কল্যাণ সন্থাক বঁটা প্ৰদান অনুষ্ঠানত সহযোগ কৰিছে এন আৰ এলে। অনুষ্ঠানত ৰাজ্যৰ ভিন্নক্ষেত্ৰৰ ব্যক্তিয়ে যোগ দিব বুলি সন্থাই অৱগত কৰিছে।

## দিল্লীৰ জয়যাত্ৰা

**ডুবাই, ৫ অক্টোবৰ ঃ** ক্ৰমাগত দুখন মেচত জয় অৰ্জন কৰাৰ পাছত পৰাজয়ৰ সন্মুখীন হৈছিল দিল্লী কেপিটেলছ দল। কলকাতা নাইট ৰাইডাৰ্ছ দলে তিনি উইকেটত পৰাস্ত কৰে দিল্লী কেপিটেলছক। মেচখনত পোনতে বেটিং কৰি দিল্লী কেপিটেলছ দলে ন উইকেটত 127 ৰাণ কৰে। প্ৰত্যুত্তৰত কলকাতা নাইট ৰাইডাৰ্ছ দলে 18.2 অভাৰত সাত উইকেটত 130 ৰাণ কৰি সহজ বিজয় অৰ্জন কৰে। উল্লেখ্য যে পূৰ্বৰ মেচত দিল্লী কেপিটেলছ দলে 33 ৰাণত পৰাস্ত কৰিছিল ৰাজস্থান ৰয়েলছ দলক। পোনতে বেটিং কৰি দিল্লী কেপিটেলছ দলে ছয় উইকেটত সংগ্ৰহ কৰে 154 ৰাণ। প্ৰত্যুত্তৰত, ৰাজস্থান ৰয়েলছে ছয় উইকেটত 121 ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। ইয়াৰপূৰ্বৰ মেচত দিল্লী কেপিটেলছ দলে আঠ উইকেটত পৰাস্ত কৰিছিল ছানৰাইজাৰ্ছ হায়দৰাবাদক। উল্লেখ্য যে মেচখনত পোনতে বেটিং কৰি ছানৰাইজাৰ্ছ হায়দৰাবাদ দলে 20 অভাৰত ন উইকেট হেৰুৱাই 134 ৰাণ কৰিছিল। প্ৰত্যুত্তৰত দিল্লী কেপিটেলছ দলে 17.5 অভাৰত দুটা উইকেট হেৰুৱাই জয় অৰ্জন কৰে।

## জুনিয়ৰ বিশ্বকাপ হকী প্ৰতিযোগিতা

# এইবাৰ ভাৰতৰ ভিছা লাভ কৰাত আশাবাদী পাকিস্তান

**নতুন দিল্লী, ৫ অক্টোবৰ ঃ** চলিত বৰ্ষত ভাৰতত অনুষ্ঠিত হ'বলগা পুৰুষৰ জুনিয়ৰ বিশ্বকাপ হকী প্ৰতিযোগিতাখন ওড়িছাই আয়োজন কৰিব। উল্লেখ্য যে হকী ইণ্ডিয়াই এই বিষয়ে ইতিমধ্যে আনুষ্ঠানিক ঘোষণা কৰিছে। সেই অনুসৰি অহা 25 নৱেম্বৰৰ পৰা পাঁচ ডিচেম্বৰলৈ ওড়িছা চৰকাৰে ভূৱনেশ্বৰত পুৰুষৰ জুনিয়ৰ বিশ্বকাপ হকী প্ৰতিযোগিতাখন আয়োজন কৰিব বুলিও ব্যক্ত কৰে হকী ইণ্ডিয়াই। কিন্তু উক্ত প্ৰতিযোগিতাত পাকিস্তানে অংশ



ল'ব নে নাই তাক লৈ সন্দেহ আছে। কাৰণ 2016 ত ভাৰতত হোৱা জুনিয়ৰ বিশ্বকাপ হকী প্ৰতিযোগিতাত পাকিস্তান দলক ভিছা দিয়া নাছিল ভাৰত চৰকাৰে। এইবাৰ কিন্তু পাকিস্তান এইক্ষেত্ৰত আশাবাদী। উল্লেখ্য যে পূৰ্বে প্ৰতিযোগিতাখন গুৱাহাটীত অনুষ্ঠিত হোৱাৰ কথা আছিল। কিন্তু অসম চৰকাৰে কৰ'না পৰিস্থিতিৰ বাবে চলিত বৰ্ষত ৰাজ্যত কোনো ধৰণৰ আন্তৰ্জাতিক ক্ৰীড়া প্ৰতিযোগিতা আয়োজন কৰিব বিচৰা নাই। যাৰবাবেই অহা নবেম্বৰত অসমত অনুষ্ঠিত হ'বলগা পুৰুষৰ জুনিয়ৰ বিশ্বকাপ হকী প্ৰতিযোগিতাখন এতিয়া অনুষ্ঠিত অনুষ্ঠিত হ'ব ওডিছাৰ ভূৱনেশ্বৰত। উল্লেখ্য যে ভাৰতীয় হকীৰ লগত ওডিছা সম্পৰ্ক নিবিড়। ভাৰতীয় হকী মূখ্য স্পনচৰ হ'ল ওডিছা চৰকাৰ। 2032 লৈ ভাৰতীয় হকীক স্পনচৰ কৰিব ওডিছা চৰকাৰে। ইয়াৰপূৰ্বে 2018 ত ভূৱনেশ্বৰৰ কলিংগ ষ্টেডিয়ামত আয়োজিত হৈছিল বিশ্বকাপ হকী।

# বাৰ্মিংহাম কমনৱেলথ গেমছত নেখেলে ভাৰতীয় হকী দলে



**নতুন দিল্লী, ৫ অক্টোবৰ ঃ** অহা বছৰ ইংলণ্ডত হ'বলগা বাৰ্মিংহাম কমনৱেলথ গেমছৰ পৰা নাম প্ৰত্যাহাৰ কৰাৰ সিদ্ধান্ত লৈছে ভাৰতীয় হকী ফেডাৰেছনে। ব্ৰিটিছ চৰকাৰৰ কৰ'নাৰ নিয়মৰ বাবেই বাৰ্মিংহাম কমনৱেলথ গেমছত নেখেলাৰ সিদ্ধান্ত লৈছে ভাৰতীয় হকী ফেডাৰেছনে। ব্ৰিটিছ চৰকাৰৰ কৰ'নাৰ নিয়ম অনুসৰি ভাৰতীয় নাগৰিকে প্ৰথম 10 দিন কোৱাৰেণ্টিনত থাকিব লাগিব। সেয়ে ভাৰতীয় হকী দলে এয়া পালন নকৰে বুলি কৈ বাৰ্মিংহাম কমনৱেলথ গেমছত নেখেলাৰ সিদ্ধান্ত লৈছে। উল্লেখ্য যে আন্তৰ্জাতিক হকী সন্থাৰ সভাপতি তথা হকী ইণ্ডিয়াৰো সভাপতি নৰিন্দ্ৰৰ বাট্ৰা ভাৰতীয় অলিম্পিক সন্থাৰো সভাপতি পদত আছে। তেনেক্ষেত্ৰত বিষয়টোৱে তাৎপৰ্য বহন কৰিছে। উল্লেখ্য যে অহা মাহত ভাৰতত হ'বলগা পুৰুষৰ জুনিয়ৰ বিশ্বকাপ হকী প্ৰতিযোগিতাৰ পৰা নাম প্ৰত্যাহাৰ কৰিছে ইংলণ্ডে। উল্লেখ্য যে ব্ৰিটিছ নাগৰিকৰ বাবে ভাৰত চৰকাৰৰ কৰ'না নীতিৰ ফলতেই প্ৰতিযোগিতাৰ পৰা নাম প্ৰত্যাহাৰ কৰিছে ইংলণ্ডে। ভাৰত চৰকাৰৰ কৰ'না নীতি অনুসৰি ব্ৰিটিছ নাগৰিকে প্ৰথম 10 দিন কোৱাৰেণ্টিনত থাকিব লাগিব। কিন্তু এয়া ইংলণ্ড হকী দলে পালন কৰিব নোৱাৰে বুলি ব্যক্ত কৰি ভাৰতত হ'বলগা পুৰুষৰ জুনিয়ৰ বিশ্বকাপ হকী প্ৰতিযোগিতাৰ পৰা নিজৰ নাম প্ৰত্যাহাৰ কৰিছে। ইংলণ্ডৰ এই ঘোষণাৰ পাছতে বাৰ্মিংহাম কমনৱেলথ গেমছৰ পৰা নাম প্ৰত্যাহাৰ কৰাৰ সিদ্ধান্ত লৈছে ভাৰতীয় হকী ফেডাৰেছনেও।

# কৰ'নাৰ নিয়মৰ বাবে জুনিয়ৰ বিশ্বকাপ হকী প্ৰতিযোগিতাৰ পৰা নাম প্ৰত্যাহাৰ ইংলণ্ডৰ



**নতুন দিল্লী, ৫ অক্টোবৰ ঃ** অহা মাহত ভাৰতত হ'বলগা পুৰুষৰ জুনিয়ৰ বিশ্বকাপ হকী প্ৰতিযোগিতাৰ পৰা নাম প্ৰত্যাহাৰ কৰিছে ইংলণ্ডে। উল্লেখ্য যে ব্ৰিটিছ নাগৰিকৰ বাবে ভাৰত চৰকাৰৰ কৰ'না নীতিৰ ফলতেই প্ৰতিযোগিতাৰ পৰা নাম প্ৰত্যাহাৰ কৰিছে ইংলণ্ডে। ভাৰত চৰকাৰৰ কৰ'না নীতি অনুসৰি ব্ৰিটিছ নাগৰিকে প্ৰথম 10 দিন কোৱাৰেণ্টিনত থাকিব লাগিব। কিন্তু এয়া ইংলণ্ড হকী দলে পালন কৰিব নোৱাৰে বুলি ব্যক্ত কৰি ভাৰতত হ'বলগা পুৰুষৰ জুনিয়ৰ বিশ্বকাপ হকী প্ৰতিযোগিতাৰ পৰা নিজৰ নাম প্ৰত্যাহাৰ কৰিছে। উল্লেখ্য যে চলিত বৰ্ষত ভাৰতত অনুষ্ঠিত হ'বলগা পুৰুষৰ জুনিয়ৰ বিশ্বকাপ হকী প্ৰতিযোগিতাখন ওড়িছাই আয়োজন কৰিব। উল্লেখ্য যে হকী ইণ্ডিয়াই এই বিষয়ে ইতিমধ্যে আনুষ্ঠানিক ঘোষণা কৰিছে। সেই অনুসৰি অহা 25 নৱেম্বৰৰ পৰা পাঁচ ডিচেম্বৰলৈ ওড়িছা চৰকাৰে ভূৱনেশ্বৰত পুৰুষৰ জুনিয়ৰ বিশ্বকাপ হকী প্ৰতিযোগিতাখন আয়োজন কৰিব বুলিও ব্যক্ত কৰে হকী ইণ্ডিয়াই। ইংলণ্ডৰ লগতে ভাৰতত অনুষ্ঠিত হ'বলগা পুৰুষৰ জুনিয়ৰ বিশ্বকাপ হকী প্ৰতিযোগিতা আৰু দক্ষিণ আফ্ৰিকাত অনুষ্ঠিত হ'বলগা মহিলাৰ জুনিয়ৰ বিশ্বকাপ হকী প্ৰতিযোগিতাত অংশ নলোৱাৰ সিদ্ধান্ত লৈছে নিউজিলেণ্ড-অষ্ট্ৰেলিয়াৰ পৰুষ-মহিলা দলে। কৰ'নাৰ বাবে এই সিদ্ধান্ত লৈছে দেশ দুখনে। উল্লেখ্য যে অহা পাঁচৰ পৰা 16 ডিচেম্বৰলৈ দক্ষিণ আফ্ৰিকাত অনুষ্ঠিত হ'ব মহিলাৰ জুনিয়ৰ বিশ্বকাপ হকী প্ৰতিযোগিতা।

## ছিনিয়ৰ আন্তঃজিলা ফুটবল প্ৰতিযোগিতা

# গুৱাহাটী দল মাণ্ডলিক চেম্পিয়ন



**গুৱাহাটী, ৫ অক্টোবৰ ঃ** গুৱাহাটী ফুটবল দলে চলিত ছিনিয়ৰ আন্তঃজিলা ফুটবল প্ৰতিযোগিতাৰ মাণ্ডলিক চেম্পিয়ন হৈছে। উল্লেখ্য যে বৰমাত অনুষ্ঠিত হোৱা ফাইনেল মেচত আজি গুৱাহাটী ফুটবল দলে একমাত্ৰ গ'লত পৰাস্ত কৰে বাকসা দলক। খেলৰ 24 মিনিটত গুৱাহাটী ফুটবল দলৰ হৈ বিজয়সুচক গ'লটো কৰে কংকন ৰাভাই। আনহাতে, খেলৰ দ্বিতীয়াৰ্ধত গুৱাহাটী ফুটবল দলৰ গ'লৰক্ষক মূল্য ৰাভাই পেনাল্টি ৰক্ষা কৰি দলৰ বিজয়ত অন্যতম ভূমিকা লয়। উল্লেখ্য যে 69 সংখ্যক ছিনিয়ৰ আন্তঃজিলা ফুটবল প্ৰতিযোগিতাৰ ফাইনেল ৰাউণ্ডৰ মেচ অনুষ্ঠিত হ'ব চৰাইদেউত। গুৱাহাটী ফুটবল দলৰ লগতে মুঠ সাতটা দলে মাণ্ডলিক চেম্পিয়ন হৈ যোগ্যতা অৰ্জন কৰিছে ফাইনেল ৰাউণ্ডলৈ। উল্লেখ্য যে ছিনিয়ৰ আন্তঃজিলা ফুটবল প্ৰতিযোগিতাৰ মাণ্ডলিক পৰ্যায়ৰ পূৰ্বৰ মেচত গুৱাহাটী ফুটবল দলে 3-0 গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল দক্ষিণ কামৰূপক। আনহাতে, বাকসাই টাইব্ৰেকাৰত 6-5 গ'লত পৰাস্ত কৰিছিল বৰপেটাক।

# ৰাষ্ট্ৰীয় ক্ৰীড়া সংগঠকক সম্বৰ্ধনা অসম অলিম্পিক সন্থাৰ

## সংগঠক অবিহনে খেলুৱৈৰ সৃষ্টি আশা কৰিব নোৱাৰি ঃ কোঁৱৰ



**গুৱাহাটী, ৫ অক্টোবৰ ঃ** 'অসমৰ খেলুৱৈৰ লগতে ক্ৰীড়া সংগঠকসকলেও ৰাষ্ট্ৰীয় তথা আন্তৰ্জাতিক মঞ্চত যোগ্যতা আৰু দক্ষতাৰে প্ৰতিষ্ঠা-সন্মান লাভ কৰিবলৈ সক্ষম হৈছে। এয়া অসমৰ ক্ৰীড়া জগতৰ বাবে আশা আৰু গৌৰৱৰ কথা। কাৰণ সংগঠক অবিহনে খেলুৱৈৰ সৃষ্টি কেতিয়াও আশা কৰিব নোৱাৰি।' এই মন্তব্য অসম অলিম্পিক সন্থাৰ সম্পাদক লক্ষ্য কোঁৱৰৰ। উল্লেখ্য যে আজি ৰাধাগোবিন্দ বৰুৱা ক্ৰীড়া প্ৰকল্পৰ দেশভক্ত তৰুণৰাম ফুকন ইনড'ৰ ষ্টেডিয়ামত থকা সভাকক্ষত অসম অলিম্পিক সন্থাই সম্বৰ্ধনা জনাই ৰাষ্ট্ৰীয় ফেডাৰেছনত পদবী লাভ কৰা একাংশ সুদক্ষ ক্ৰীড়া সংগঠকক। উল্লেখ্য যে অলপতে, অসম ভাৰোত্তোলন সন্থাৰ সম্পাদক ভৰজ্যোতি গোস্বামী ভাৰতীয় ভাৰোত্তোলন সন্থাৰ উপসভাপতি হিচাপে নিৰ্বাচিত হৈছে। উল্লেখ্য যে নয়দাত অনুষ্ঠিত হোৱা ভাৰতীয় ভাৰোত্তোলন সন্থাৰ বাৰ্ষিক সভাত নতুন কমিটীখন গঠন কৰা হয় আৰু ভৰজ্যোতি গোস্বামী ভাৰতীয় ভাৰোত্তোলন সন্থাৰ উপসভাপতি হিচাপে নিৰ্বাচিত হয়। ইফালে, বাংগালুৰুৰ ভাৰত বিশ্ববিদ্যালয়ে ক্ৰীড়া জগতলৈ আগবঢ়োৱা অবদানৰ বাবে অসমৰ সক্ৰীয় ক্ৰীড়া সংগঠক বিষ্ণুৰাম নুনিছাক ডক্টৰেট সন্মান প্ৰদান কৰিছে। অসম টেনিছ সন্থাৰ সম্পাদক অংকুশ দত্ত আইটাৰ কাৰ্যনিৰ্বাসক সদস্য। উল্লেখ্য যে কৰ'নাৰ সময়তে সৰ্বভাৰতীয় টেনিছ ফেডাৰেছনে এইবাৰ অসমত দুখনকৈ আইটা ছুপাৰ ছিৰিজ ৰাষ্ট্ৰীয় টেনিছ প্ৰতিযোগিতা (14



বছৰ অনূৰ্ধ আৰু 16 বছৰ অনূৰ্ধ ) আয়োজনৰ দায়িত্ব দিছিল অসম টেনিছ সন্থাক। ৰাজ্যিক সন্থাটোৱে দুয়োখন ৰাষ্ট্ৰীয় প্ৰতিযোগিতা অইল ইণ্ডিয়া লিমিটেডৰ সহায়ত সুকলমে কৰ'নাৰ নীতি-নিৰ্দেশনা মানি চলি আয়োজন কৰি প্ৰত্যাসিত সফলতা লাভ কৰিছে। উল্লেখ্য যে কৰ'না ত্ৰাসৰ পাছত প্ৰথমবাৰৰ বাবে অসমত অনুষ্ঠিত হ'ল কোনো ৰাষ্ট্ৰীয় প্ৰতিযোগিতা। স্বাভাৱিকতে এয়া অসম টেনিছ সন্থাৰ সম্পাদক অংকুশ দত্তৰ সফলতা আৰু দৃঢ়তা। আজিৰ অনুষ্ঠানত অসম অলিম্পিক সন্থাৰ হৈ উপস্থিত থাকে দুই ৰাষ্ট্ৰীয় ক্ৰীড়া সংগঠক তপন দাস আৰু হেমন্ত কলিতাও।

## ক্ৰমাগত ব্যৰ্থতা ছুপাৰ কিংছৰ

**ডুবাই, ৫ অক্টোবৰ ঃ** চলিত আই পি এলত যোৱানিশা চেন্নাই ছুপাৰ কিংছক (136-5 ৰাণ) তিনি উইকেটত পৰাস্ত কৰি শীৰ্ষস্থান অধিকাৰ কৰিছে দিল্লী কেপিটেলছ (139-7 ৰাণ)। উল্লেখ্য যে উভয় দলে ইতিমধ্যে প্লে-অফৰ যোগ্যতা নিশ্চিত কৰাত এই মেচ গুৰুত্বহীন আছিল। উল্লেখ্য যে অন্তিম মেচত মুম্বাইক চাৰি উইকেটত পৰাস্ত কৰি প্লে-অফলৈ যোগ্যতা অৰ্জন কৰিছিল দিল্লী কেপিটেলছে। পোনতে বেটিং কৰি মুম্বাই দলে আঠ উইকেটত 129 ৰাণ কৰে। প্ৰত্যুত্তৰত দিল্লীয়ে পাঁচটা বল বাকী থাকেতেই ছয় উইকেটত 132 ৰাণ কৰি জয় অৰ্জন কৰে। 13 খন মেচ খেলাৰ পাছত দিল্লী দলৰ পইণ্ট 20¼ উইকেট হেৰুৱাই 139 ৰাণ কৰি সহজ বিজয় অৰ্জন কৰে। ইফালে, চেন্নাই ছুপাৰ কিংছ ক্ৰমাগত দুখনত পৰাস্ত হ'ল।






অসম চৰকাৰ

# বিকাশ আৰু প্ৰগতিৰ পথ প্ৰশস্ত কৰি

## হাফলং তিনিআলিৰ পৰা নামনি হাফলঙলৈ ৯০ কিলোমিটাৰ পথৰ উন্নীতকৰণ আৰু সবলীকৰণ

এছিয়ান ডেভেলপমেন্ট বেংকৰ অৰ্থ সাহায্যপ্ৰাপ্ত
'আচাম ৰোড নেটৱৰ্ক ইমপ্ৰুভ্‌মেন্ট প্ৰজেক্ট'ৰ অধীনত

**২ লেনযুক্ত ঘাইপথৰ আধাৰশিলা স্থাপন কৰিব**

**শ্ৰীমতী নিৰ্মলা সীতাৰমনে**
মাননীয়া বিত্তমন্ত্ৰী, ভাৰত চৰকাৰ

গৌৰৱময় উপস্থিতি

**ড° হিমন্ত বিশ্ব শৰ্মা**
মাননীয় মুখ্যমন্ত্ৰী, অসম

**শ্ৰীমতী অজন্তা নেওগ**
মাননীয়া বিত্তমন্ত্ৰী, অসম চৰকাৰ

**শ্ৰীযুত দেৱলাল গৰ্লোচা**
মাননীয় মুখ্য কাৰ্যবাহী সদস্য
উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্তশাসিত পৰিষদ

স্থানঃ হাফলং তিনিআলি, ডিমা হাছাও, অসম | তাৰিখঃ ৭ অক্টোবৰ ২০২১, বৃহস্পতিবাৰ

লোকনিৰ্মাণ (পথ) বিভাগ, অসম চৰকাৰৰ দ্বাৰা জনহিতাৰ্থে প্ৰকাশিত

জনসংযোগ/ডি এফ/৯৪৭/২১